# খাগৰিজান মহাবিদ্যালয়

# আলোচনী

১ম সংখ্যা, ১৯৯৫ - ৯৬



সম্পাদক : তুতুল কুমাৰ দাস

শ্ৰীমহিম বৰা
প্ৰাক্তন সভাপতি,
অসম সাহিত্য সভা



## শুভেচ্ছাবাণী

সম্পাদক ডাঙৰীয়া,

আপোনালোকৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মুখপত্ৰ স্বৰূপ বছৰেকীয়া আলোচনীখন এই বছৰৰ পৰা নিয়মীয়াকৈ প্ৰকাশ কৰিবলৈ সংকল্প লোৱা বুলি জানি আনন্দ পাইছো। এনে আলোচনীৰ মাধ্যমেদি ছাত্ৰ-ছাত্ৰীসকলে নিজক প্ৰকাশ কৰিবলৈ, নিজৰ চিন্তা-স্বপ্ন-কল্পনাক সংযত ৰূপ দিবলৈ প্ৰথম সুযোগ পায়। ভৱিষ্যতে এই সকলৰ মাজৰপৰা আমি বিভিন্ন ক্ষেত্ৰত, বিভিন্ন বিষয়ক চিন্তা-চৰ্চাকাৰীসকলক সক্ৰিয় আৰু কাৰ্যক্ষম ৰূপত দেখিবলৈ পাওঁ। এই সম্পৰ্কত মোৰ এযাৰেই মাত্ৰ ক'বলগীয়া যে লিখকসকলে ছাত্ৰ অৱস্থাৰ পৰাই মৌলিক চিন্তা কৰিবলৈ শিকক আৰু তাকে প্ৰকাশ কৰাত আগশাৰী দিয়ক। লগতে যিটো ভাষাক এজন লিখকে ভাৱ-চিন্তা প্ৰকাশৰ মাধ্যম কৰি লয়, সেই ভাষাটোৰ বহল জ্ঞানৰ কাৰণে যত্নৰ ত্ৰুটী নকৰক।

আপোনালোকৰ উদ্যম জয়যুক্ত হওক । ইতি—

শুভাকাঙ্খী

প্ৰতাপ শৰ্মা পথ
নগাঁও, অসম
৩১/১০/৯৫

## সূচীপত্ৰ


**প্ৰবন্ধ ঃ-**

- বিদেশত এভুমুকি — শ্ৰী তগৰ চন্দ্ৰ বৰা ৩
- সম্পদৰ ভূমিকা ঃ- — শ্ৰী কমল চন্দ্ৰ গোস্বামী ৮
- খাগৰিজান মহাবিদ্যালয়; অতীত আৰু বৰ্তমান — শ্ৰী অৰুণ বিকাশ দত্ত ১৩
- য়িন আৰু য়; — ড° নৰেন কলিতা ১৭
- ব্যক্তিত্ব আৰু প্ৰতিভা ঃ- — শ্ৰী জ্যোতি প্ৰসাদ বৰা ১৯
- পকেটত চুপাৰ কম্পিউটাৰ — এম. ইমামূল হক ২৩
- লীলা গগৈৰ চিন্তাধাৰা ঃ- — শ্ৰী নিভা কুমাৰী বৰা ২৫
- কম্পিউটাৰলৈ এভুমুকি ঃ- — শ্ৰী জিতেন্দ্ৰ নাথ কলিতা ২৮

কেইজন মান বিশ্ববিখ্যাত ব্যক্তিৰ ৰুচি আৰু স্বভাব - প্ৰৱক্তা, অব্দুল ছাল


মহৎ লোকৰ বানী ঃ- শ্ৰী তুতুল কুমাৰ দাস, মিছ আছিয়া বেগম।

**কবিতা**


- জুইৰ মাজত মই ঃ- — শ্ৰী ৰিংকু বৰঠাকুৰ ৩৩
- আহ্বানঃ- — ম. বছিৰ উদ্দিন ৩৪
- প্ৰেমৰ সাঁকো ৰেদি — শ্ৰী নিৰ্মালী কলিতা ৩৫
- শৰৎ ঃ- — শ্ৰী আইমনি বৰা ৩৬
- জীৱন — শ্ৰী ইতিভেন শইকীয়া ৩৫
- বৰ্তমান — শ্ৰী মিথুৰাহা ৰায় ৩৬
- যদি মোক সিহঁতে সোধে — মঃ নুৰুল হক ৩৭
- নতুনৰ গান — মঃ ওমৰ আলী ৩৮
- ছহিদৰ প্ৰতি — শ্ৰী কৃষ্ণা দাস ৩৯

**গল্প**


- সুৰুযমুখী — শ্ৰী মনালিছা বৰুৱা
- ভূত — শ্ৰী ইমামূল হক
- হিয়াৰ অনুভূতি — শ্ৰী প্ৰশান্ত শইকীয়া
- অদ্ভুত মিল — ম. লুটফুৰ ৰহমান

কামপুৰ নিবাসী শ্ৰীযুক্ত ভড়ালী আৰু শ্ৰীমতী মঞ্জু ভড়ালীয়ে খাগৰিজান মহাবিদ্যালয়লৈ দান হিচাপে নিৰ্মাণ কৰি দিয়া শ্বহীদ বেদী।




নগাঁৱৰ প্ৰখ্যাত ব্যৱসায়ী শ্ৰীৰাজু আগৰৱালাই তেখেতৰ মৃত পিতৃ শ্ৰীমদনলাল আগৰৱালাৰ স্মৃতি ৰক্ষাৰ্থে খাগৰিজান মহাবিদ্যালয়লৈ দান হিচাপে নিৰ্মাণ কৰি দিয়া মহাবিদ্যালয়ৰ মূল তোৰণ।



যিজনৰ ক্লান্তিহীন শ্ৰম আৰু যতিহীন প্ৰচেষ্টাৰ ফলশ্ৰুতিত খাগবিজান মহাবিদ্যালয়খনিয়ে নতুন ৰূপ লোৱাটো সম্ভৱ হৈ উঠিছে, সেইজন অধ্যক্ষ শ্ৰীযুত তগৰ'চন্দ্ৰ বৰাদেৱক অধ্যক্ষৰ কোঠাত এক ব্যস্ততাপূৰ্ণ মুহূৰ্তত দেখা পোৱা গৈছে।

# অধ্যক্ষৰ অভিব্যক্তি

ঐতিহ্যপূৰ্ণ এইখন নগাঁও চহৰ । এই চহৰ বৃটিছৰ শাসন কালৰে পৰাই অবিভক্ত নগাঁও জিলাৰ সদৰ ঠাই। কেইবাবছৰৰো আগতে প্ৰশাসনীক সুবিধাৰ কাৰণে এই জিলাক দ্বভাগ কৰি দুখন জিলা কৰা হয়। নতুন জিলাখনৰ **নামকৰণ** কৰা হয় কাৰবি আংলং জিলা। এই নগাঁও চহৰক একালত খাগৰিজান বুলি জনা যায়। এই **খাগৰিজানতে** বৃটিছে বৃহৎ জিলাখন পৰিচালনাৰ কাৰণে সদৰ ঠাই পাতিছিল । এই চহৰৰ পৰা প্ৰায় **পঁচিশ** কিলোমিটাৰমান দূৰত্বত অৱস্থিত ৰঙাগড়া নামে ঠাইলৈ সদৰঠাই স্থানান্তৰিত কৰি প্ৰশাসক সকলে জটিল সমস্যাৰ সম্মুখীন হৈ পুনৰ স্থায়ীভাৱে ইয়াতে সদৰঠাই পাতে । আমেৰিকান মিচনাৰীসকলেও খৃষ্টধৰ্ম প্ৰচাৰৰ অভিপ্ৰায়েৰে আহি নগাঁও চহৰৰ মাজমজিয়াত থিতাপি লয়হি। প্ৰথম অৱস্থাত স্থানীয় লোকক ধৰ্মান্তৰ কৰাটো বৰ সহজ সাধ্য নোহোৱাৰ কাৰণে অনাথ শিশু বিচাৰি আনি ভৰণ পোষণ দি তেওঁলোকক খৃষ্টধৰ্মত দিক্ষিত কৰে। এই অনাথ শিশুবোৰক শিক্ষা দান দিবৰ কাৰণে মিচনাৰী সকলে ইয়াত এখন বিদ্যালয় আৰম্ভ কৰে। সেই খনেই এতিয়া নগাঁও চহৰত থকা মিশ্যন স্কুল।

নগাঁও চহৰৰ জনসংখ্যা বাঢ়ি যোৱাৰ লগে লগে পৰিসৰো যথেষ্ট বাঢ়িল। প্ৰাথমিক পৰ্য্যায়ৰ পৰা মহাবিদ্যালয় পৰ্য্যায়লৈকে অনেক শিক্ষানুষ্ঠান প্ৰতিষ্ঠিত হৈছে। ১৯৪৪ চনতে প্ৰতিষ্ঠা হোৱা নগাঁও মহাবিদ্যালয়ত অসমীয়া, ৰাজনীতি বিজ্ঞান আৰু বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম কেইবছৰ মান আগৰে পৰাই আৰম্ভ কৰিছে। এই চহৰত হিন্দী, বঙালী আৰু ইংৰাজী মাধ্যমৰ কেবাখনো বিদ্যালয় আছে। কাৰিকৰী শিক্ষা প্ৰদানৰ কাৰণে এখন পলিটেকনিক আৰু এখন আই,টি,আই, প্ৰতিষ্ঠা হোৱাটোও সুখৰ বিষয়, ইয়াৰ বাহিৰেও এই চহৰত দুখন বি, এড্, মহাবিদ্যালয় আৰু এখন আইন মহাবিদ্যালয় আছে।

নগাঁও চহৰত প্ৰতিষ্ঠিত মহাবিদ্যালয় সমূহৰ ভিতৰৰে এখন হৈছে নগাঁও চহৰৰ ঐতিহ্য কঢ়িয়াই অনা খাগৰিজান মহাবিদ্যালয়। ১৯৭২ চনতে এই মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিছিল যদিও এতিয়াও চালুকীয়া অৱস্থাত আছে বুলি ক'ব লাগিব, সকলোবিলাক বিষয়ত এতিয়াও পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা নাই। তদুপৰি অসমীয়া, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু বুৰঞ্জী বিষয়ত হে বিশেষ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ৰাইজৰ দান বৰঙণীৰে প্ৰতিষ্ঠিত এই মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলে বহু বছৰ ধৰি অশেষ ত্যাগ স্বীকাৰ কৰি মহাবিদ্যালয়খনি গঢ়ি তোলাত যথেষ্ঠ সহায়ৰ হাত আগবঢ়াই আহিছে। এই সুযোগতে **অধ্যক্ষ** হিচাপে আমি তেখেত সকললৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

এখন মহাবিদ্যালয়ৰ কাৰণে এটা **সুপৰিকল্পিত** গ্ৰন্থাগাৰ আৰু এখন আলোচনীৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য।

এটা গ্ৰন্থাগাৰ থাকিলেও আৰ্থিক **অনাটনৰ** বাবেই মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি মূল্যৱান গ্ৰন্থ, আলোচনী আৰু বাতৰি কাকতেৰে সমৃদ্ধ কৰি গঢ়ি তুলিব পৰা নাই। ছাত্ৰ - ছাত্ৰীৰ পৰা গ্ৰন্থাগাৰৰ কাৰণে পোৱা **বছৰেকীয়া** মাচুল ইয়াৰ কাৰণে যথেষ্ঠ নহয়। গ্ৰন্থাগাৰৰ কাৰণে চৰকাৰৰ পৰাও নিয়মিতভাৱে অনুদান পোৱা নাযায়। ছাত্ৰ - ছাত্ৰী সকলৰ অধ্যয়নৰ অভ্যাস গঢ়ি তোলাৰ লগতে জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰাটো আমাৰ কৰ্ত্তব্য। কেৱল পাঠ্যপুথিৰ ওপৰত নিৰ্ভৰ কৰি ছাত্ৰ - ছাত্ৰীয়ে ভৱিষ্যত জীৱন কেতিয়াও গঢ় দিব নোৱাৰে। এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো অনুষ্ঠানটোৰ প্ৰাণকেন্দ্ৰ ৰূপে গঢ়ি তুলিব পাৰিলেহে ছাত্ৰ - ছাত্ৰী আৰু প্ৰবক্তা সকলৰো জ্ঞানৰ ভাণ্ডাৰ সমৃদ্ধ হ'ব। তদুপৰি এটা গ্ৰন্থাগাৰ আৱশ্যণীৰে পৰাই সুপৰিকল্পিতভাৱে বৈজ্ঞানিক পদ্ধতিৰে সজাই পৰাই ল'ব নোৱাৰিলে গঠন সামগ্ৰীসমূহ উপযুক্তভাৱে ব্যৱহাৰ নহয়। গতিকে গ্ৰন্থাগাৰটি নিয়াৰিকৈ পৰিচালনাৰ কাৰণে পুথিভঁড়াল বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী গ্ৰন্থাগাৰিকৰ প্ৰয়োজন।

সৃষ্টিৰ প্ৰতিভা কম বেচি পৰিমাণে সকলোৰে গাত সুপ্ত অৱস্থাত থাকে। প্ৰতিভা বিকাশৰ কাৰণে আমি ছাত্ৰ - ছাত্ৰীসকলক প্ৰেৰণা যোগাব লাগিব আৰু প্ৰকাশৰো ব্যৱস্থা কৰিব লাগিব। কাৰণ ন-লেখাৰু সকলে ছপা আখৰত নিজৰ সৃষ্টিৰ প্ৰকাশ হোৱা দেখিলে বিমল আনন্দ লাভ কৰাই নহয় সৃষ্টিৰ ধাৰা অব্যাহত ৰাখিবলৈ প্ৰয়াস কৰে।

গতিকে বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্য্যায়ত ছাত্ৰ - ছাত্ৰী সকলক সেই সুবিধা প্ৰদান কৰাটো কৰ্ত্তৃপক্ষৰ কৰ্ত্তব্য। প্ৰতিষ্ঠিত লোকসকলৰ কাৰণে আত্ম প্ৰকাশৰ অনেক **সুবিধা** আছে। কিন্তু ছাত্ৰ - ছাত্ৰী সকলৰ কাৰণে সেই পথ **সীমিত**। সেই কাৰণে বিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ **মুখপত্ৰ** হিচাপে একোখন আলোচনীৰ প্ৰয়োজন। অপৈনত হাতৰ **সৃষ্টি হ'লেও** ছাত্ৰ - ছাত্ৰীসকলৰ কবিতা , গল্প, প্ৰৱন্ধ আদি আলোচনীত প্ৰকাশৰ ব্যৱস্থা কৰি প্ৰেৰণা যোগোৱা উচিত। তদুপৰি প্ৰৱক্তাসকলেও তত্বগধুৰ লিখনীৰে ছাত্ৰ - ছাত্ৰীসকলক উপকৃত কৰিব পাৰে ।

আমি মুখপত্ৰ হিচাপে আজিকোপতিঁ এখনো আলোচনী প্ৰকাশ কৰিব পৰা নাই। এইয়া আমাৰ **প্ৰথম** প্ৰয়াস। আৰ্থিক অনাটনৰ মাজেদিয়েই এই প্ৰচেষ্টা হাতত লোৱা হৈছে। ছপা আকাৰত আলোচনীখন ছাত্ৰ - ছাত্ৰীসকলৰ হাতত তুলি দিব পাৰিলে আমাৰ **সমূহীয়া** প্ৰচেষ্টা সফল **হ'ব**। এই প্ৰচেষ্টাত সহাৰি জনাই সহায় সহযোগিতা আগবঢ়োৱা সকলোলৈকে আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

নগাঁও
১/১২/৯৫

**তগৰ চন্দ্ৰ বৰা**
অধ্যক্ষ
খাগৰিজান মহাবিদ্যালয়



# বিদেশত এভূমুকি



ৰাণীৰ বাসভৱন বাকিংহাম পেলেচ

তগৰ চন্দ্ৰ বৰা , অধ্যক্ষ,
খাগৰিজান মহাবিদ্যালয়

১৯৮৫ চন, ২৮ মে', শুক্ৰবাৰ , পুৱা ১০ বজা। মস্কো বিমান বন্দৰত অৱতৰণ **কৰিলোঁ**। ইংলণ্ডলৈ যোৱাৰ পথত জীৱনত প্ৰথমবাৰ ভৰি দিলো বিদেশৰ মাটিত। বিশ্বৰ সৰ্ববৃহৎ সমাজবাদী ৰাষ্ট্ৰ ছোভিয়েট ৰাচিয়াৰ ৰাজধানী মস্কো মহানগৰিত এটা ৰাতি কটোৱাৰ সৌভাগ্য । ইংলণ্ডত প্ৰায় তিনি মাহ থাকি ঘূৰি আহিলো অসমলৈ। ইংলণ্ডৰ পৰা ঘূৰি অহাৰ পাছত বিদেশ ভ্ৰমণৰ অভিজ্ঞতা সম্বন্ধে ক'বলৈ কলেজৰ ছাত্ৰ-ছাত্ৰী, সহকৰ্ম্মী, শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু বন্ধু বান্ধৱে মোক কৈছিল আৰু যাক যেনেকৈ পাৰো চমুকৈ কৈছিলো।

ইংলণ্ডলৈ যোৱাৰ এটা হেপাহ বহুত আগৰে পৰাই অন্তৰত পুহি ৰাখিছিলো। কিন্তু সুযোগ পোৱা নাছিলো। ১৯৮৫ চনত সেই সুযোগে ধৰা দিলে। **উৰাজাহাজৰ** টিকেট আৰু পাৰ পত্ৰ যোগাৰ কৰা **হ'ল** মোৰ আৰু পৰিবাৰৰ কাৰণে । আমাৰ টিকেট এৰফ্লটত (চোভিয়েট এয়াৰওৱেজ ) আছিল। সপ্তাহত কলিকতাৰ পৰা এবাৰ যায়। বম্বে আৰু মস্কোত অৱতৰণ কৰি লণ্ডন পায়গৈ। ২৩/০৫/৮৫ তাৰিখে আমাৰ ফ্লাইট । কেইদিনমান আগতে গৈ কলিকতাৰ বৃটিছ হাইকমিচনাৰ **অফিচাৰৰপৰা** ভিচা যোগাৰ কৰিলো। কলিকতা বিমান বন্দৰত সকলোখিনি আৱশ্যকীয় কাম কাজ শেষ কৰি ২৩/০৫/৮৫ তাৰিখে **সন্ধ্যা** ৬.৩০ মিনিটত প্লেনত উঠিলো। ৭ বজাত যাত্ৰা আৰম্ভ হ'ল । যাত্ৰী ২০০ জন ; অসমৰ মই, পৰিবাৰ আৰু যোৰহাটৰ এগৰাকী ভদ্ৰ মহিলা। তেখেতৰ পুতেকে **ইংলণ্ডত** চাকৰি কৰে ডাক্তৰ। বম্বেত ২ ঘন্টা ৰোৱাৰ পাছত ৰাতি ১১ বজাত আকৌ উৰাজাহাজে উৰা মাৰিলে মস্কো অভিমুখে ২৪/০৫/৮৫ তাৰিখে ৰাতিপুৱা লেনিনগ্ৰেড পালো। মস্কো বিমান বন্দৰ ঘণ কুঁৱলীৰে ঢাক খাই থকাৰ কাৰণে বিমানখন তাত অৱতৰণ কৰিব নোৱাৰিলে। তাত এঘন্টা ৰোৱাৰ পাছত বিমানখন মস্কো অভিমুখে উৰা মাৰিলে। পুৱা ১০ বজাত মস্কো পালো। ( আমাৰ সময়তকৈ মস্কোৰ সময় দেৰ ঘন্টা পিচ পৰা )। মস্কো বিমান বন্দৰত কৰ্ত্তব্যৰত সকলো কৰ্মচাৰীয়েই ইংৰাজী জানে। কথা অৱশ্যে কম কয়, কৰ্মচাৰীৰ শতকৰা ৯০ ভাগেই মহিলা, দেখিবলৈ বেচ ধুনীয়া, ওখ আৰু স্বাস্থ্যৱতী। ৰাতিটো সকলো যাত্ৰীকে তেওঁলোকৰ খৰচতে এখন পঞ্চতাৰকা হোটেলত ৰাখিলে। সেই সুযোগতে মস্কো মহানগৰীখন চোৱাৰ সৌভাগ্য ঘটিল। ২৫ মে' তাৰিখে ৰাতিপুৱা ৮.১০ মিনিটত বিমান বন্দৰত লণ্ডনলৈ যোৱা উৰাজাহাজত পুনৰ যাত্ৰা আৰম্ভ কৰিলো। মস্কোৰ পৰা লণ্ডনলৈ ৩.৪৫ মিনিট লাগে, লণ্ডনৰ সময় মস্কোতকৈ তিনি ঘন্টা পিচ পৰা। গতিকে লণ্ডন সময়মতে ৰাতিপুৱা ৯ বজাত হিথ্ৰু বিমান

বন্দৰত অৱতৰণ কৰিলো। আগতে পঢ়িছিলো, "Heathrow is a place which never sleeps"। নিজ চকুৰে দেখা পোৱাৰ সৌভাগ্য ঘটিল আন্তৰ্জাতিক বিমান বন্দৰ, উৰাজাহাজ আহিছে গৈছে, শ শ যাত্ৰী, এক ব্যস্ততাপূৰ্ণ বিমান বন্দৰ। কৰ্তব্যৰত কৰ্মচাৰীৰ কৰ্তব্যনিষ্ঠা আৰু অমায়িক ব্যৱহাৰত মুগ্ধ হৈ গৈছিলো। ক'তো অকনো অসুবিধাৰ সন্মুখীন হোৱা নাই। প্ৰয়োজনীয় স্থানত সংকেত চিহ্নৰ লাইট অনুসৰণ কৰি গৈ থাকিলে নিৰ্দিষ্ট ঠাইত উপস্থিত হ'বগৈ পাৰি । মোৰ পৰিয়ালৰ দাদাকে ইংলণ্ডত চাকৰি কৰে ডাক্তৰ । তেখেতৰ তাতে থাকি আমি ইংলণ্ড চোৱাৰ আঁচনি। তেখেত লণ্ডনৰ পৰা ২৩৫ মাইল দূৰ হডাৰ্চফিল্ডত থাকে, তেখেতে আমাক নিবলৈ বিমান বন্দৰত ৰৈ আছিল আৰু তেখেতৰ গাড়ীতে আমি হাডাৰ্চফিল্ডলৈ গ'লো।

মে', জুন, জুলাই আৰু আগষ্ট মাহত ইংলণ্ড বিদেশী ভ্ৰমণকাৰীৰে ভৰি পৰে। তাত মানুহে ৰ'দ বিছাৰি হাবাথুৰি খাই ফুৰে, গ্ৰীষ্ম কালত মানুহৰ অপাৰ আনন্দ। নেদেখিলে এইবোৰ হৃদয়ঙ্গম কৰিব নোৱাৰি। এই সময়ছোৱাত প্ৰাকৃতিক সৌন্দৰ্য্য বৰ মনোৰম। চাৰিওফালে সেউজীয়া গছ-লতা, যি ফালেই চকু যায় সেই ফালেই জকমকাই থকা বিভিন্ন ৰঙৰ ফুল দেখিবলৈ পোৱা যায়, পাতল সেউজীয়া ঘাঁহবোৰ মেচিন দি সমান কৈ কাটি ৰখা দেখিলে সেউজীয়া কাৰপেট পাৰি থোৱা যেন লাগে। সপ্তাহৰ শেষৰ দিন দুটাক উইক এন্ড বুলি কোৱা হয়। সপ্তাহটোৰ পাঁচ দিনৰ অত্যন্ত ব্যস্ততাৰ অন্তত এই দুটা দিনত মানুহ সাগৰৰ পাৰ , হ্ৰদৰ পাৰ, পাৰ্ক আৰু আনন্দ মেলাৰ কাৰণে থকা ঠাইবোৰ ভৰি পৰে। আটলান্টিক মহাসাগৰৰ পাৰৰ লিভাৰ পুল আৰু ব্লেকপুল আৰু উত্তৰ সাগৰৰ পাৰৰ এবাৰদিনলৈ কেইবাদিনো সাগৰৰ দৃশ্য উপভোগ কৰিবৰ কাৰণে গৈছিলো।

ইংলণ্ডৰ মানুহৰ আচাৰ-ব্যৱহাৰ বৰ ভদ্ৰ। ক'তো কোনো'ও কাকো ডাঙৰকৈ কথা কোৱা শুনা নাছিলো। বাচৰ কাৰণে, বজাৰত, আনন্দ মেলাত, সকলো মানুহ শৃঙ্খলাবদ্ধ ভাৱে শাৰী পাতি থাকে, কোনেও কাৰো ফালে নাচায়।

ইংলণ্ডত এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ যানবাহনৰ কোনো অসুবিধা নাই। বেল, চৰকাৰী বাচ, বেচৰকাৰী বাচ আদিৰ ভাল সুবিধা আছে। সকলো বিলাক যানবাহনেই নিৰ্দিষ্ট সময়ত আস্থান এৰি নিৰ্দিষ্ট সময়ত গন্তব্যস্থান পায়গৈ।

অসমৰ পৰা যোৱাৰ আগতে খোৱা বোৱাত অসুবিধাৰ সন্মুখীন হ'ম বুলি এটা ভয় ভাৱ পোষণ কৰিছিলো। মানসিকভাৱে প্ৰস্তুত হৈ গৈছিলো পশ্চিমীয়া আহাৰ খাবৰ কাৰণেই। মোৰ বিশ্বাস আছিল পৰিবেশৰ লগত নিজকে খাপ খুৱাই ল'ব পাৰিম। আমাৰ আহাৰ সম্বন্ধে প্ৰথম অভিজ্ঞতা হৈছিল মস্কোত! মস্কোত ৰাতিৰ আহাৰৰ লগত খোৱা পানী দিয়া নাছিল। মই পানী এগিলাছ বিছাৰিছিলো, পানী নাই বুলি কৈ মোক জগ এটাত এক জগ আংগুৰৰ ৰস দিছিল। ইংলণ্ডতো এনেকুৱা হ'ব পাৰে বুলি ভয় খাইছিলো। কিন্তু ইংলণ্ড পোৱাৰ পাছত সকলো ধাৰণা সলনি হৈ গ'ল। পশ্চিমীয়া আহাৰ মাজে মাজে খাইছিলো যদিও প্ৰায়েই অসমৰ আহাৰেই খাইছিলো। ইংলণ্ডত সকলো সময়তে সকলোবোৰ বস্তু পোৱা যায়। বজাৰত বস্তুবোৰ দেখি আচৰিত হৈছিলো। কেঁচা বস্তু সকলোবোৰেই সতেজ, সকলোবোৰ বস্তুৰে গুণ নিয়ন্ত্ৰণ আৰু দাম নিয়ন্ত্ৰণ লক্ষণীয়। খাদ্য সামগ্ৰীবোৰৰ ওপৰত দাম আৰু ওজন লিখা থাকে। কোনো বস্তুৰে দৰ দাম কৰিব নেলাগে। কোনো বস্তুতে আমাৰ দেশৰ নিচিনা কৈ 'বিশুদ্ধ' লিখা নেথাকে। বজাৰত আমাৰ অসমীয়া আহাৰৰ সকলোবোৰ উপকৰণেই পোৱা যায়। কচু, ধনীয়া পাত, কেঁচা জলকীয়া, ভেণ্ডি, বিলাহী, বৰ বেঙেনা, কাঠ আলু, চজিনা, ৰঙালাও, পটল, পানীলাও, আদা, নহৰু, বন্ধাকবি, ফুলকবি, গাজৰ, তিয়ঁহ, পকা কঁঠাল, পালেং শাক, চাউল, মচুৰ দাইল, আটা, ময়দা, বুটৰ দাইল, সকলোপ্ৰকাৰৰ -- মচলা, জালুক, জিৰা, পাঁচ ফুৰণ, তেজপাত, শুকান জলকীয়া, জলকীয়া গুড়ী, পান, চুন-সুপাৰী, আমাৰ দেশৰ মিঠাই -- বুন্দিয়া, ভুজীয়া, দালমুট, ৰসগোল্লা, জেলেপী, ৰসমলাই, চিংৰা, চিৰা, মুৰি, দৈ আদি খাদ্যসামগ্ৰীবোৰ বজাৰত পাইছিলো। অৱশ্যে এইবোৰ ভাৰতীয় আৰু পাকিস্থানী দোকানবোৰতহে পোৱা যায়। তাত মাছ, মাংস, কণী, গাখীৰ, মাখন আদিৰ কোনো অভাৱ নাই। চুপাৰ মাৰ্কেটত একেখন দোকানত সকলোবোৰ



বস্তু পোৱা যায়। গ্ৰাহকে ট্ৰলিত প্ৰয়োজনীয় বস্তুবোৰ ভৰাই লয়। কেচ কাউণ্টাৰত থকা কেচিয়াৰ জনৰ ওচৰত ট্ৰলিখন লৈ থিয় হোৱাৰ লগে লগেই তেওঁ কম্পিউটাৰত দামটো উলিয়াই দিয়ে আৰু গ্ৰাহকে দামটো দি ট্ৰলিখন লৈ আহি নিজৰ গাড়ীত বস্তুবোৰ ভৰাই লয়।

ইংলণ্ডত থকা কালছোৱাত লণ্ডন, অক্সফোৰ্ড, বাৰ্মিংহাম, লেইষ্টাৰ, নটিংহাম, শ্বেফিল্ড, লিভাৰ প'ল, মানচেষ্টাৰ, বাৰ্ণচলি, ওৱেকফিল্ড, লীড্‌চ, ব্ৰেডফৰ্ড, ব্লেকপ'ল, ইয়ৰ্ক, হে'ৰগেট, নিউকাচোল, কাৰলিউক, গ্লাচগো, ষ্টাৰলিং, ডানুন, গ্ৰী'নক, এডিমুৰ আৰু এবাৰডিন আদি বিখ্যাত চহৰবোৰলৈ গৈছিলো। ইয়াৰ উপৰিও কেইবাখনো বিশ্ববিদ্যালয়, ৰাণীৰ বাসভৱন বাকিংহাম পেলেচ, বিশ্ববিখ্যাত ইংৰাজ কবি ৱৰ্ডছওৱৰ্থৰ গ্ৰাচ মেয়াৰত থকা ঘৰটো 'ডভ কটেজ', বৃটিছ প্ৰধান মন্ত্ৰীৰ চৰকাৰী বাসভৱন, ১০ নং ডাউনিং ষ্ট্ৰীট, বিশ্ববিখ্যাত ইংৰাজ নাট্যকাৰ চেক্সপীয়েৰৰ বাসভৱণ ষ্ট্ৰেটফৰ্ড-আপন-এভ'ন, স্কটলেণ্ডৰ এডিমুৰত থকা চেয়াৰলিফ্‌ট্, টেমচ নদীৰ দক্ষিণ পাৰত থকা পাৰ্লিয়ামেণ্ট হাউচ, ২য় মহাযুদ্ধৰ নায়িকা বুলি জনাজাত বেলফাষ্ট যুদ্ধ জাহাজখন , ওৱেষ্ট মিনিষ্টাৰ এবে, কুইন ভিক্টোৰিয়া মেমোৰিয়েল, পোষ্ট অফিচ টাৱাৰ ট্ৰাফালগাৰ স্কোৱেৰ, বৃটিছ মিউজিয়াম, ওৱাক্স ওৱৰ্কচ, টাৱাৰ অৱ লণ্ডন, টেমচ নদীৰ সুৰঙ্গ, চেন্ট পলচ্ কেথেড্ৰেল, বাৰবিকান চেণ্টাৰ, আৰু লণ্ডন মহানগৰীৰ পাতাল ৰেল, এই সকলোবোৰৰ বিষয়ে তথ্য সংগ্ৰহ কৰিছিলো যদিও মই মাত্ৰ চেক্সপীয়েৰৰ বাসভৱন, ৱৰ্ডছওৱৰ্থৰ বাসভৱন আৰু টেমচ নদীৰ সুৰঙ্গৰ বিষয়েহে এই ভ্ৰমণ কাহিনীত এটি আভাস ডাঙি ধৰিবলৈ প্ৰয়াস কৰিছো।

বিশ্ববিখ্যাত ইংৰাজ নাট্যকাৰ চেক্সপীয়েৰৰ বাসভৱন হৈছে ষ্ট্ৰেটফৰ্ড-আপন-এভানত। তালৈ আমি গৈছিলো ৫ জুন তাৰিখে, শ শ পৰ্য্যটকৰ ভিৰ। প্ৰবেশৰ কাৰণে টিকেট সংগ্ৰহ কৰি পৰ্য্যটকৰ লগতে শাৰী পাতিলো। বিশ্ববিখ্যাত নাট্যকাৰ গৰাকীৰ ঘৰটোৰ ভিতৰলৈ গৈ দেখিলো ঘৰটো দুমহলীয়া কাঠৰ ঘৰ। আমি সকলোৱেই আচৰিত হৈ গৈছিলো যে ইমান পুৰণি ঘৰ এটা এতিয়াও কোনো ক্ষয় ক্ষতি নোহোৱাকৈ সংৰক্ষণ কৰা হৈছে। ঘৰটোত এতিয়াও চেক্সপীয়েৰে ব্যৱহাৰ কৰা চকী, মেজ,



'ডভ কটেজ'



চেক্সপীয়েৰৰ বাসভৱন

বিচনা, চোফা, বাচন বৰ্তন সকলোবোৰ আগৰ ঠাইত ৰখা হৈছে। তাৰ কাষতে থকা মিউজিয়ামটোত তেখেতৰ লিখনিসমূহ, তেখেতে ব্যৱহাৰ কৰা কাপ-প্লেট, চামোচ, ডিচ, গিলাচ. কোট, পেন্ট, জোতা, মোজা, সকলোবোৰ আছে। তাৰ কাষতে আছে ৰয়েল চেক্সপীয়েৰ থিয়েটাৰ আৰু তাৰ লগতে আছে মিউজিয়ামটো – তাত আছে চেক্সপীয়েৰৰ বিভিন্ন নাটকসমূহত ব্যৱহাৰ কৰা সাজ পোচাকবোৰ। তাৰ কিছু দূৰত আছে হলি ট্ৰিনিটি চাৰ্চ। চাৰ্চটোৰ ভিতৰলৈ সোমাই আচৰিত হৈছিলো ইয়াৰ স্থাপত্যবিদ্যাৰ নিদৰ্শন দেখি। এই চাৰ্চতে বিশ্ববিখ্যাত নাট্যকাৰ চেক্সপীয়েৰৰ বিবাহ সম্পন্ন কৰা হৈছিল আৰু একেটা চাৰ্চতে তেখেত আৰু তেখেতৰ পৰিয়ালৰ ব্যক্তিসকলক কবৰ দিয়া হৈছিল। মজিয়াখন মোজেইক কৰা আৰু প্ৰতিটো কবৰৰ ওপৰত মৃতকৰ নাম লিখা আছে। চেক্সপীয়েৰে মৃত্যুৰ আগতে তলৰ কথাখিনি লিখি থৈ গৈছিল যাতে মৃত্যুৰ পাছত তেখেতক কোনেও আমনি নকৰে। গতিকে চাৰ্চৰ বেদীৰ ওপৰত থকা এই নাট্যকাৰ জনৰ কবৰটোৰ চাৰিও ফালে ৰঙা ৰেখা টানি ৰখা হৈছে যাতে কোনেও কবৰটোৰ ওপৰত ভৰি নিদিয়ে। কবৰটোৰ ওপৰত তলৰ কথাখিনি আকৰ্ষণীয় কৰি ডাঙৰ কৈ লিখা আছে।

" GOOD FREND FOR IESVS SAKE
FORBEARE,
TO DIGG HE DVST ENCLOASED HEARE.
BLESE BE YE MAN
YT SPARES THES STONES
AND CVRST BE
YT MOVES MY BONES."

এই কথাখিনি সম্পৰ্কে ভ্ৰমণকাৰীৰ সুবিধাৰ কাৰণে গাইড বুকত এনে ধৰণে লিখা আছে । " Now stand at the Hihg Alter rail and see the graves of William Shakespeare and some of family read the immortal lines he rather wrote mischievously, wrote to ensure his grave would remain undisturbed. "

স্কটলেণ্ড। লেক ডিচ্ট্ৰিক্ট । হ্ৰদেৰে ভৰা কাৰণেই লেক ডিচ্ট্ৰিক্ট বুলি বিখ্যাত । হ্ৰদৰ পাৰে পাৰে ৰাস্তা। ৰাস্তাৰ গাতে লাগি আছে গছ গছনিৰে ভৰা সেউজীয়া পাহাৰ। ভাহি উঠিছিল চিলঙলৈ যোৱা ৰাস্তাটোৰ ছবিখন। এই লেক ডিচ্ট্ৰিক্টৰ গ্লাচ মেয়াৰতে জন্ম লাভ কৰিছিল বিশ্ববিখ্যাত ইংৰাজ কবি ৱৰ্ডছওৱৰ্থে ।

২৭ জুন । পুৱা হাৰ্ডাৰ্চ ফিল্ডৰ পৰা যাত্ৰা আৰম্ভ কৰিলো লেক্ ডিচ্ট্ৰিক্টলৈ এই কবি গৰাকীৰ বাসভৱন চোৱাৰ এক গভীৰ হেপাহ অন্তৰতলৈ । ১২ বজাত বাসভৱনৰ ওচৰ পালো । আঁতৰৰ পৰাই চকুত পৰিল কবি গৰাকীৰ ঘৰটোৰ নাম ফলকখন - "ড'ভ কটেজ"। চৰকাৰৰ তত্বাৱধানত ঘৰটোৰ মৌলিকতা ৰক্ষা কৰা হৈছে। দুই মহলীয়া কাঠৰ এটা সৰু ঘৰ । তলত চাৰিটা আৰু ওপৰত চাৰিটা মুঠ আঠটা কোঠা । ঘৰটোত কবি গৰাকীয়ে ব্যৱহাৰ কৰা চকি, মেজ, বিচনা, চৌকা, বাচন-বৰ্তন সকলোবোৰ আগৰ দৰেই আছে । তাৰ পিছ ফালে এখন বাগান। ফুল আৰু বিভিন্ন ধৰণৰ গছেৰে ভৰা । থকা ঘৰটোৰ লগতেই মিউজিয়ামটো । তাৰ ভিতৰত আছে ৱৰ্ডছওৱৰ্থে লিখা বিভিন্ন গ্ৰন্থ সমূহ । কবি গৰাকীয়ে ব্যৱহাৰ কৰা কোট-পেন্ট, জোতা-মোজা, কাপ-প্লেট, ডিচ, গিলাচ সকলোবোৰ পৰিপাটিকৈ সজাই ৰখা হৈছে। তাৰ পৰা কিছু দূৰত আছে 'গ্ৰেভ ইয়াৰ্ড' । তাত ৱৰ্ডছওৱৰ্থৰ পৰিয়ালৰ মৃত ব্যক্তিসকলক শাৰী শাৰীকৈ কবৰ দিয়া আছে আৰু প্ৰতিটো কবৰৰ ওপৰত মৃতকৰ নামবোৰ লিখা আছে।

টেমচ নদীৰ সুৰঙ্গ -- পৃথিবীৰ সাতটা আচৰিত



বস্তুৰ ভিতৰত টেমচ নদীৰ সুৰঙ্গ এটা বুলি প্ৰাথমিক স্কুলত থাকোতেই মুখস্থ কৰিছিলোঁ। ইংলণ্ড ভ্ৰমণৰ আঁচনি প্ৰস্তুত কৰোতেই টেমচ নদীৰ সুৰঙ্গ চোৱাটোও অৰ্ন্তভূক্ত কৰি লৈছিলো। ৩১ জুলাই, পুৱা ১০ বজা। কাৰ পাৰ্কিঙত গাড়ী ৰাখি টেমচ নদীৰ সুৰঙ্গৰ ভিতৰত প্ৰবেশ কৰিলো। পৃথিবীৰ ভিতৰত আটাইতকৈ পুৰণি নদী সুৰঙ্গ।

১৯২০ চনত এক লাখ সাতাইচ হাজাৰ পাউণ্ড খৰচ কৰি নিৰ্মাণ কৰা হৈছিল। গ্ৰীণউইচৰ ফালে সুৰঙ্গটো মাটিৰ পৰা ৬৬ ফুট আৰু আনটো পাৰত ৬০ ফুট তলত। সুৰঙ্গটো ১২১৭ ফুট দীঘল । সুৰঙ্গৰ ভিতৰলৈ যাবলৈ লিফটেৰে উঠা নমা কৰিব লাগে। আমি লিফটেৰে নামিগৈ সুৰঙ্গৰ মাজেৰে খোজকাঢ়ি আনটো মুৰ পালোগৈ। সুৰঙ্গৰ মাজেৰে যান বাহন যাব নোৱাৰে, যাত্ৰী খোজকাঢ়ি যাব লাগে। সুৰঙ্গৰ ভিতৰত থাকিলে কল্পনাই কৰিব নোৱাৰি যে ওপৰেদি বৃহৎ টেমচ নদীখন বৈ আছে আৰু জাহাজবোৰ অহা যোৱা কৰি আছে।

'সাত সাগৰ , তেৰ নদীৰ সিপাৰৰ ইংলণ্ড। বিজ্ঞানৰ কল্পনাতীত অগ্ৰগতিয়ে সমগ্ৰ বিশ্বকে সৰু কৰি পেলাইছে। আগদিনা লণ্ডনৰ পৰা আহি পিছদিনা অসম পোৱাৰ বিজ্ঞানৰ অৱদান। ইংলণ্ডত প্ৰায় তিনিমাহ থাকি বিভিন্ন ঠাইৰ বহুতো তথ্য সংগ্ৰহ কৰিলো, মানুহৰ ৰুচি, সমাজ



— বিশ্ববিখ্যাত ইংৰাজ নাট্যকাৰ চেক্সপীয়েৰ—

ব্যৱস্থা, শিক্ষা পদ্ধতি, পশ্চিমীয়া ভাৱ ধাৱাৰ লগত নিজকে পৰিচিত কৰিবৰ কাৰণে সুযোগ পালো। সেই সময় চোৱাত ৰাতি বিভিন্ন মহানগৰি , নগৰ-চহৰ কানট্ৰি চাইড আদি ভ্ৰমণ কৰোতে ক'তো এটা বাল্বো অচল হৈ থকা চকুত নপৰিল। মনত পৰিছিল আমাৰ ঠাইৰ কথা সঘনে বিদ্যুৎ প্ৰবাহ বন্ধ হৈ অন্ধকাৰত ডুব গৈ থকা অসমৰ কথা। ক'তো ৰাস্তাৰ দাঁতিত এখনো গাড়ী অচল হৈ পৰি থকা দেখা নেপালো, ক'তো তালাচি চলাবৰ কাৰণে পুলিচে ৰাস্তাত গাড়ী ৰখোৱাৰ ব্যৱস্থা নাই, মনত পৰিছিল হয়বৰগাঁও,ধৰমতুল, নেলী, জাগীৰোড, ক্ষেত্ৰী, শ্ৰীৰামপুৰত ট্ৰাক ড্ৰাইভাৰক গাড়ী ৰখাই তালাচি চলোৱাৰ কথা । গেচ, পানীৰ নিয়মিত যোগান — কোনো দিনেই সৰবৰাহত বিজুতি ঘটা নাই। চকুৰ আগত ভাহি উঠিছিল ৰাতিয়েই গৈ গেচ চিলিণ্ডাৰৰ কাৰণে জয়শ্ৰী চিনেমা হলৰ মুখত দীঘলীয়া শাৰী পাতি ঘন্টাৰ পাছত ঘন্টা ৰৈ থকা অসহায় গ্ৰাহক সকলৰ দৃশ্য। প্ৰায় তিনিমাহ থাকোতে কোনো দিনেই টেলিফোন বিকলাৱস্থাত আছে বুলি অভিযোগ কৰা নেদেখিলো, ফোন বোলে বেয়া নহয়েই। ক'তো কোনো বস্তুৰ দৰদাম নাই, ক'তো কোনো বস্তু বিশুদ্ধ নেকি সোধাৰ প্ৰয়োজন নথকা ব্যৱস্থা দেখি সঘনে মনত পৰিছিল আমাৰ দেশলৈ। এঠাইৰ পৰা আন ঠাইলৈ গ'লে নিৰ্দিষ্ট সময়ত গন্তব্যস্থান পাবগৈ পাৰে। ক'ৰবাত বনুৱাই ৰাস্তাত কাম কৰাৰ কাৰণে গাড়ীৰ গতি হ্ৰাস কৰিবলগীয়া হ'ব পাৰে। তাতো লিখা থাকে, "Sorry for Delay"। মনত পৰিছিল অসমৰ কথা। বিপৰীত ফালৰ পৰা 'গণ্য মান্য বিশেষ ব্যক্তি' অহাৰ কাৰণে ধৰমতুলত ৪৫ মিনিট গুৱাহাটীৰ ফালৰ পৰা অহা প্ৰায় পঞ্চাছখন গাড়ী পুলিচে ৰখাই থোৱাৰ কথা। সমাজত যেন যাত্ৰীসকলৰ কোনো মূল্য নাই। নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট স্থান পোৱাৰ যেন কোনো প্ৰয়োজন নাই। যেন সময়ক সঠিকভাৱে কামত নলগোৱা কিছুমান নিষ্কৰ্মা ব্যক্তি। ইংলণ্ড আৰু স্কটলেণ্ডৰ বিভিন্ন অভিজ্ঞতালৈ ন আগষ্টত ঘৰলৈ উভতিবলৈ হিথ্ৰু বিমান বন্দৰত উৰাজাহাজত উঠিলো। আৰু মস্কোহৈ আহি দহ আগষ্টত স্বদেশ পালোহি। দিন বাগৰি মাহ হৈছে, মাহ বাগৰি বছৰ হৈছে ; কিন্তু বিদেশৰ সেই দিনবোৰ এতিয়াও চকুৰ আগত ভাহি আছে আৰু চিৰদিনেই ভাহি থাকিব। □□□

# অৰ্থনৈতিক উন্নয়নত সম্পদৰ ভূমিকা

শ্ৰীকমল চন্দ্ৰ গোস্বামী, অধ্যক্ষ,
গোপীনাথ দেব গোস্বামী বাণিজ্য মহাবিদ্যালয়

ইংৰাজী ভাষাত "ৰিচৰ্চ" (Resource) শব্দটোৰ আভিধানিক অৰ্থ হ'ল — অৰ্থ সংগ্ৰহৰ উপায় বা আহিলা আৰু "ৱেল্থ্" (Wealth) শব্দটোৰ অৰ্থ সমৃদ্ধি বা সম্পত্তি। কিন্তু সাধাৰণতে "ৰিচৰ্চ" ৰ অৰ্থ সম্পদ বুলি আৰু "ৱেল্থ্"ৰ অৰ্থও সম্পদ বুলিহে প্ৰচলিত । সেয়ে দুয়োটা পদৰ ব্যৱহাৰিক অৰ্থৰ কেইটিমান মৌলিক প্ৰভেদলৈ প্ৰসংগ ক্ৰমে আঙুলিয়াইহে সম্পদৰ সামগ্ৰিক ভূমিকাৰ বিষয়ে আলোচনাটি দাঙি ধৰা হৈছে।

সাধাৰণতে 'ৰিচৰ্চ' বা সম্পদৰ অৰ্থ ব্যাপক। ব্যাপক অৰ্থত এই সম্পদক দুই প্ৰকাৰে বুজাব পাৰি ঃ প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদ।

যি দ্ৰব্য বা বস্তুৱে কোনো লক্ষ্য সাধন কৰিবৰ বাবে উপায় নাইবা উপাদান স্বৰূপে কাৰ্য্য সম্পাদন কৰিব পাৰে, তাকে সম্পদ বুলি কোৱা হয়। অৰ্থাৎ যি দ্ৰব্যই ব্যক্তি বিশেষ নাইবা সামাজিক প্ৰয়োজন পূৰণ কৰাত সহায়ক হয়, তাকে সম্পদ বুলি ধৰা হয়। যিহেতু সম্পদৰ দ্বাৰা প্ৰয়োজন পূৰণ বা সাধন হয় । সেয়ে ইয়াৰ দুটা বৈশিষ্ট্য তথা গুণ (attribute) থাকিব লাগিব। ১) উপযোগিতা (Utility) আৰু ২) উপকাৰিতা (Usefulness)। উদাহৰণ স্বৰূপে পানী, ভূমি, বায়ু, সূৰ্য্যৰ ৰশ্মি, উদ্ভিদ, কয়লা, যন্ত্ৰ-পাতি আদি মানৱ জীৱনৰ লাগতিয়াল দ্ৰব্য। এই আটাইবোৰকে আমি মানৱ জীৱনৰ প্ৰয়োজনীয় সম্পদ বুলি অভিহিত কৰোহঁক। সেয়ে সম্পদ আৰু মানৱ জীৱনৰ মাজত নিবিড় সম্পৰ্ক বিদ্যমান। সম্পদ স্বাভাৱিকতে ক্ৰিয়াশীল (Functional) । এই ক্ৰিয়াশীল গুণৰ বাবেই সম্পদে আমাৰ প্ৰয়োজন পূৰণ কৰিব পাৰে; যেনে ঃ- এটুকুৰা কয়লাক সম্পদৰ আখ্যা দিয়া হয়, তাৰ আকাৰ বা ৰঙৰ বা গঠনৰ বাবে, নহয়। ইয়াৰ দ্বাৰা এটা নিৰ্দ্দিষ্ট প্ৰয়োজন পূৰণ হোৱাৰ কাৰণেহে ইয়াক সম্পদ বুলি কোৱা হয়। এজন আদিম মানৱৰ মানত ভূগৰ্ভত থকা মূল্যবান খনিজ পদাৰ্থ সমূহৰ কোনো মূল্যবোধ নহৈছিল; কাৰণ তেওঁ ইয়াৰ ব্যৱহাৰকে নেজানিছিল । এই দ্ৰব্যবোৰে তেওঁক কোনোপ্ৰকাৰে প্ৰভাৱান্বিত কৰাও নাছিল। তেওঁৰ মানত এইবোৰ সম্পদ স্বৰূপে গণ্য নহৈছিল। কিন্তু আজিৰ মানৱ জাতিয়ে এই সম্পদবোৰ উদঘাটন আৰু ব্যৱহাৰ কৰি। চমকপ্ৰদ উপকাৰ লাভ কৰিছে। এইবোৰে তেওঁক উপকাৰ সাধন কৰি নিৰ্দিষ্ট প্ৰয়োজন পূৰণ কৰিছে। সেই অৰ্থতে তেওঁৰ কাৰণে এই দ্ৰব্যবোৰ উৎকৃষ্ট সম্পদ স্বৰূপে পৰিগণিত হৈছে।

অৱশ্যে সম্পদৰ ক্ৰিয়াশীল গুণৰ বিষয়েও কিছু আলোচনাৰ আৱশ্যক। উদাহৰণ স্বৰূপে, ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰায় তিনিহেজাৰ নিযুত টন উৎকৃষ্ট বিধৰ আকৰিক



লো আছে বুলি জনাজাত। আজিলৈকে ইয়াৰে বছৰেকত মাত্ৰ পাঁচ নিযুতটন উদঘাটন তথা আহৰণ কৰা হৈছে। বহুত পৰিমাণৰ লো আকৰ এতিয়াও উদঘাটন নাইবা আহৰণ কৰা হোৱা নাই । যদি এইখিনি উদঘাটন, আহৰণ আৰু ব্যৱহাৰযোগ্য অৱস্থাত আছে, তেনেহলে ভাৰতৰ আকৰিক লোৰ মজুত পৰিমাণ পাঁচ নিযুত টন বুলি ধৰিব নোৱাৰি; মুঠ মজুত পৰিমাণ তিনি হাজাৰ নিযুত টন বুলি ধৰাটোহে সমীচীন হ'ব। কিন্তু যদি কাৰিকৰী কলা - কৌশলৰ অভাৱত নাইবা আন কোনো ৰাজনৈতিক বা সামাজিক কাৰণত কিছু সংখ্যক আকৰৰ উদঘাটন তথা আহৰণ নোহোৱাকৈ থাকে ; তেতিয়া হ'লে, সেই আকৰিক লো খিনিক নিৰপেক্ষ বা নিষ্ক্ৰিয় সম্পদ ৰূপে ধৰা হ'ব; প্ৰকৃত সম্পদ ৰূপে ধৰা নহয়। মুঠ কথা হ'ল — সম্পদৰ ক্ৰিয়াশীল গুণ থকাৰ উপৰিও বাস্তৱ ক্ষেত্ৰত সেই গুণৰ ব্যৱহাৰ হ'ব লাগিব।

আনহাতেদি স্থান আৰু কাল ভেদে সম্পদৰ ক্ৰিয়াশীল গুণটো পৃথক হ'ব পাৰে। ধৰি লওঁ , আজিৰ পৰা ৩৫ বছৰৰ আগতে দক্ষিণ বিহাৰত দামোদৰ নদীখন অঞ্চলটোৰ এটা অভিশাপ স্বৰূপ আছিল, কিন্তু পৰিবৰ্তিত সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাত পৰিকল্পনাৰ যোগেদি নদীখন নিয়ন্ত্ৰন কৰি জলবিদ্যুৎ, জলসিঞ্চন, নৌপৰিবহন, আদি বহুতো সুবিধা লাভ কৰিব পৰা হৈছে। আজি এই নদীখন অভিশাপ নহৈ অঞ্চলটোৰ আশীৰ্বাদ স্বৰূপ হৈ পৰিছে।

স্থান বিশেষে কোনো এটা দ্ৰব্য বা বস্তু এঠাইত সম্পদ ৰূপে আৰু আন এঠাইত নিষ্ক্ৰিয় দ্ৰব্য ৰূপে গণ্য কৰা হয়। পাঞ্জাবৰ সিন্ধু নদীৰ উপনৈ শতদ্ৰু - বিপাশাৰ জলবিদ্যুৎ শক্তিতকৈ অসমৰ সোৱণশিৰী-বগানদীৰ জলবিদ্যুৎ শক্তিৰ সম্ভাব্য পৰিমাণ এশ গুণৰো অধিক। শতদ্ৰু-বিপাশাৰ উৎস স্থানত ভাক্ৰা-নাংগল আঁচনীৰ দ্বাৰা জলবিদ্যুৎ, জনসিঞ্চনৰ সুব্যৱস্থাই পাঞ্জাব, হাৰিয়ানা , ৰাজস্থানকে সামৰি এটা বৃহৎ অঞ্চলৰ কৃষি -শিল্পৰ প্ৰভূত উন্নতি ঘটাইছে। আনহাতেদি অসমৰ বহুতো সম্পদশীল খৰস্ৰোতা নদীৰ জলৰাশিয়ে অপচয় আৰু অপায়-অমংগল ঘটাই আছে । অৰ্থাৎ এই জলৰাশি অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বাবে আজিও সম্পূৰ্ণ নিষ্ক্ৰিয় সম্পদেই হৈ আছে।

ওপৰৰ উদাহৰণৰ পৰা এই কথা স্পষ্ট যে এক নিৰ্দিষ্ট কলা বা স্থান সাপেক্ষে কোনো এটা বস্তু বা দ্ৰব্যৰ ক্ৰিয়াশীল গুণটোকে সম্পদ আখ্যা দিয়া হয়। মুঠতে সম্পদ সদায়েই দুটা গুণ বিশিষ্ট ঃ ১) উপযোগীতা (Utility) আৰু ২) ক্ৰিয়াশীলতা (Functionability)। এনে সম্পদেহে মানৱ জীৱনৰ ব্যক্তি বিশেষ তথা সমাজৰ প্ৰয়োজন সমূহ স্থান আৰু কালভেদে পূৰণ কৰিব পাৰে।

এই খিনিতে সম্পদৰ বৈশিষ্ট্য সমূহৰ লগত অৰ্থনীতিৰ সম্পদৰ (Wealth) বৈশিষ্ট্য সমূহ ৰিজাই চাব পাৰি। অৰ্থনীতি বিজ্ঞানৰ মতে যি বস্তু বা দ্ৰব্য কোনো মূল্যৰ বিনিময়ত (Value-in-exchange) আহৰণ কৰিব পাৰি তাকে সম্পদ (Wealth) বোলা হয়। এই দ্ৰব্য বা বস্তুটো পাৰ্থিব (Material) হ'ব লাগিব। ইয়াৰ মূল বৈশিষ্ট্যকেইটা হ'ল ঃ - ১) উপযোগীতা (Utility) ২) যোগানৰ সীমাবদ্ধতা (limited in supply) ; ৩) হস্তান্তৰ যোগ্যতা (Tranferability) আৰু ৪) বাহ্যিকতা (Externality) । এই অৰ্থত ভূমি, ভৱন, যন্ত্ৰপাতি, বন্ধকী স্বত্ব, কোম্পানীৰ অংশপত্ৰ আদি এই আটাইবোৰেই এনে সম্পদ। কিন্তু সূৰ্য্যৰ ৰশ্মি, বালি, বায়ু, জলৰাশি আদি এই গণ্ডীত ধৰা সম্পদ নহয়। কাৰণ ইহঁতৰ যোগান মুক্ত, সীমিত নহয়। সেইদৰে শিক্ষা, সামাজিক অনুষ্ঠান , সুদক্ষ প্ৰশাসন, জ্ঞান আদিকো 'সম্পদ' বুলি ধৰা নহয়; কাৰণ ইহঁত হস্তান্তৰযোগ্য নহয়।

অৰ্থনীতি বিজ্ঞানৰ অন্যতম পুৰোধ্য জে,এম, কিন্চৰ ভাষাত ক'বলৈ গ'লে "মানুহৰ প্ৰয়োজন পূৰণ কৰিব পৰা উৎপাদিকা শক্তি সম্পন্ন বিনিময় যোগ্যদ্ৰব্য সমূহকেই 'সম্পদ' বুলিব পাৰি। ব্যৱহাৰ কৰিব পৰা উপকাৰ বিশিষ্ট দ্ৰব্যকে "সম্পদ" বুলি কোৱা হয়। সেই সম্পদৰ লগত মানৱজীৱনৰ ওতপ্ৰোত সম্পৰ্ক । উদাহৰণ স্বৰূপে এজন নিৰক্ষৰ ব্যক্তিৰ বাবে কালিদাস বা স্বেক্সপীয়েৰৰ গ্ৰন্থৰাজি "সম্পদ" নহয়। সেই দিশত অৱশ্যে দুয়ো বিধ সম্পদৰে ক্ৰিয়াশীল গুণ থাকিব লাগিব।

আগতে উল্লেখ কৰা হৈছে যে "সম্পদৰ" ক্ষেত্ৰখন বৰ ব্যাপক। সকলো পাৰ্থিৱ আৰু অপাৰ্থিৱ দ্ৰব্যই

হ'ল সম্পদ, যদিহে ইহঁতে মানৱজীৱনৰ প্ৰয়োজন পূৰণ কৰিব পাৰে। সম্পদৰ বিশিষ্ট গুণ দুটা হ'ল ঃ- ১) উপযোগীতা আৰু ২) ক্ৰিয়াশীলতা। ভূমি, ভৱন, যন্ত্ৰপাতি, বন্ধকী স্বত্ব, কোম্পানীৰ অংশপত্ৰৰ লগতে সূৰ্য্যৰ ৰশ্মি, বালি, বতাহ, নদী, জলৰাশি, স্বাস্থ্যকৰ জলবায়ু , শিক্ষা , কল্যানমূলক সামাজিক অনুষ্ঠান, সুদক্ষ প্ৰশাসন, জনস্বাস্থ্য; জ্ঞান, বিশুদ্ধ জাতীয় চৰিত্ৰ, কলা-সংস্কৃতি আদিকো সম্পদ বুলি গণ্য কৰা হয়। কাৰণ এই আতাইবোৰেই গুণবিশিষ্ঠ সম্পদ। ইহঁতৰ উপযোগীতা আৰু ক্ৰিয়াশীলতা গুণৰ দ্বাৰা মানৱ জীৱনৰ ব্যক্তিগত তথা সামাজিক প্ৰয়োজন পূৰণ কৰা হয়।

অৰ্থনীতিৰ 'সম্পদৰ' দৰে দ্ৰব্য যোগানৰ সীমাবদ্ধতা আৰু হস্তান্তৰ যোগ্যতা এই সম্পদৰ লাগতিয়াল গুণ নহয়। আনহাতে এই গুণদুটাৰ ওপৰতে অৰ্থনীতিবিদসকলে বেছি গুৰুত্ব আৰোপ কৰা দেখা যায়। কিন্তু আলোচ্য বিষয়ৰ সম্পদৰ ক্ষেত্ৰত এই দুটা গুণৰ গুৰুত্ব গৌণ বুলি ধৰা হয়। দ্ৰব্যৰ ব্যৱহাৰৰ পৰা উদ্ভৱ হ'ব পৰা উপকাৰিতাহে বেছি গুৰুত্বপূৰ্ণ। ইয়াৰ বিনিময় মূল্য থকা নথকাৰ কোনো প্ৰশ্ন নুঠে। মানৱ জীৱনৰ কল্যাণ বা হিতাৰ্থে যিকোনো উপকাৰ বিশিষ্ট দ্ৰব্যকে এনে "সম্পদ" বোলা হয়। কিন্তু অৰ্থনীতি 'সম্পদ' মানৱ জীৱনৰ বাবে বহুত ক্ষেত্ৰত কল্যাণকামী নহ'বওপাৰে; অনিষ্টকাৰীও হ'ব পাৰে। তেনে এটা 'সম্পদৰ' উদাহৰণ লোৱা যাওঁক ঃ অৰ্থনীতি শাস্ত্ৰত ৰাগীয়াল দ্ৰব্যই 'সম্পদৰ" স্থান দখল কৰি আছে। কিন্তু ই মানৱ জীৱনৰ কল্যাণকামী বস্তু নহয়। অবশ্যে বৰ্তমানৰ পৰিবৰ্তিত ব্যৱস্থাত আজিৰ অৰ্থনীতিক "সম্পদৰ বিজ্ঞান" (Economics of Wealth) স্বৰূপে গ্ৰহণ কৰা হোৱা নাই। ই বৰ্তমান কল্যাণকামী বিজ্ঞানলৈ (Economics of Welfare) পৰিবৰ্তিত হৈছে । আজিৰ যুগত এনে সম্পদ আৰু অৰ্থনীতিত সম্পদৰ মাজত অৰ্থগত প্ৰভেদ নোহোৱা হৈ গৈছে। সেয়ে সাধাৰণ অৰ্থত সম্পদ পাৰ্থিব নাইবা অপাৰ্থিবও হ'ব পাৰে। যেনে ঃ- কয়লা , লো , তাম আদি পাৰ্থিব সম্পদেও বিশেষ ভূমিকা পালন কৰে সচাঁ, কিন্তু সু-স্বাস্থ্য, সামাজিক সম্প্ৰীতি, কল্যাণসূচক নীতি - নিয়ম , জ্ঞান-বিজ্ঞান, যথাৰ্থ স্বাধীনতা, সু-গঠিত জাতীয় চৰিত্ৰ আদিও সম্পদেই।

উক্ত সম্পদৰ আন এটা লক্ষণীয় দিশ হ'ল পোহৰ আৰু আন্ধাৰ, লাভ আৰু লোকচান, সম্পত্তি আৰু দায়দেনাৰ দৰে সম্পদৰো আপদ নথকা নহয়। য'তে সম্পদ আছে ততে আপদ বিদ্যমান। সম্পদৰ বিপৰীত মুখী এই আপদক আমাৰ আলোচনাত প্ৰতিবন্ধক ৰূপে আখ্যা দিয়া হৈছে। প্ৰকৃতিয়ে আমাক এনে কিছুমান দ্ৰব্য দি থৈছে; যিবোৰে সম্পদৰূপে আমাৰ উপকাৰ সাধন কৰি আছে। যেনে - ভূমিৰ পৰা কৃষি শষ্য, কয়লাৰ পৰা শক্তি আহৰণ, বৃষ্টিপাতৰ পৰা কৃষি শিল্প ইত্যাদি। ঠিক তেনেকৈয়ে প্ৰকৃতিয়ে আমাৰ আগত কিছুমান প্ৰতিবন্ধকতাৰো সৃষ্টি কৰিছে। শুকান অসাৰুৱা ভূমি ভাগৰ মৃতিকা , ধুমুহা বতাহ, বানপানী আদি তেনেবোৰ প্ৰতিবন্ধকতাৰ উদাহৰণ।

মানৱ সম্পদৰ ক্ষেত্ৰতো তেনে সম্পদ আৰু প্ৰতিবন্ধকতা দেখিবলৈ পোৱা যায়। শিক্ষা প্ৰশিক্ষণ , সু স্বাস্থ্য, জাতীয় আৰু সামাজিক মনোবৃত্তি, সামাজিক নীতিবোধ উৎপাদনক্ষম জনসংখ্যা আদি মানৱ সম্পদৰ শ্ৰেণীভূক্ত। আনহাতেদি অজ্ঞতা, লোভ-লিপ্সা, অকৰ্মন্য জনসংখ্যা, জাতি - গোষ্ঠীবিৰোধী, শ্ৰেণী-সংঘাট, যুঁজ বাগৰ আদিয়েই মানৱ সম্পদৰ দ্বাৰা সমৃদ্ধি লাভ কৰাৰ পথত প্ৰতিবন্ধক । ঠিক তেনেকৈয়ে ক'লা কৌশলৰ দিশত আহিলা পাতি, কলকজা, সুদক্ষ প্ৰশাসন, বাণিজ্য আৰু বিনিয়োগৰ সুবিধা, বৈজ্ঞানিক পৰিচালনা আদিক সম্পদ স্বৰূপে গণ্য কৰি অচল যন্ত্ৰপাতি, ৰক্ষণশীল মনোবৃত্তি ব্যক্তিনিষ্ঠ স্বাৰ্থপৰতা, বেপাৰ-বাণিজ্যৰ নিম্নগতি, দোষ যুক্ত নীতি-নিৰ্দ্ধাৰণ আদিয়ে অৰ্থনৈতিক তথা সামাজিক উন্নতিক প্ৰতিবন্ধক ৰূপে বাধাগ্ৰস্ত কৰে।

মন কৰিবলগীয়া কথা যে কোনো দেশৰ কোনে সমাজ ব্যৱস্থাতে প্ৰতিবন্ধক বিহীন সম্পদ পোৱা নেযায় সেয়ে মানৱ জীৱনৰ প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত, সম্পদৰ কাৰ্য্যকাৰিতাৰ লগতে প্ৰতিবন্ধকৰ কাৰ্য্যকাৰিতাও বিদ্যমান পূৰণৰ অৰ্থে এশ একক (Unit) সম্পদ মজুত আছে কিন্তু বিভিন্ন প্ৰকাৰৰ প্ৰতিবন্ধকতাৰ ফলত প্ৰয়োজন পূৰণ নাইবা জনকল্যাণৰ হকে ইয়াৰ মাত্ৰ পঞ্চাশ একক সম্পদহে ব্যৱহৃত হৈছে। পুনৰ ধৰি লওঁ- আজিৰ যুগৰ মানৱ জাতিৰ আন্তৰিক শক্তিৰ উদ্ভাৱন আৰু আহৰণ কৰাটো



এটা চমকপ্ৰদ সাফল্য বুলি কোৱা হয়। ইয়াৰ দ্বাৰা মানৱ জাতিৰ প্ৰভূত কল্যাণ সাধন হোৱাটো বাঞ্চনীয়। কিন্তু বৰ্তমান ইয়াৰ যথাযুক্ত ব্যৱহাৰৰ গতি অতি মন্থৰ। ইয়াৰ কাৰণ কি বুলি প্ৰশ্ন কৰিলে উত্তৰ হ'ব বিশ্বৰ শীতল যুদ্ধৰ পটভূমিত সৃষ্টি হোৱা ৰাজনৈতিক পৰিবেশ। সেয়ে ই এটা উত্তম বিধৰ সম্পদ নহৈ গোলকীয় (Global) ধ্বংশৰ প্ৰতিক স্বৰূপে দেখা দিছে। গতিকে আনবিক শক্তিৰ দ্বাৰা জনকল্যাণ সাধন হোৱাটো নিৰ্ভৰ কৰিছে ইয়াৰ সন্মিলিত ফলাফল তথা ইয়াৰ সম্পৰ্কিত প্ৰতিবন্ধকতাৰ ওপৰত।

প্ৰকৃতিৰ অৱদান নাইবা বাধাদানৰ ক্ষেত্ৰত মানৱজাতি ইয়াৰ প্ৰতিকূল নাইবা অনুকূল প্ৰভাৱত দাস হৈ পৰে। এনে অৱস্থা ঘটায় নিষ্ক্ৰিয় দ্ৰব্যসমূহে। এটা উদাহৰণ লওঁ — আদিম যুগত এটুকুৰা কয়লা সম্পদ নাইবা প্ৰতিবন্ধক স্বৰূপেও গণ্য হোৱা নাছিল। ই কেতিয়াও মানুহক কোনো প্ৰকাৰে আকৰ্ষণ কৰিব পৰা নাছিল। সাগৰৰ জোৱাৰ ভাট্টাৰ প্ৰভূত পৰিমাণৰ শক্তি নিষ্ক্ৰিয় দ্ৰব্য হৈ থকাটো তেওঁলোকৰ কাৰণে কোনো আচৰ্য্যৰ বিষয় নাছিল। আনকি চেনি কলৰ পৰা নিৰ্গত হোৱা গুৰৰ (Molasses) পৰা যে আন বহুতো উপদ্ৰব্য প্ৰস্তুত কৰিব পাৰি সেই তথ্যটো তেওঁলোকৰ কাৰণে সাঁথৰ হৈয়ে আছিল। হিমালয় পৰ্বতৰ পাদদেশত সৰল গছৰ অৰণ্যবোৰ এতিয়াও অব্যৱহৃত হৈয়ে আছে, ম'ৰ পৰা আমি উৎকৃষ্ট বিধৰ কোমল কাঠ, কাগজ মণ্ড (Paper pulp) ৰ বাবে ব্যৱহাৰ কৰিব পাৰি। এইদৰে দেখা যায় যে আমাৰ দেশৰ প্ৰায় সকলো বস্তুৱেই নিষ্ক্ৰিয় সম্পদ হৈ আছে।

সেয়ে পৃথিবীৰ সকলো পাৰ্থিব নাইবা অপাৰ্থিব দ্ৰব্যকে এই তিনিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি ঃ- সম্পদ, প্ৰতিবন্ধক আৰু নিষ্ক্ৰিয় সম্পদ। মানৱ জাতিৰ আদিম ইতিহাসত সম্পদতকৈ প্ৰতিবন্ধক আৰু নিষ্ক্ৰিয় সম্পদৰ সংখ্যা আৰু পৰিমাণ অধিক আছিল। মানৱজাতিৰ ক্ৰমবিকাশ তথা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ চমকপ্ৰদ কলা কৌশলৰ দ্বাৰা এই নিষ্ক্ৰিয় সম্পদৰাজি আৰু প্ৰতিবন্ধকবোৰ ক্ৰমে সম্পদলৈ ৰূপান্তৰিত হ'ব ধৰিছে। আৰু এনে পৰিবৰ্তন আৰু ৰূপান্তৰৰ দ্বাৰা মানৱ জাতিৰ আশানুৰূপ কল্যাণ সাধিত হৈছে। তাৰ বিপৰীতে অনগ্ৰসৰ দেশ নাইবা অঞ্চল সমূহত আজিও সম্পদতকৈ প্ৰতিবন্ধক আৰু নিষ্ক্ৰিয় সম্পদৰ সংখ্যা তথা পৰিমাণ অধিকতৰ। তেনে এখন দেশ ভাৰতবৰ্ষ আৰু অঞ্চল হ'ল উত্তৰ-পূৰ্ব ভাৰতৰ তথা অবিভক্ত অসম। যিহেতু সম্পদ আৰু প্ৰতিবন্ধকতাৰ আন্তঃক্ৰিয়াৰ (Interaction) ফলশ্ৰুতিয়েহে! মানৱ কল্যাণ সাধন কৰিব পাৰে, সেয়ে প্ৰকৃতি (Nature), মানৱ শক্তি আৰু মানৱ সৃষ্টি ক'লা সংস্কৃতিয়েহে সম্পদ সৃষ্টি আৰু বৃদ্ধি কৰিব পাৰে।

ভাৰত এখন সম্পদশালী দেশ স্বৰূপেই জনাজাত হ'লেও কৃষি শিল্প , উদ্যোগ , বেপাৰ -বানিজ্য আদি সকলো ক্ষেত্ৰতে ই আজিলৈকে উন্নয়নমুখী দেশ তথা তৃতীয় বিশ্বৰ মুখিয়াল সদস্যৰূপে গণ্য কৰা যায়, উৰ্বৰ কৃষি ভূমি উভৈনদী মূল্যবান খনিজ পদাৰ্থ, উদঘাটনমুখী বনজ সম্পদৰ সৱল আন্তঃগাঠনিৰ বুনিয়াদ থকা স্বত্বেও দেশ খনৰ জনসংখ্যা অনুপাতে উৎপাদিকা শক্তি আজিও নিম্ন স্তৰতে স্থিতিশীল হৈ থকাটো চিন্তনীয় বিষয়।

বিদেশী শাসনৰ পিছতো স্বাধীনোত্তৰ কালছোৱাত অৰ্থাৎ যোৱা প্ৰায় ৫০ বছৰত ভাৰতৰ আৰ্থিক উন্নতি কেতিয়াও আশানুৰূপ বুলি কব পৰা নাযায়। সম্পদ আহৰণৰ ক্ষেত্ৰত সামগ্ৰিক ভাবে কৃতকাৰ্য্যতা লাভ কৰিবলৈ হ'লে দেশখনৰ মানৱ সম্পদৰ উৎপাদিকা শক্তিৰ যথা-যুক্ত ব্যৱহাৰ আৰু বৃদ্ধি হোৱাটো একান্ত প্ৰয়োজন । তেতিয়াহে জনমুৰি আয় , জাতীয় আয় আৰু মুঠ জাতীয় উৎপাদিকা শক্তিও বৃদ্ধি পোৱাটো সম্ভৱ হ'ব। ভাৰতৰ এনে নিম্ন হাৰ-সূচক অৰ্থনৈতিক উন্নতিৰ কাৰণ কি বুলি প্ৰশ্ন কৰিলে আমি পোন প্ৰথমে জাপান দেশলৈ আঙুলিয়াব পাৰো ।

প্ৰায় সাতটা সৰু বৰ দ্বীপেৰে গঠিত জাপান দেশখনৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত প্ৰায় ৫০০০ জন। কৃষি উপযোগী ভূমি অতি সীমিত , দেশৰ উপৰিভাগ কাছ পিঠিয়া, মৌলিক খনিজ পদাৰ্থ, যেনে তেল, কয়লা, লোৰ আদিত দেশখন পৰনিৰ্ভৰশীল এনে এখন দেশে বিশেষকৈ দ্বিতীয় মহাযুদ্ধত বিধ্বস্ত হৈও , যোৱা ৫টা দশকত কৃষি-শিল্প-বাণিজ্য সকলো ক্ষেত্ৰতে চমক প্ৰদ উন্নতি সাধনতকৈও বিশ্ববাণিজ্যত অগ্ৰণী ভূমিকা লাভ কৰিবলৈ সক্ষম হোৱাটো এক উল্লেখযোগ্য তথা চমকপ্ৰদ ঘটনা বুলিব পাৰি। জাপানৰ এনে যাদুকৰী ভূমিকা আৰু বিকাশৰ সোপান কি? এই প্ৰশ্ন নিশ্চয় প্ৰনিধানযোগ্য।

এজন আমেৰীকান লেখকৰ ভাষাতে প্ৰকাশ কৰিবলৈ হ'লে জাপানৰ প্ৰধান সম্পদ হ'ল — মানৱ সম্পদ। এই মানৱ সম্পদৰ দুটা বিশিষ্ট গুণ হ'ল ১) চৰম জাতীয়তাবোধ তথা জাতীয় চৰিত্ৰ আৰু ২) কৰ্ম পটুতা। সেয়ে এই দেশে অসম্ভৱকো সম্ভৱ কৰিবলৈ সক্ষম হৈ বিশ্বৰ দৰবাৰত মুখ্য স্থান অধিকাৰ কৰিব পাৰিছে। জাপানৰ আৰ্হিতে কুৰি শতিকাৰ মধ্য ভাগৰ পৰা আজিলৈকে ছোভিয়েট ৰুছিয়া আৰু চীন দেশৰ অৰ্থনৈতিক উন্নয়ন এক জ্বলন্ত উদাহৰণ। আমি এতিয়া নিশ্চয় এই মন্তব্য প্ৰকাশ কৰিব পাৰো যে প্ৰভূত সম্পদ ৰাজিৰে সমৃদ্ধ হোৱা স্বত্বেও বিদেশী শাসনে কুলষিত কৰা তথাকথিত স্বাধীন ভাৰতবাসী জাতীয় চৰিত্ৰৰ স্মভাৱত আৰু কৰ্ম বিমুখতা গৰাহত পৰি আশানুৰূপ আৰ্থিক উন্নতিৰ পথত এক প্ৰচণ্ড প্ৰতিবন্ধক স্বৰূপ ক্ৰিয়া কৰিছে। ফলত মূলধন সম্পদ ৰাজি আজিও নিস্ক্ৰিয় দ্ৰবলৈ পৰিগণিত হৈছে।

ভাৰতৰ অংগৰাজ্য "অসম অৰ্থনৈতিক তথা কৃষি , শিল্প-উদ্যোগ, বেপাৰ-বাণিজ্যত অনগ্ৰসৰ" কথাষাৰ আপ্ত বাক্যত পৰিণত হৈছে। আনহাতেদি, "অসমৰ প্ৰাকৃতিক সম্পদ উৰ্ভেনদী" বাক্য আষাৰো এটা প্ৰবাদ বাক্য ৰূপে চলি আহিছে। চাহ আৰু মৰাপাটো ৰাজ্যখনৰ বাণিজ্যিক কৃষি, তেল আৰু কয়লা উদ্যোগৰ মূল খনিজ শিল্প, ইয়াৰ বাদে যি কেইটা মজলীয়া বিধৰ শিল্প উদ্যোগ বিশেষকৈ চৰকাৰী খণ্ডত গঢ়ি উঠিছে, সেয়ে মাত্ৰ শিল্প উন্নয়নৰ মূল মাপকাঠি বুলি কব নোৱাৰি ; ৰাজ্যখন খাদ্য-সামগ্ৰী উৎপাদনত পৰনিৰ্ভৰশীল। যি কেইটা কৃষিজাত আৰু সামাজিক শিল্প উদ্যোগ গঢ়ি উঠিছে, তাত খিলঞ্জীয়া সকলতকৈ পৰলোকৰ প্ৰাধান্য বেচি। দুই কোটি জনসংখ্যাৰ ৰাজ্য অসমৰ জনমুৰি আয় অতি নিম্নগামী। শতকৰা ৮০ ভাগ কৃষিজীৱিৰ কৃষি উৎপাদিকা শক্তি অতি শোচনীয়। কাৰিকৰী শিক্ষা সাধাৰণ শিক্ষাৰ নাইবা অন্যান্য বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ শিক্ষাৰ্থীৰ সংখ্যা উৎসাহজনক নহয়। সকলো শ্ৰেণীৰ শিক্ষিত চাম আত্মনিৰ্ভৰশীল তথা স্বনিৰ্ভৰশীল হোৱাতকৈ চাকৰিমুখী নাইবা সহজলভ্য ধন (easy money) অৰ্জন অম্বেষণত ব্যাকুল । ৰাজ্যখনত উদ্যোগ প্ৰৱণতা আৰু মূলধনৰ অভাৱৰ কাৰণে সামাজিক - অৰ্থনৈতিক উন্নতি বাধা গ্ৰস্ত হৈছে বুলি আমি সকলোৱে একেস্বৰে উচ্চাৰণ কৰোহঁক। কিন্তু আমি অৰ্থনীতিৰ ছাত্ৰ মাত্ৰেই জানো যে মূলধন বস্তুটো আকাশৰ পৰা বা দানী লোকে দান স্বৰূপে আগবঢ়োৱা হস্তু নহয়। উৎপাদিকা শক্তি প্ৰয়োগ কৰিহে মূলধন উৎপাদন কৰিব পাৰি। তাৰ বাৰে আমাৰ মানৱ সম্পদৰ সদ-ব্যৱহাৰ হ'ব লাগিব। সকলো শক্তি প্ৰয়োগ কৰি কাৰ্য্যক্ষম হ'লেহে সম্পদৰ এনে সদ-ব্যৱহাৰ সম্ভৱ হ'ব। কৰ্ম বিমুখতাৰ আশ্ৰয় লৈ উজু উপায়েৰে ধন অৰ্জন কৰি এক শ্ৰেণী লোকক ধৰাশায়ী কৰি নিজ স্বাৰ্থ চৰিতাৰ্থ কৰাত মগ্ন হ'লে' কাৰো পৰা দেশৰ তথা সমাজৰ কল্যাণ সাধন নহয় আৰু হ'ব লোৱাৰে। সেয়ে আমাৰ বৰ্তমান আৰু ভৱিষ্যতৰ পুৰুষসকলে যেন সৎ জাতীয় চৰিত্ৰ আহৰণ কৰি এখন সমৃদ্ধ সমাজ গঢ়ি দিবলৈ প্ৰয়াস কৰে এয়ে এই প্ৰৱন্ধটিৰ মূল উদ্দশ্য। অন্যথাই অদূৰ ভৱিষ্যতে আমি দেশতে থাকি বিদেশী হোৱাৰ সম্ভাৱনাই অতি বেচি। ০০০



# খাগৰিজান মহাবিদ্যালয় ঃ অতীত আৰু বৰ্তমান

**শ্ৰীঅৰুণ বিকাশ দত্ত,**
মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ

খাগৰিজান — নগাঁৱৰ পুৰণি নাম । প্ৰতিখন দেশ অথবা ঠাইৰ নামৰ লগত বহুতো কৌতুহল সংযোজিত হৈ থাকে। পৌৰাণিক কাহিনী, উপকাহিনী, কিম্বদন্তী, ঐতিহ্য আদি ঠাইৰ নামৰ মাজেদি চিৰস্মৰণীয় হৈ ৰয়। জাতীয় অম্বেষণকাৰী পণ্ডিতসকলে ঠাইৰ নামৰ উৎপত্তিৰ কেইবাটাও প্ৰধান কাৰণ নিৰ্দ্দেশ কৰিছে। তাৰ ভিতৰত ব্যক্তি বিশেষৰ নামানুসৰি, কাহিনী অথবা ঘটনা প্ৰসূত, লোক বিশ্বাস, জাতি আৰু ব্যৱসায়ৰ নামানুসৰি বিভিন্ন ঠাইৰ নামৰ সৃষ্টি হৈছে। কিন্তু প্ৰাকৃতিক আৰু ভৌগলিক বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠা নামৰ সংখ্যাই অধিক। বৃটিছ আগমনৰ পূৰ্ববৰ্তী কালছোৱাত নগাঁৱৰ আন এটি নাম "খাগৰিজান" বুৰঞ্জী প্ৰসিদ্ধ। "খাগৰি, শব্দটিৰ অৰ্থ হৈছে হাবিত আপুনি হোৱা কুহিয়াৰ জাতিয় এবিধ ওখ তৃণ। জান শব্দটিৰ অৰ্থ হৈছে বৈ যোৱা খাৱৈ বা কোনো খাল বা বিলৰ পৰা ওলাই অহা সৰু নৈ"। গতিকে খাগৰিজান শব্দটিয়ে বন জঙঘলেৰে ভৰা আৰু কাষেৰে বাগৰি যোৱা এখন সৰু নৈ নামৰ এটা অঞ্চলৰ নাম সূচনা কৰিছে। লোক প্ৰবাহ আৰু জন প্ৰব্ৰজনৰ কাৰণে সময়ে সময়ে পুৰণি নামৰ ওপৰত নুতন ৰহণ পৰে। বৃটিছৰ কালছোৱাত যেনেকৈ গুৱাহাটী নামটোৰ পৰিবৰ্তে গৌহাটী হৈছিল, ঠিক তেনেকৈ নগাঁও নামটোৰ পৰিবৰ্তে নওগঙ্গ হৈছিল। কালক্ৰমত - নওগঙ্গৰ পৰিবৰ্তে অধুনা নগাঁও হ'ল। কোনো এচাম শুভবুদ্ধি সম্পন্ন ব্যক্তিৰ অহোপুৰুষাৰ্থত নগাঁৱৰ প্ৰাচীন নাম "খাগৰিজান" শব্দটিৰ স্মৃতি ৰক্ষাৰ্থে নগাঁৱত নৱ প্ৰতিষ্ঠিত মহাবিদ্যালয়খনিৰ নাম খাগৰিজান ৰখা হয়। নগাঁও চহৰৰেই তিনিখন মহাবিদ্যালয় — নগাঁও মহাবিদ্যালয়, আনন্দ ৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আৰু নগাঁও ছোৱালী মহাবিদ্যালয় আছে যদিও বৰ্ধিত জনসংখ্যা আৰু ছাত্ৰ - ছাত্ৰীৰ নাম ভৰ্তিৰ কাৰণে হেঁচাৰ প্ৰতি লক্ষ্য ৰাখি নগাঁৱৰ অভিভাৱক, সমাজসেৱী আৰু শিক্ষাবিদসকলে উপলব্ধি কৰিলে যে নগাঁও চহৰত আৰু এখন ক'লা শাখাৰ মহাবিদ্যালয়ৰ প্ৰয়োজন আছে। এই প্ৰয়োজনীয়তাৰ গুৰুত্ব বুজি দুজন ব্যক্তিয়ে — শ্ৰীপদ্মনাথ বৰা আৰু শ্ৰীহৰেন্দ্ৰ নাথ দাধৰাই আগ ভাগলৈ ডচন হাইস্কুল প্ৰাঙ্গণত ২৪/০৭/৭১ তাৰিখে এখন ৰাজহুৱা সভা আহ্বান কৰে। ইয়াৰ পাচত সেই মাহৰ ৩০ তাৰিখে বহা ৰাজহুৱা সভাত সভাপতিত্ব কৰে স্বৰ্গীয় সোনাৰাম দাসে আৰু সেই সভাতে নগাঁও চহৰত চতুৰ্থখন ক'লা শাখাৰ মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লৈ সোনৰাম দাসক সভাপতি, মথুৰ চন্দ্ৰ ঠাকুৰীয়াক উপ-সভাপতি আৰু শ্ৰীপদ্মনাথ বৰা আৰু শ্ৰীহৰেন্দ্ৰ নাথ দাধৰাক যুটীয়া সম্পাদক লৈ এখন এঘাৰ জনীয়া তদন্ত কমিটি গঠন কৰা হয়। ইয়াৰ পিচত ১৯/০৯/৭১ তাৰিখে আব্দুল হাই ডাঙৰিয়াৰ সভাপতিত্বত শিয়ালমাৰিৰ প্ৰাথমিক বিদ্যালয়ত এখন

সাধাৰণ সভা বহে । সেই সভাতেই প্ৰস্তাৱিত মহাবিদ্যালয় খনিৰ নাম খাগৰিজান মহাবিদ্যালয় ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।১৯৭২ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে নগাঁৱৰ নুৰুদ্দিন এম ই মাদ্ৰাছা স্কুলত, খাগৰিজান মহাবিদ্যালয় আৰম্ভ কৰা হয় আৰু সেই চনতেই বৰ্ত্তমানৰ স্থানলৈ কেইটা মান অস্থায়ী কোঠা নিৰ্ম্মাণ কৰি মহাবিদ্যালয়খনি স্থানান্তৰীত কৰা হয়।

বৰ্ত্তমান যিখিনি ঠাইত এই মহাবিদ্যালয়খনি প্ৰতিস্থিত হৈছে সেই ঠাই ডোখৰ একালত মৰিশালী হিচাপে ব্যৱহাৰ কৰা হৈছিল । নগাঁৱৰ কেইবাজনো ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমৰ ফলত আৰু সেই সময়ৰ বিধায়ক শ্ৰীফণী বৰা দেৱৰ প্ৰচেষ্টাত শ্মশানখন এতিয়াৰ মধুপুৰ শ্মশানলৈ স্থানান্তৰ কৰি মাটি ডোখৰ খাগৰিজান মহাবিদ্যালয়ৰ নামত চৰকাৰে পট্টা দিয়ে । গতিকে মহাবিদ্যালয়খনি নগাঁও দক্ষিণপাট পথ আৰু কলঙৰ এৰা সুঁতিৰ মাজত অৱস্থিত । এই মহাবিদ্যালয়খনি স্থাপন কৰা হয় নগাঁৱৰ উপকণ্ঠ অঞ্চলত পৌৰসভাৰ এলেকাৰ বাহিৰত , অৱশ্যে এতিয়া পৌৰসভাৰ এলেকাৰ ভিতৰত অন্তৰ্ভূক্ত কৰা হৈছে ।

মানুহৰ জীৱনলৈ বিভিন্ন ঘাট-প্ৰতিঘাট অহাৰ দৰে নৱ প্ৰতিস্থিত মহাবিদ্যালয়খনিলৈকো বিভিন্ন ঘাট-প্ৰতিঘাট আহে । শিক্ষকৰ অভাৱ , আৰ্থিক সংকট, প্ৰাকৃতিক দুৰ্য্যোগ আৰু স্থানীয় মহাবিদ্যালয় কেইখনৰ অসহযোগী মনোভাৱেও মহাবিদ্যালয়খনিৰ অগ্ৰগতিক শামুকীয়া কৰে।

১৯৭৫ চনত খাগৰিজান মহাবিদ্যালয়খনিৰ নাম সলনি কৰি ‘প্ৰগতিৰ পথত মহাবিদ্যালয় নামেৰে ’ নামকৰণ কৰা হয়। ৰাইজৰ আপত্তিৰ প্ৰতি সহাঁৰি জনাই মহাবিদ্যালয়খনিৰ নাম সলনি কৰি পুনৰ খাগৰিজান মহাবিদ্যালয় ৰখা হয়। সেই সময়ত নগাঁৱৰ নেহেৰুবালিত প্ৰগতিৰ পথত নামেৰে এখন প্ৰদৰ্শনী পতা হৈছিল আৰু তাৰ পৰা ৰাহি হোৱা ধনৰ এটা অংশ খাগৰিজান মহাবিদ্যালয়লৈ অনুদান হিচাপে দিয়ে । এই অনুদানৰ বাবে বৰ্ত্তমান অসমৰ শিক্ষা মন্ত্ৰী শ্ৰীমুকুট শৰ্ম্মাদেৱ ধন্যবাদৰ পাত্ৰ, কিয়নো তেখেতৰ প্ৰচেষ্টাতে এই অনুদানটি পোৱা হৈছিল। সেই অনুদানেৰেই আৰ. চি. চি. ভৱনটো নিৰ্ম্মাণ কৰা হয়।

আৰম্ভণিৰ পৰা বৰ্তমানলৈকে যি কেইজন ব্যক্তিয়ে পৰিচালনা সমিতিৰ সভাপতিৰ গুৰু দায়িত্ব বহন কৰি মহাবিদ্যালয়খনিক উন্নতিৰ পথত আগুৱাই নিয়াত বৰঙণি যোগাইছে তেখেতসকল হৈছে , শ্ৰীফণী বৰা, ˚আব্দুল হাই, ˚চিৰাজউদ্দিন আহমেদ, শ্ৰীনৱ কুমাৰ চেতীয়া আৰু শ্ৰীকমল চন্দ্ৰ গোস্বামীদেৱ (এতিয়া পৰিচালনা সমিতিৰ সভাপতি) ।

মহাবিদ্যালয়খনিৰ প্ৰথম সম্পাদক আছিল শ্ৰীপদ্ম নাথ বৰা আৰু তেখেতৰ পিচত এই দায়িত্ব বহন কৰি আহিছে ক্ৰমে ˚নৰেণ বৰা, অধ্যাপক শ্ৰীঅৰুণ বিকাশ দত্ত আৰু বৰ্ত্তমান সম্পাদকৰ দায়িত্ব অধ্যক্ষই পালন কৰি আছে । কোষাধ্যক্ষৰ দায়িত্ব পালন কৰিছিল ক্ৰমে ˚নৰেণ বৰা আৰু মোঃ জোনাব আলি ডাঙৰীয়াই ।

খাগৰিজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সময়ত যিসকল শিক্ষকে অধ্যাপনা কৰি সেৱা আগবঢ়াইছিল তেখেত সকল হৈছে ইংৰাজীৰ শ্ৰীমতী ৰীতা বৰা, অসমীয়াৰ শ্ৰীপদ্ম নাথ বৰা, ৰাজনীতি বিজ্ঞানৰ মোঃ আব্দুল কাদিৰ, শিক্ষাৰ শ্ৰীঅমৃক সিং গান্ধী, ইতিহাসৰ শ্ৰীঅৰুণ বিকাশ দত্ত আৰু অৰ্থনীতিৰ শ্ৰীনৰাম বৰা আৰু শ্ৰীনৰেণ শইকীয়া ।

খাগৰিজান মহাবিদ্যালয়ৰ প্ৰথম ৩য় শ্ৰেণীৰ কৰ্ম্মচাৰী আছিল শ্ৰীনৰেণ চন্দ্ৰ বৰা আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী আছিল ˚খেম বাহাদুৰ ।

এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ পৰা কেইবাজনো শিক্ষকে অস্থায়ী ভাৱে অধ্যক্ষৰ গুৰু দায়িত্ব বহন কৰি চালুকীয়া অৱস্থাৰ পৰাই অনুষ্ঠানটিক উন্নতিৰ পথেৰে আগুৱাই নিয়াত অকুণ্ঠ বৰঙণি আগবঢ়াই আহিছে । তেখেতে সকল ক্ৰমান্বয়ে হৈছে শ্ৰীপদ্ম নাথ বৰা, ˚ৰমেশ ফুকন , ˚ৰাধিকা ৰঞ্জন চৌধুৰী, ˚ফণীন্দ্ৰ লাল দত্ত, শ্ৰীঅৰুণ বিকাশ দত্ত আৰু শ্ৰীমতী ৰেনু মহন্ত ৰাজখোৱা । ১৯৮৯ চনৰ ২৯ জুলাই তাৰিখে অসম ৰাজ্যিক বাচনি পৰিষদৰ দ্বাৰা বাচনি প্ৰাপ্ত নগাঁও মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীতগৰ চন্দ্ৰ বৰাদেৱে মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ হিচাপে যোগদান কৰে। আমি স্বীকাৰ কৰিবলাগিব যে অক্লান্ত পৰিশ্ৰমী, নিষ্ঠাবান, কৰ্ত্তব্যপৰায়ন শ্ৰীবৰা দেৱৰ অধ্যক্ষতাত মহাবিদ্যালয়খনিয়ে নতুন ৰূপ লৈছি। শিক্ষানুষ্ঠান এটিৰ মুৰব্বীয়ে অভিভাৱক, স্থানীয় সদাশয় ব্যক্তি, শিক্ষক - শিক্ষয়িত্ৰী, কৰ্ম্মচাৰী, সংশ্লিষ্ট কৰ্ত্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা সহায়-সহযোগ , পৰামৰ্শ, উপদেশ আদি আদায় কৰিব পৰাটো



ডাঙৰ গুণ আৰু এই গুণ আমি তেখেতৰ গাতদেখা পাই আহিছো । খাগৰিজান মহাবিদ্যালয়ৰ নিচিনা চালুকিয়া অনুষ্ঠান এটিক গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষাৰ কাৰণে এটা সংমণ্ডল ১৯৯৩ চনৰে পৰা একেৰাহে এতিয়ালৈকে দি থকাতো তেখেতৰেই কৃতিত্ব বুলি ক'ব লাগিব। এই মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰাৰ পাচতেই অধ্যক্ষ পৰিষদৰপৰা গুৱাহাটী বিশ্ববিদ্যালয় ক'ৰ্টলৈ তেখেত সদস্য নিৰ্বাচিত হোৱাটো আমাৰ সকলোৰে বাবে গৌৰৱৰ কথা ।

এই অনুষ্ঠানটি গঢ় লৈ উঠাত বিভিন্ন সময়ত বিভিন্ন সদাশয় ব্যক্তিয়ে সহায় আৰু সহযোগীতা আগবঢ়াই আহিছে । তেখেত সকলৰ নাম, খাগৰিজান মহাবিদ্যালয়ৰ ইতিহাসত সদায়েই জিলিকি থাকিব ।তেখেত সকল হৈছে ˚মথৰ চন্দ্ৰ ঠাকুৰীয়া, শ্ৰীঅমৰ কান্তি ৰায় চৌধুৰী, বজৰংলাল আগৰৱালা, শ্ৰীঅমৃক সিং গান্ধী, শ্ৰীঅৰুণ বিকাশ দত্ত, শ্ৰীসুনীল ৰঞ্জন দেৱনাথ, শ্ৰীপ্ৰভাত হাজৰীকা, ˚পূৰ্ণকান্ত শৰ্ম্মা, শ্ৰীহৰেশ্বৰ গোস্বামী, শ্ৰীদেবেন্দ্ৰ নাথ বৰা, ˚মোঃ ইদ্ৰিছ, শ্ৰীবিষ্ণু প্ৰসাদ, ˚লীলা কান্ত বৰা, ˚মহেশ চন্দ্ৰ দেৱগোস্বামী, ˚নুৰুল আমিন, ইনাম ৰব্বানী , শ্ৰীমুহীৰাম শইকীয়া, ˚আব্দুল আওৱাল, শ্ৰীসুৰেন্দ্ৰ সিং, শ্ৰীবিমলা শইকীয়া, ˚শ্ৰীধীৰেন্দ্ৰ নাথ দাস, শ্ৰীভদ্ৰেশ্বৰ ৰাজখোৱা, শ্ৰীচন্দ্ৰ কুমাৰ শইকীয়া আৰু ইমাম বক্স।

মহাবিদ্যালয়খনিয়ে ১৯৭৭-৭৮ চনত পি, ইউ affiliation পায় আৰু ১৯৮৩-৮৪ চনত বি. এ. affiliation পায় ১/২/৮৬ তাৰিখে মহাবিদ্যালয়খনি ঘাটি মঞ্জুৰীৰ অধীনলৈ আহে। ই অনস্বীকাৰ্য্য যে বয়সৰ জোখাৰে অনুষ্ঠানটি বাঢ়িব পৰা নাই , শিক্ষানুষ্ঠানটিৰ পুষ্টি হীন অৱস্থাক যে পুষ্টি কৰ কৰিবৰ কাৰণে বহুতো সদাশয় ব্যক্তিয়ে দান বৰঙণি আগবঢ়াই আহিছে তাক স্বীকাৰ কৰিবই লাগিব। এই সকলৰ ভিতৰত মই উল্লেখ কৰিব লাগিব ঢাকাইপট্টিৰ খ্যাতনামা ব্যৱসায়ী শ্ৰীৰাজু আগৰৱালাৰ নাম । তেখেতে তেখেতৰ মৃত পিতৃ শ্ৰীমদনলাল আগৰৱালাৰ নামত মহাবিদ্যালয়ৰ গেটটো নিৰ্ম্মান কৰি দিয়ে । মহাবিদ্যালয়ৰ অধ্যক্ষৰ কথা পালন কৰি তেখেতৰ মৰমৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী কামপুৰ নিৱাসী শ্ৰীপ্ৰফুল্ল ভড়ালী আৰু মতী মঞ্জু ভড়ালীয়ে কলেজৰ ছহিদ বেদীটো নিজা খৰচত (দহ হেজাৰ টকা) নিৰ্ম্মাণ কৰি দিয়ে । হয়বৰগাওঁৰ বিখ্যাত ব্যৱসায়ী শ্ৰীমহীকান্ত শইকীয়া দেৱে অধ্যক্ষৰ অনুৰোধ ৰক্ষা কৰি মহাবিদ্যালয়ৰ চাইকেল ষ্টেণ্ডটো নিৰ্মাণ কৰি দিয়ে । ইয়াৰ বাহিৰেও নগাঁও মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীবলীন শইকীয়া, হয়বৰগাওঁৰ শ্ৰীপৱন টোডি, শ্ৰীপ্ৰহ্লাদ টোডি, শ্ৰীবিজয় মংলোনিয়া, শ্ৰীউত্তম নাহাতা, শ্ৰীপুলিন শইকীয়া, শ্ৰীকমল চন্দ্ৰ শইকীয়া, ফৌজদাৰীপট্টীৰ শ্ৰীললিত চন্দ্ৰ দত্ত, ডবকাৰ ছফিকুৰ ৰহমান, শ্ৰীমতী ভানু গোস্বামী, শ্ৰীগনেশ বৰা, শ্ৰীবিভূ ভড়ালী, হয়বৰগাঁৱৰ শ্ৰীপাৰ্থ প্ৰতিম শইকীয়া আদি সদাশয় ব্যক্তিসকলে বিভিন্ন ধৰণে মহাবিদ্যালয় খনিক সহায় কৰি আহিছে। এই খিনিতে নগাঁৱৰ দুজন শিল্পীয়ে অনুষ্ঠানটিলৈ আগবঢ়োৱা অৱদানৰ কথা উল্লেখ নকৰিলে ভুল কৰা হ'ব। তেখেত সকল হৈছে শ্ৰীপ্ৰনৱ বৰুৱা আৰু শ্ৰীকিৰণ ৰয়। অধ্যক্ষ বৰাদেৱৰ অনুৰোধ ৰক্ষা কৰি শ্ৰীপ্ৰনৱ বৰা দেৱে কলেজৰ প্ৰতিকটি অংকণ কৰি দিয়ে আৰু সেই প্ৰতিক থকা পতাকা খন উত্তোলন কৰা হয় ১৯৮৯ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ অষ্টদশ প্ৰতিষ্ঠা দিৱসত। নগাঁৱৰ সুযোগ্য সন্তান খ্যাতনামা শিল্পী শ্ৰীকিৰণ ৰয় এসময়ত অধ্যক্ষ বৰাদেৱৰ নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। অধ্যক্ষৰ কথা মতেই শ্ৰীৰয়ে ছহিদ বেদীৰ নক্সা অংকন কৰি দিয়াৰ উপৰিও তেখেতে নিজেই নিৰ্ম্মাণ কাৰ্য্যৰ তত্বাৱধান কৰাৰ দায়িত্ব লৈ ছহিদ বেদীটো নিৰ্ম্মাণ কৰি উলিয়াই আৰু এই ছহিদ বেদী সন্মোচন কৰি দাতাদ্বয় শ্ৰীপ্ৰফুল্ল ভড়ালী আৰু শ্ৰীমতী মঞ্জু ভড়ালীয়ে ১৯৯০ চনৰ ২২ চেপ্টেম্বৰ তাৰিখে দিনৰ ১২ বজাত মহাবিদ্যালয়ৰ নৱাগত আদৰণি উৎসৱৰ আনন্দ মুখৰ পৰিবেশৰ মাজত।

ছয় নং কোঠাৰ নিৰ্ম্মান কাৰ্য্য আধৰুৱা হৈ ৰোৱাত অধ্যক্ষ বৰাদেৱ আৰু পৰিচালনা সমিতিৰ সভাপতি শ্ৰীকমল চন্দ্ৰ গোস্বামীদেৱে তেখেত সকলৰ প্ৰাক্তন ছাত্ৰ হয়বৰগাঁৱৰ (এতিয়া নাহৰকটীয়াৰ স্থায়ী বাসিন্দা) শ্ৰীচন্দ্ৰকান্ত গায়নক লগ ধৰি কোঠাটোৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি দিয়াৰ বিষয়ে কয় আৰু তেখেতে পচিশ হাজাৰ টকা দি পৰিচালনা সমিতিৰ দাতা সদস্য হয়। সেই টকাৰেই ছয় নং কোঠটোৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা হয়। শ্ৰীগায়ন দেৱৰ অৱদান আমি কোনো দিনেই পাহৰিব নোৱাৰিম।

কেই বছৰ মান আগলৈকে প্ৰতি বছৰেই বাৰিষা

বানপানী সোমাই মহাবিদ্যালয় চৌহদ পানীত ডুবাই ৰাখিছিল। বান পানীৰ কবলৰ পৰা অনুষ্ঠানটি ৰক্ষা কৰিবৰ কাৰণে সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ ওচৰত আবেদন নিবেদন কৰা হৈছিল । অসম গণ পৰিষদ চৰকাৰৰদিনত কলঙৰ কাষৰ মথাউৰীটো ওখ আৰু বহলকৈ বন্ধাই দি অনুষ্ঠানটিক বানপানীৰ গৰাহৰ পৰা ৰক্ষা কৰা হয়। ইয়াৰ বাবে সেই সময়ৰ অসমৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তদেৱৰ শলাগ লব লাগিব। নগাঁৱৰ বান নিয়ন্ত্ৰন বিভাগো এই কাৰ্য্যৰ বাবে শলাগৰ পাত্ৰ।

এই খিনিতে নগাঁৱৰ আন এজন সমাজসেৱীৰ কথা উল্লেখ নকৰিলে ভুল কৰা হব। তেখেত হৈছে বৰবজাৰৰ নামজ্বলা ব্যৱসায়ী ভাৰত চন্দ্ৰ দাস। তেখেতে প্ৰায় এহেজাৰখন মূল্যবান গ্ৰন্থ আলমাৰী সহ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ দান দি গ্ৰন্থাগাৰটিক চহকী কৰি থৈ গৈছে। মহাবিদ্যালয়খনিৰ চৌহদত যিবোৰ মূল্যবান গছ গছনিয়ে অনুষ্ঠানটিত আশ্ৰম সদৃশ পৰিবেশৰ সৃষ্টি কৰিছে তাৰ গুৰিতেই এজন ব্যক্তিৰ অবদানৰ কথা সোঁৱৰণ কৰিব লাগিব। তেখেত হৈছে মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা ওতঃপ্ৰোতভাবে জড়িত হৈ থকা পৰিচালনা সমিতিৰ সদস্য শ্ৰীযুত চন্দ্ৰ কুমাৰ শইকীয়া। তেখেতৰ প্ৰচেষ্টাতে নগাঁও বন সংমণ্ডল বিষয়াই মহাবিদ্যালয়ৰ চাৰিসীমাত মূল্যবান গছৰ পুলি ৰোৱাই ৰক্ষণাবেক্ষণৰ কাৰণে কাটা তাঁৰৰ ব্যৱস্থা কৰি দিয়ে।

নগাঁও জন-স্বাস্থ্য বিভাগে অধ্যক্ষৰ অনুৰোধ ৰক্ষা কৰি খৰটকীয়াকৈ অনুষ্ঠানটিত পানী যোগানৰ ব্যৱস্থা কৰি মহাবিদ্যালয়খনিৰ এক দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰি দিয়ে। এই খিনিতে আমি আন এটা সহায়ৰ কাৰণে নগাঁও পৌৰসভাৰ শলাগ ল'ব লাগিব। নগাঁও পৌৰ সভাই মহাবিদ্যালয়ৰ মূল গেটৰ ওচৰত ৰাস্তাত এটা চদিয়াম ভেপাৰ লাইট দি কলেজখনক সহায় কৰে ।

যোৱা বছৰ নগাঁও জিলা বিকেন্দ্ৰীভূত পৰিকল্পনা আচুতিয়া নিধিৰ পৰা শ্ৰেণী কোঠা নিৰ্ম্মাণৰ কাৰণে এক লাখ টকা আবণ্টন দিয়ে। উক্ত টকাৰে অধ্যক্ষৰ কোঠাৰ কাষতে এটা আৰ,চি,চি শ্ৰেণী কোঠা নিৰ্ম্মাণ কৰা হৈছে। সেই ধন আবণ্টন দিয়াৰ বাবে সেই সময়ৰ নগাঁও জিলাৰ উপায়ুক্ত শ্ৰীযুত জ্যোতি প্ৰসাদ শইকীয়া আৰু অসমৰ ৰাজহ মন্ত্ৰী তথা সদৰ সমষ্টিৰ বিধায়ক শ্ৰীযুত মুকুট শৰ্ম্মাৰ শলাগ ল'ব লাগিব।

১৯৭২ চনৰ ১২ চেপ্টেম্বৰ তাৰিখে মাত্ৰ ৭২ জন ছাত্ৰ-ছাত্ৰীক লৈ আৰম্ভ কৰা মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ঠ বৃদ্ধি পাইছে আৰু এতিয়া অসমীয়া, ৰাজনীতি বিজ্ঞান , ইতিহাস আৰু অৰ্থনীতিত বিশেষ পাঠ্যক্ৰম লৈ স্নাতক মহলাত পাঠ গ্ৰহণ কৰাৰো সুযোগ দিয়া হৈছে।

এয়েই হ'ল খাগৰিজান মহাবিদ্যালয়ৰ অতীত আৰু বৰ্ত্তমান, মহাবিদ্যালয়খনিৰ আৰম্ভণীৰে পৰা বৰ্ত্তমানলৈকে বহু ব্যক্তিৰ ত্যাগ, কষ্ট, সহায়-সহযোগ, উপদেশ পৰামৰ্শ আদিয়ে আমাক সদায় প্ৰেৰণা যোগাই আহিছে।

জয়তু খাগৰিজান মহাবিদ্যালয়।



# য়িন আৰু য়ং

ড° নৰেন কলিতা
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

চীনৰ পৰম্পৰাগত জীৱণ-পদ্ধতিত য়িন আৰু য়ং দুটা মূল তত্ত্ব। ঠিক আমাৰ পুৰুষ আৰু প্ৰকৃতিৰ দৰে দুয়ো পৰস্পৰ বিপৰীত হলেও পৰিপূৰক হিচাপেই তাৰ সাংস্কৃতিক জীৱনত দুয়োৰে অবিসম্বাদী ভূমিকা।

প্ৰথম শতিকা মানৰ ভিতৰত বৌদ্ধধৰ্মই চীনৰ মাটিত ভৰি দিয়াৰ আগত তাৰ সমাজত প্ৰায় দুহাজাৰ বছৰীয়া এক বিশাল সাংস্কৃতিক পৰম্পৰা আছিল। সোণালী চৌ-যুগত চীনা-দৰ্শনৰ দুটা পৰিপূৰক দিশ আছিল আৰু সিয়ে চীনত দুটা দাৰ্শনিক সম্প্ৰদায়ৰো বিকাশ ঘটাইছিল । তাৰে এটা কন্‌ফুচিয়াচ-মতাৱলম্বী আৰু আনটো তাওবাদ। কন্‌ফুচিয়াচ বাদে সামাজিক সংগঠন , সাধাৰণ আৰু ব্যৱহাৰিক জ্ঞানৰ ওপৰত গুৰুত্ব দিছিল আৰু চীনৰ সমাজখনক দিছিল এক বিশেষ শিক্ষা পদ্ধতি আৰু সামাজিক ব্যৱহাৰ প্ৰণালী। পৰম্পৰাগত সমাজ ব্যৱস্থাটো যাতে নৈতিকতাৰ ওপৰত প্ৰতিষ্ঠিত হয়, সেইটোৱেই আছিল এই মতবাদৰ লক্ষ্য। আনফালে তাওবাদে মূলগত ভাবে গুৰুত্ব দিছিল প্ৰকৃতি-পাঠৰ ওপৰত আৰু তাৰ সহায়ত এটা পথৰ সন্ধান দিয়া বিষয়ত। তাও মানে হৈছে পথ বা পন্থ। তাত মতবাদমতে প্ৰাকৃতিক নিয়ম পালন আৰু অন্তৰ্দৃষ্টিৰ ওপৰতে নিৰ্ভৰ কৰি মানুহৰ সুখ। মতবাদদুটাই চীনা দৰ্শনৰ দুটা বিপৰীত মেৰুৰ কথাকে প্ৰকাশ কৰে যদিও চীনত দুয়োটাই মানৱ প্ৰকৃতিৰ এটা আৰু একেটা সত্যৰ কথাহে কয়।

ভাৰতীয় সকলৰ দৰে চীনাসকলেও জগতৰ গুৰিত এক পৰম সত্যৰ কথা বিশ্বাস কৰিছিল । তাও শব্দটোৱে মূলতে পথ বা পন্থক বুজালেও পৰম সত্যকো বুজাইছিল। তাওবাদৰ তাও অৰ্থাৎ পৰম সত্য , হিন্দুৰ ব্ৰহ্ম আৰু বৌদ্ধৰ ধৰ্মকায় সমপৰ্য্যায়ৰ চিন্তা। কিন্তু অন্তৰ্নিহিত গতিশীলতাৰ কাৰণে তাও ব্ৰহ্মতকৈ স্বৰূপতে সুকীয়া। উভতনিয়েই গতি আৰু গতি উভতনি অৰ্থাৎ গতি আৰু ৰূপান্তৰৰ চক্ৰাকাৰ ৰূপ তাওবাদৰ মূল কথা। প্ৰকৃতি, জাগতিক সংসাৰ, মানৱীয় অৱস্থা সকলোতে অহা আৰু যোৱাত চক্ৰাকাৰ পৰিভ্ৰম মাথোন। চীনাসকলে এই ধাৰণা গোটাই লৈছিল জোন - বেলিৰ গতি আৰু ঋতু - পৰিবতৰ্নৰপৰা । তেওঁলোকে বিশ্বাস কৰিছিল যে কোনো এটা সংগঠনে তুংগ পোৱাৰ পিছত পুনৰ তললৈ উভতিব লাগিব। জোনটোৱে প্ৰতিপদৰ পৰা বিকাশ লাভ কৰি পূৰ্ণিমাত চৰম অৱস্থা পায় , পুনৰ ইয়াৰ সংকোচন ঘটে, ই ওভোতা গতি লয়। একেদৰে আন্ধাৰে অমাৱস্যাত পূৰ্ণতা লাভ কৰি পুনৰ বাট দিয়ে জোনক পূৰ্ণিমাৰ পৰিপূৰ্ণতা লাভৰ কাৰণে। ঋতুবোৰ একেদৰেই আহে আৰু যায় , অহা আৰু যোৱাৰ এক চক্ৰ । প্ৰকৃতিৰ পৰা আহৰণ কৰা এই

সত্যৰ পৰা জীৱন পদ্ধতিত নৈতিকতাৰ এই শিক্ষাকে দিয়া হৈছিল যে ঋষিসকলে অবিচাৰ, বাহুল্যতা আৰু সংযমহীনতা এৰাই চলে।

গতি আৰু ৰূপান্তৰৰ এই চক্ৰাকাৰ বৈশিষ্ট্যকে বুজাবলৈ য়িন আৰু য়ং দুটা তত্ত্বৰ বিকাশ হৈছিল। য়িন হৈছে প্ৰকৃতি শক্তি আৰু য়ং পুৰুষশক্তি। য়িন আন্ধাৰ, য়ং পোহৰ। য়িন পৃথিৱীশক্তি - স্থিৰ আৰু য়ং আকাশশক্তি গতিময়। ভাবনাৰ ফালৰ পৰা য়িন জটিল প্ৰকৃতিৰ সহজাত মন আৰু য় মুকলি প্ৰকৃতিৰ পুৰুষবোধি । দেখা যায়য়িন আৰু য়ং পৰস্পৰ বিপৰীত। কিন্তু জোনবেলিৰ গতি আৰু ঋতুপৰিবৰ্তন আদি প্ৰাকৃতিক যি পৰিঘটনৰ আধাৰত এই তত্বদুটাৰ প্ৰকৃতি নিৰূপিত হৈছিল সেই প্ৰাকৃতিক ৰূপবোৰৰ চক্ৰাকাৰ ভ্ৰমণে এইটোকো প্ৰমাণ কৰে যে জোন আৰু বেলি, আন্ধাৰ আৰু পোহৰ, জাৰ আৰু জহৰ ইটোৱে সিটোক ঠাই এৰি দিয়ে, অৰ্থাৎ এটাই অকলেই ঠাইখন অধিকাৰ কৰি থকিব নোৱাৰে। এনে ধৰণৰ বিপৰীত সত্তাবোৰ সুকীয়া সুকীয়াকৈ বিচাৰ কৰিলে ইটোৰ লগত সিটোৰ বৈপৰীত্য ধৰা পৰিব। কিন্তু পৰিপূৰক হিচাপে চালে এক সংহতিপূৰ্ণ চৰিত্ৰকে দেখিবলৈ পোৱা যায়। পৰিপূৰকৰ সংহতি চীনা জীৱন -পদ্ধতিৰ মূল কথা । সি শাৰীৰিক স্বাস্থ্য, দেহৰ খাদ্য, দৰৱৰ নিদান, শিল্পকলা, অস্ত্ৰবিদ্যা আদি সকলোতে প্ৰভাব পেলাব পাৰে। যেনে - আহাৰ খালে ভোক গুছে আৰু শৰীৰ সবল হয়। কিন্তু সংহত আহাৰ নহলে ভোক গুছিলেও শাৰীৰিক বলৰ নাটনি হয় অথবা ৰোগৰো কাৰক হয়। এনেদৰে আহাৰতো য়িন আৰু য়ঙৰ সংহতিৰ প্ৰয়োজন। চীনদেশৰ পৰম্পৰাগত চিকিৎসা বিষয়তো য়িন আৰু য়ঙৰ সংহতিত বিশেষ গুৰুত্ব দিয়া হৈছিল। কিয়নো এই চিকিৎসা বিধিমতে দুয়োটাৰ মাহত সংহতি লুপ্ত হলেই ৰোগ হয়। আকুপাংচাৰ চিকিৎসা - পদ্ধতিত এইটোত গুৰুত্ব দিয়া হৈছিল। যেতিয়াই দেহত য়িন আৰু য়ংৰ মাজত প্ৰাণ শক্তিৰ প্ৰবাহ স্তব্ধ হয়, তেতিয়াই ৰোগে দেখা দিয়ে আৰু তেতিয়াই আকুপাংচাৰ ক্ষেত্ৰবোৰ বেজিৰে ফুটাই ৰোগ নিৰাময় কৰা হয়।

জোন-বেলি, জাৰ-জহ, সুখ-দুখ — এইবোৰৰ দৰে এটাৰ আন এটা বিপৰীত ৰূপ থাকে। কিন্তু বৈপৰীত্যৰ এই ধাৰণা সম্পূৰ্ণ বিমূৰ্ত আৰু সেই কাৰণে ই আপেক্ষিক চিন্তা মাথোন। একোটা ধাৰণাই তাৰ বিপৰীত ধাৰণাৰ জন্ম দিয়ে। পোহৰৰ ধাৰনাই আন্ধাৰৰ, ভালে বেয়া আদিৰ স্থিতি বুজায়। গতিকে বৈপৰীত্যৰ ধাৰণা এক মানসিক বৃত্তি। ইয়াৰ উৰ্দ্ধলৈ উত্তৰণ লাভ কৰিব পৰাত জীৱনৰ সাৰ্থকতা । কৃষ্ণই গীতাত অৰ্জুনক স্থিতপ্ৰজ্ঞ হ'বলৈ কৈছে। য়িন আৰু য়ঙৰ সংহতি উপলদ্ধিৰ পৰম সত্যৰ সন্ধান কৰিব পাৰি । তাওবাদে তেনে এক তাও বা পন্থৰ বিচাৰ কৰে। ■■■

সকলো কাম কৰাৰ সময়ত শেষৰ ফল কি হ'ব সেইটো বিবেচনা কৰিহে কামটো কৰিবা।

- লা ফাউন্টেন।

শিক্ষাৰ ঘাই শিপা ডাল বৰ তিতা, কিন্তু ইয়াৰ ফলাফল বৰ সোৱাদ।

- এৰিষ্টটল।





# কৃষ্ণ কান্ত সন্দিকৈৰ ব্যক্তিত্ব আৰু প্ৰতিভা

শ্ৰীজ্যোতি প্ৰসাদ বৰা
স্নাতক ৩য় বৰ্ষ

ব্যক্তিত্বত যি জন সু-গভীৰ, চৰিত্ৰ যাৰ সু-নিৰ্মল, আদৰ্শ যাৰ জ্ঞান সাধনা, প্ৰচাৰ বিমুখতা যি জনৰ জীৱনৰ বৈশিষ্ট্য, মতত যি জন সুদৃঢ়, জ্ঞান-লিপ্সা যাৰ অপূৰণীয়, আদৰণীয় আৰু অতুলনীয়, যি জন পণ্ডিতৰ সমালোচনা স্পষ্ট আৰু বিচাৰ প্ৰণালী যুক্তি সংগত, অনুসন্ধিৎসা যি জনৰ জীৱনৰ ব্ৰত, অধ্যয়ন যাৰ মনৰ খোৰাক, পাৰ্থিৱ খ্যাতিৰ প্ৰতি যি জন অনাসক্ত, সেই জন অসাধাৰণ গৱেষক ব্যক্তিয়েই হৈছে কৃষ্ণকান্ত সন্দিকৈ।

উজনি অসমৰ যোৰহাট জিলাৰ চিৰপূজ্য পুৰুষ ৰাধাকান্ত সন্দিকৈৰ ঔৰসত আৰু নাৰায়ণী সন্দিকৈৰ গৰ্ভত ১৮৯৮ চনৰ ২০ জুলাই তাৰিখে কৃষ্ণকান্ত সন্দিকৈৰ জন্ম হয়। সুন্দৰ স্বাস্থ্যৰ অধিকাৰী সন্দিকৈ ডাঙৰীয়া সৰুৰেপৰাই আছিল শৃঙ্খলাবদ্ধ, সময়ানুবৰ্তিতা, স্বল্প ভাষিতা আৰু মেধাবী।

কৃষ্ণকান্ত সন্দিকৈয়ে মাক দেউতাকৰ বিশেষ তত্বাবধানত ঘৰতেই প্ৰাথমিক শিক্ষা লাভ কৰি পিছত যোৰহাট চৰকাৰী হাইস্কুলত নাম লগায়। সেই বিদ্যালয়ৰ পৰাই তেওঁ ১৯১৩ চনত প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। হাইস্কুলত পঢ়ি থকা কালতে সন্দিকৈদেৱে যতীন্দ্ৰ নাথ আচাৰ্য্য নামৰ এজন শিক্ষকৰ অধীনত ইংৰাজী আৰু সংস্কৃত ভাষা অধ্যয়ন কৰে আৰু প্ৰৱেশিকা দিয়াৰ আগতেই মেঘদূত, ৰঘুবংশ, কুমাৰ সম্ভৱ আদি সংস্কৃত গ্ৰন্থ ভালকৈ পঢ়িব পৰা হয়। প্ৰবেশিকা পাছ কৰি সন্দিকৈ দেৱে কটন কলেজত নাম লগাই আৰু ১৯১৫ চনত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম হৈ আই-এ পাছ কৰে। ইয়াৰ পিছত উচ্চ শিক্ষাৰ বাবে তেওঁ কলিকতালৈ যাত্ৰা কৰে। ১৯১৭ চনত সন্দিকৈয়ে কলিকতা সংস্কৃত কলেজৰপৰা সংস্কৃতত অৰ্নাচ সহ প্ৰথম শ্ৰেণীত বি-এ পাছ কৰে। ১৯১৯ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰপৰা সংস্কৃত (বেদ) ত প্ৰথম শ্ৰেণীত এম-এ পাছ কৰে। কালকতাত পঢ়ি থকা অৱস্থাতে সন্দিকৈ দেৱ বিদেশী ভাষাৰ প্ৰতি আকৃষ্ট হয় আৰু সেই সময়তে তেওঁ ফ্ৰেন্স, পালি আৰু লেটিন ভাষাও শিকিবলৈ আৰম্ভ কৰে।

১৯২০ চনত সন্দিকৈ দেৱে উচ্চ শিক্ষাৰ বাবে বিদেশলৈ যাত্ৰাকৰে। বিদেশত গৈ তেওঁ প্ৰথমতে আঠ মাহ কাল বৃটিছ মিউজিয়ামত ফৰাচি আৰু জাৰ্মান ভাষা অধ্যয়ন কৰে। ইয়াৰ পিছত সন্দিকৈয়ে অক্সফোৰ্ড বিশ্ববিদ্যালয়ত 'মডাৰ্ণ হিষ্টৰী' ত এম - এ পঢ়ে। এই সময়তে তেওঁ ৰুচ আৰু ইটালিয়ান ভাষা শিক্ষাও আৰম্ভ কৰে। ১৯২৩ চনত সন্দিকৈয়ে এম-এ পাছ কৰে। এই সময়ছোৱাত তেওঁ দিনে ১২/১৩ ঘন্টাকৈ অধ্যয়ন কৰিছিল। শিক্ষা লাভৰ প্ৰতি থকা ধাউতি আৰু একাগ্ৰতা দেখি অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ৰিডাৰ ইক'নমিক হিস্টৰীৰ অধ্যাপক ই-লিপচনে মন্তব্য কৰিছিল -

— From what I saw of Mr. K.K. Handiqui's work for the History Schools I formed the impression that he was a very through and sound worker. His essays were based on extensive reading and showed solid knowledge in point of learning.

অক্সফোৰ্ডত তিনি বছৰ থাকি আন চাৰি বছৰ কাল ফ্ৰান্স আৰু জাৰ্মানিত কটায়। সন্দিকৈৰ মতে এই সময় ছোৱাত তেওঁ কেইবাটাও ডিগ্ৰী ল'ব পাৰিলেহেঁতেন যদিও তেওঁ বিভিন্ন বিদেশী ভাষা আৰু সাহিত্যৰ জ্ঞান লাভৰ বাবেই লাইব্ৰেৰী আৰু মিউজিয়ামত অধ্যয়ন কৰিয়েই সুদীৰ্ঘ চাৰিটা বছৰ অতিবাহিত কৰে । সন্দিকৈ দেৱে এনেদৰে আঠ বছৰ কাল বিদেশত অধ্যয়ন কৰি পৃথিবীৰ ১২/১৩ টা ভাষা সলসলিয়াকৈ শিকি ১৯২৭ চনত বিদেশৰপৰা আহি অসমত ভৰি দিয়েহি। বিদেশত থকা কালত সন্দিকৈ দেৱে তাত প্ৰচলিত বেয়া বস্তু খোৱা নাছিল আৰু বেয়া আড্ডাৰ মাজলৈকো নগৈছিল। এই খিনিতেই উল্লেখযোগ্য যে সন্দিকৈৰ লগত একেলগে বিলাতলৈ যোৱা তেওঁৰ ভাতৃ লক্ষীকান্তই ইতিমধ্যেই এগৰাকী বিদেশী মেম লৈ অসম পাইছিলহি।

বিদেশৰ পৰা ঘুৰি আহি ১৯২৮ চনত সন্দিকৈ দেৱে নগাঁও জিলাৰ ˚উমাচৰণ গোহাঁই ডাঙৰীয়াৰ কন্যা হেমলতা আইদেউৰ লগত বিবাহ পাশত আবদ্ধ হয়। তেওঁলোকৰ যুগ্ম জীৱনৰ চিন স্বৰূপে দুগৰাকী কন্যা সন্তান আৰু এটি পুত্ৰ সন্তানৰ জন্ম হয়। কিন্তু অতি দুখৰ কথা সন্দিকৈ দেৱৰ সুযোগ্যা পত্নী হেমলতা আইদেউৰ এবাৰ টান নৰিয়া হৈ ১৯৬১ চনৰ ২০ জুলাই তাৰিখে মৃত্যু হয়।

পাশ্চাত্য শিক্ষাৰে শিক্ষিত , উচ্চ ডিগ্ৰী ধাৰী সন্দিকৈয়ে উচ্চ - পদস্থ চৰকাৰী চাকৰিলৈ মন নেমেলি নিজকে চাহ বাগানৰ কামত নিয়োগ কৰে । সেই সময়ত যোৰহাটত জগন্নাথ বৰুৱা কলেজ প্ৰতিষ্ঠা কৰা হয় আৰু সন্দিকৈ দেৱক উক্ত কলেজৰ অধ্যক্ষৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হয়। সেই অনুৰোধ মৰ্মে ১৯৩০ চনত সন্দিকৈয়ে প্ৰথম বে-চৰকাৰী কলেজৰ অধ্যক্ষ ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। প্ৰয়োজনীয় অৰ্থৰ অভাৱ, ৰাজহুৱা সহানুভূতিৰ অভাৱ আৰু চৰকাৰী উদাসিনতা আদি বহুতো বাধা বিঘিনী অতিক্ৰম কৰি, সুদীৰ্ঘ ১৭ বছৰ অধ্যক্ষ ৰূপে কাৰ্যনিৰ্বাহ কৰি সন্দিকৈ দেৱে জগন্নাথ বৰুৱা কলেজক অসমৰ ভিতৰতে প্ৰথম বে-চৰকাৰী কলেজ ৰূপে সকলো প্ৰকাৰে জাকত-জিলিকা আৰু যোগ্য কৰি গঢ়ি তোলে ।

১৯৪৭ চনত সন্দিকৈ দেৱে জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ পদৰ পৰা অব্যাহতি লয়। সেই সময়তে গুৱাহাটী বিশ্ববিদ্যালয়খনো স্থাপিত হয়। তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে সন্দিকৈ দেৱক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদটো লব লৈ অনুৰোধ কৰাত ১৯৪৮ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য্য হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰে। উপাচাৰ্য্য হিচাপে তেওঁ উচ্চ মানদণ্ডৰ শিক্ষাৰ লগতে মানৱ চৰিত্ৰ আৰু অন্তৰৰ পৱিত্ৰতাৰ ওপৰত গুৰুত্ব দিছিল । বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তন উৎসৱত দিয়া উপাচাৰ্য্যৰ ভাষাত তেওঁ ডিগ্ৰী লাভ কৰোতা সকলক এই বুলি সকিয়াই দিছিল — "They must remember that it is not degrees but character and purity of the heart that will entitle them to the dignity of man. In a world full of temptations they have to keep their balance and resist the forces of evil." পৰীক্ষাৰ সংক্ৰান্ততো সন্দিকৈয়ে সংখ্যাতকৈ গুণৰ ওপৰতহে অধিক জোৰ দিছিল। বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় দিশতো সন্দিকৈয়ে চোকা দৃষ্টি ৰাখিছিল । তেখেতৰ কাৰ্য্যকালৰ ভিতৰত বিশ্ববিদ্যালয়ত কোনো আন্দোলন বা গণ্ডগোল নোহোৱাটো আছিল তেখেতৰ এক কৃতিত্ব। কেৱল বিদ্যাৱন্ত বা জ্ঞানৱন্ত হ'লেই প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ চলোৱাত সহায় নকৰে - ব্যক্তিত্ব আৰু চৰিত্ৰহে মূল কথা । ছচিয়েলিষ্ট পাৰ্টিৰ নেতা অশোক মেহতাই উপাচাৰ্য্য সন্দিকৈৰ লগত কথা পাতি এনেদৰে মন্তব্য কৰিছিল- "ভাৰতৰ তেওঁ এনে বিশাল ব্যক্তিত্ব সম্পন্ন উপাচাৰ্য্য লগ পোৱাই নাই ।" সন্দিকৈ দেৱে ১৯৪৮ চনৰ পৰা সু-দীৰ্ঘ ন-বছৰ কাল গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য্য ৰূপে বিশেষ যোগ্যতাৰে নিৰহ নিপানীকৈ কাৰ্য্য সমাপন কৰি ১৯৫৭ চনত অৱসৰ গ্ৰহণ কৰে।

সুবিশাল ব্যক্তিত্ব আৰু পাণ্ডিত্যৰে মহিয়ান অসমীয়া জাতীয় জীৱনৰ অন্যতম কৰ্ণধাৰ সন্দিকৈ দেৱৰ অধ্যয়ন আৰু গৱেষণা আছিল জীৱন সংগী। তেওঁ নিজকে এজন সাহিত্য সেৱী হিচাপেও প্ৰতিস্থা কৰিছিল। কলেজত পঢ়ি থকা অৱস্থাতে সন্দিকৈয়ে কেইবাটাও অতি মূল্যবান তত্বগধুৰ প্ৰবন্ধ ৰচনা কৰে। এইবোৰ লক্ষ্মীনাথ বেজবৰুৱাৰ "বাঁহী" আলোচনীত প্ৰকাশিত হৈছিল । বিদেশত থকা কালতো বিদেশী ভাষা , সাহিত্য আৰু সংস্কৃতি আদিৰ ওপৰত বহুতো গৱেষণামূলক, চিন্তাগধুৰ প্ৰবন্ধ ৰচনা কৰে । এইবোৰো "বাঁহী" "আৱাহন" "চেতনা" "মিলন" আদি আলোচনীত প্ৰকাশ হৈছিল ।

সন্দিকৈ দেৱৰ গৱেষণাৰ জলন্ত নিদৰ্শণ — আজীৱন সাধনাৰ দ্বাৰা সমাপন কৰা তিনিখন বিশেষ গ্ৰন্থ হ'ল — "নৈষধ - চৰিত্ৰ", "যশস্তিলক" আৰু "সেতুবন্ধ" ৰ সংস্কৃতৰ পৰা ইংৰাজীলৈ অনুবাদ। নল - দময়ন্তীৰ ওপৰত শ্ৰীহৰ্ষই 'নৈষধ-চৰিত্ৰ', জৈন ধৰ্ম , ভাৰতীয় চিন্তা আৰু সমসাময়িক ভাৰতীয় সংস্কৃতিৰ ওপৰত সোম দেৱে 'যশস্তিলক' আৰু ৰামায়নৰ উত্তৰ ভাগৰ কথা বস্তু লৈ প্ৰৱৰ সেনে ৰচনা কৰা মূল সংস্কৃত গ্ৰন্থ "সেতুবন্ধৰ" ওপৰত সন্দিকৈ দেৱে বহু বছৰ গৱেষণা চলাই আৰু নিজৰ মতামত দি সংস্কৃতৰ পৰা ইংৰাজী লৈ অনুবাদ কৰে । এই তিনিওখন গ্ৰন্থ আজিও ইংৰাজী সাহিত্য বুৰঞ্জীৰ এক বিশিষ্ট মাইলৰ খুটি আৰু ই চিৰকাল এক অমূল্য সম্পদ বুলি পৰিগণিত হৈ থাকিব।

জ্ঞান ৰত্নৰ সন্ধানত কৃষ্ণকান্ত সন্দিকৈয়ে গোটেই জীৱনটো কিতাপৰ মাজতেই কটাইছিল। তেওঁ পৃথিবীৰ বহুতো মূল্যবান আৰু দুস্প্ৰাপ্য কিতাপ সংগ্ৰহ কৰি নিজাকৈ এটা পুথিভঁড়াল গঢ়ি তুলিছিল। সন্দিকৈ দেৱে যোৰহাটৰ প্ৰকাণ্ড দুমহলীয়া ঘৰটোৰ ওপৰ মহলাটো পুথিভঁড়াল হিচাপে ব্যৱহাৰ কৰিছিল। পুথিভঁড়ালটোত মুঠতে ৫০টা আলমাৰি আছিল। তেখেতৰ পুথিভঁড়ালটোত সংস্কৃত, অসমীয়া, ইংৰাজী, ফ্ৰান্স, জাৰ্মান , পালি, প্ৰাকৃত, স্পেনিচ, ইটালিয়ান, লেটিন, গ্ৰীক, ৰুচিয়ান, বঙলা আৰু আন বহুতো ভাৰতীয় ভাষাৰ তিনি লাখ টকাৰ আঠ হাজাৰত কৈয়ো অধিক কিতাপ আছিল । ইয়াত বিভিন্ন দেশৰ সাহিত্য , সংস্কৃতি আৰু বুৰঞ্জী গ্ৰন্থৰ উপৰিও নানান ধৰ্মীয় পুথিও আছিল। অক্লান্ট পৰিশ্ৰম আৰু সুন্দৰভাবে সংৰক্ষিত আভিজাত্যৰ স্বাক্ষৰ বহন কৰা এই পুথিভঁড়ালটো সন্দিকৈ দেৱে এক চুক্তি পত্ৰৰ জৰিয়তে গুৱাহাটী বিশ্ববিদ্যালয়ক দান কৰে । এই চুক্তিপত্ৰৰ মূল চৰ্ত তিনিটা আছিল এনে ধৰণৰ —

১) বিশ্ববিদ্যালয়ে তেখেতৰ মৃত্যুৰ এমাহৰ ভিতৰত কিতাপখিনি লৈ যাব লাগিব।

২) এই কিতাপখিনি বিশ্ববিদ্যালয়ত এটা সুকীয়া শাখা ৰূপে তেখেতৰ নামত সংৰক্ষণ কৰিব লাগিব।

৩) এই শাখাৰ কিতাপবোৰ বাহিৰলৈ দিয়াৰ ব্যৱস্থা হ'ব নোৱাৰিব, কিন্তু আৱশ্যক মতে অধ্যয়ন কৰিবলৈ আৰু প্ৰসঙ্গ আলোচনা কৰিবৰ কাৰণে পুথিভঁড়ালৰ চৌহদতে ব্যৱহাৰ কৰিবলৈ পাব।

এই চুক্তি মতেই বিশ্ববিদ্যালয়ে পুথিভঁড়ালটো গুৱাহাটীলৈ স্থানান্তৰ কৰে । এই জনা মহান পণ্ডিতৰ পুণ্য স্মৃতিত, কৃতজ্ঞতাৰ চিন স্বৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৃহৎ পুথিভঁড়ালটো কৃষ্ণকান্ত সন্দিকৈ নামেৰে নামকৰণ কৰে ।

কৃষ্ণকান্ত সন্দিকৈ এজন খোলা অন্তৰৰ দানী পুৰুষ আছিল । দেউতাক ৰাধাকান্ত সন্দিকৈ এজন অৱস্থাপন্ন চাহ খেতিয়ক আৰু চৰকাৰী চাকৰীয়াল আছিল । তেখেতো এজন দানী লোক আছিল। সন্দিকৈ দেৱে তেখেতৰ পত্নীৰ স্মৃতিত প্ৰতিস্থা কৰা হেমলতা সন্দিকৈ স্কুল , স্কুলৰ হোষ্টেল আৰু অন্যান্য খৰচৰ বাবে সাত লাখৰ ওপৰ টকা দান কৰিছিল । ইয়াৰ উপৰিও যোৰহাট জগন্নাথ কলেজৰ বিজ্ঞান শাখালৈ এঘাৰ হেজাৰ টকা , গুৱাহাটী সন্দিকৈ ছোৱালী কলেজৰ বিজ্ঞান ভৱনৰ কাৰণে দহ হাজাৰ টকা , চন্দ্ৰ কান্ত অভিধানৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ক তিৰাল্লিশ হাজাৰ টকা , যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ উন্নয়নৰ বাবে সাহিত্য সভাক চৈধ্য হাজাৰ টকা , ৰাধাকান্ত সন্দিকৈ জীৱনী ছপাবৰ বাবে আৰু চন্দ্ৰকান্ত ট্ৰাষ্ট বোৰ্ডৰ বাবে সাহিত্য সভাক ক্ৰমে চাৰি হাজাৰ আৰু ন হাজাৰ পাঁচ টকা দান হিচাপে আগবঢ়াইছিল।

কৃষওকান্ত সন্দিকৈদেৱৰ কাৰ্যাৱলী কেৱল পুথিভঁড়াল বা পঢ়াকোঠাৰ চাৰিবেৰৰ মাজতে আৱদ্ধ হৈ আছিল বুলি ভাবিলে ভুল কৰা হ'ব। তেখেতে অসমীয়া ভাষা সাহিত্যলৈয়ো বিশিষ্ট সেৱা আগবঢ়াই । সেয়ে ১৯৩৭ চনত অসমীয়া জাতীৰ সৰ্বোচ্চ সন্মান অসম সাহিত্য সভাৰ সভাপতি পদেৰে তেখেতক সন্মানিত কৰা হয় । ১৯৫৫

চনত তেখেতলৈ ভাৰত চৰকাৰে "পদ্মশ্ৰী" আৰু ১৯৬৭ চনত "পদ্ম বিভূষণ" উপাধি প্ৰদান কৰে। ১৯৬৮ চনত মহাৰাষ্ট্ৰ চৰকাৰৰ ডেক্কান কলেজৰ সন্মানিত সদস্য হিচাপে নিৰ্বাচিত হয়। ইয়াৰ উপৰিও ১৯৭৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় আৰু ১৯৭২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সন্দিকৈ দেৱক "ডি - লিট" আৰু ১৯৭৪ চনত অসম সাহিত্য সভাই "সাহিত্য মহীয়ান" সন্মানেৰে বিভুষিত কৰে । সন্দিকৈ দেৱে ১৯২৯ চনত অসম ছাত্ৰ সন্মিলনৰ সভাপতি, ১৯৫১ চনত লক্ষ্ণৌ বিশ্ববিদ্যালয়ত বহা সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ প্ৰাচীন সংস্কৃত বিভাগৰ সভাপতি আৰু ১৯৫২ চনৰ মাদ্ৰাজ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা ভাৰতীয় বিশ্ববিদ্যালয় সমূহৰ উপাচাৰ্য্য আৰু প্ৰতিনিধি সকলৰ সভাতো সভাপতিত্ব কৰে । ১৯৬১ চনৰ শ্ৰীনগৰত হোৱা সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ কাৰণেও সভাপতি নিৰ্বাচন হয় যদিও সেই বছৰেই তেখেতৰ পত্নী বিয়োগ হোৱাত সন্মিলনত উপস্থিত হ'ব নোৱাৰিলে।

কৃষ্ণকান্ত সন্দিকৈ দেৱে জীৱনত বহুতো ভাষাৰ, বহুতো গ্ৰন্থ অধ্যয়ন কৰে । তেখেতক কাৰ লেখাই আটাইতকৈ আকৃষ্ট কৰিলে আৰু জীৱনত ৰেখাপাত কৰিলে, এই সম্বন্ধে কৰা এক প্ৰশ্নৰ উত্তৰত ইবচনৰ এই কথাষাৰলৈ আঙুলিয়াইছিল — " Innocence is the source of the all joy and happiness " (নিৰ্দোষিতা সকলো আনন্দ আৰু সুখৰ মূল)।

পাণ্ডিত্য, ঐশ্বৰ্য্য আৰু সন্মান তিনিওৰে আধিকাৰী কৃষ্ণকান্ত সন্দিকৈ সদায়েই নিজৰ কামত ব্যস্ত হৈ অকলশৰীয়া কৈ থাকে। সৰ্বসাধাৰণৰ লগত তেখেতে বিশেষ হলি - গলি নকৰিছিল । এই সম্পৰ্কে আব্দুছ ছাত্তাৰ ডাঙৰীয়াই কৰা এক প্ৰশ্নৰ উত্তৰত সন্দিকৈ দেৱে কৈছিল- " মই হঠাত আজি মানুহৰ লগত মিলিবলৈ বেয়া পাইছো এনে নহয়, মই আগৰে পৰাই এনে আছিলো । মোৰ দেউতায়ো এই বিষয়ত মোক বেয়া পাইছিল — কিন্তু এইটো মোৰ স্বভাৱেই। মই আৱশ্যক মতেহে মানুহৰ লগত কথা পাতো । এনে স্থলত মোৰ সমাজৰ প্ৰতি বিতৃষ্ণা হৈছে বুলি কেনেকৈ কবা। পঢ়া-শুনা আৰু বিশেষ দৰকাৰী কথাৰ বাহিৰে আন কথাত মোৰ মন নবহে। " সন্দিকৈ দেৱৰ এনে স্বভাৱৰ বাবে কেতবোৰ মানুহে তেখেতক বেয়া পাইছিল। কিন্তু যি সকল মহান বিদুষী পণ্ডিত প্ৰৱৰ ব্যক্তি তেওঁলোকে সন্দিকৈ দেৱক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণ গুৱাহাটীলৈ আহোতে চৰকাৰী আতিথ্য ত্যাগ কৰি সন্দিকৈ লগত আছিল। এই জন ব্যক্তিয়েই গুৱাহাটী বিশ্ববিদ্যাল ১৯৫১ চনৰ সমাবৰ্তন উৎসৱত ভাষণ আৰম্ভ কৰিছি এনেদৰে — "Your Vice - Chancellor is no only a Vice - Chancellor but also great scholar." ডঃ সুনীত কুমাৰ চট্টোপাধ্যা সন্দিকৈৰ বিষয়ে কৈছিল — "A scholar of whor India may be proud." ডঃ আদিনাথ উপাধ্যা নিছিনা এজন প্ৰাচ্যৰ প্ৰসিদ্ধ প্ৰকৃতিবিদ পণ্ডিতে সন্দিকৈ "জ্ঞানৰ পাহাৰ" বুলি অভিহিত কৰিছিল।

সন্দিকৈ দেৱৰ জীৱনৰ এক বৈশিষ্ট্য হ' সময়নুবৰ্তিতা । তেওঁ সকলো কামৰ বাবে নিৰ্দ্ধাৰিত সম আছিল আৰু সেই মতে কাম কৰিছিল । এবাৰ (১৯৪ এজন মন্ত্ৰীয়ে সন্দিকৈ দেৱক লগ কৰিবলৈ বাসস্থানলৈ গ কিন্তু মন্ত্ৰী গৰাকীক জনোৱা হ'ল যে সেই সময়ত কথা হ'ব তেওঁৰ সময় নাই । কাৰণ এই সাক্ষাতৰ বাবে আগতিয়া কোনো সময় নিৰ্দ্ধাৰিণ কৰা নাছিল। পিছত মন্ত্ৰীজন উপাচাৰ্য লগ নোপোৱাকৈয়ে ছিলঙলৈ উভতি যাব লগা হয়।

জ্ঞানতকৈ নৈতিকতাৰ ওপৰত সন্দিকৈ দেৱৰ বে শ্ৰদ্ধা আৰু ভক্তি। তেওঁৰ দৃঢ় বিশ্বাস যে নৈতিক প্ৰকৃ সমুন্নয়নতে শিক্ষাৰ পৰম সাৰ্থকতা।

মানুহ মৰণ শীল। জন্ম হ'লে মৃত্যু হ'বই। ই চিৰ সত্য হ'লেও কেতিয়াবা অসহনীয় হৈ উঠে। সেই দিনা ১৯৮ চনৰ জুন মাহৰ ৭ তাৰিখ। সেই দিনাই ডিব্ৰুগড় জি: এ হস্পিটেলত চিকিৎসাধীন হৈ থকা এই জনা মহান ব্যক্তি পণ্ডিত প্ৰৱৰ, দানী-জ্ঞানী আৰু অসম মাতৃৰ সু-সন্তান সন্দি ডাঙৰীয়াই অসম বাসীক কন্দুৱাই চিৰদিনৰ বাবে আমাৰ মা পৰা বিদায় লয়। তেখেতৰ মৃত্যুৰ লগে লগেই শিক্ষা জগত অসমৰ আকাশৰ এটি আকাশলঙ্ঘা চূড়া খহি পৰিল। তেখে গ'ল সচাঁ কিন্তু জগতবাসীলৈ থৈ গ'ল প্ৰেৰণা আৰু আদৰ্শ মহান সঁফুৰা।।

---

বিঃ দ্ৰঃ - অন্য কিতাপৰ সহায় লৈ প্ৰবন্ধটো যুগুত ক হৈছে।



# " পকেটত চুপাৰ কম্পিউটাৰ "

এম. ইমামুল হক
স্নাতক তৃতীয় বাৰ্ষিক

আচৰিত হোৱাৰ বা অবিশ্বাস কৰাৰ কোনো কাৰণ নাই। বিজ্ঞান বৰ্তমান যি গতিত দৌৰিছে, এই গতিতে হয়তো অহা দশকতে পেন্টৰ পকেটৰ আকৃতিৰ চুপাৰ কম্পিউটাৰ তৈয়াৰ হৈ যাব। আজিৰ পৰা প্ৰায় তিনি যুগৰ আগত যেতিয়া কম্পিউটাৰ বজাৰত ওলাই তেতিয়া ঠিকমতে ধাৰণা কৰিব পৰা নগৈছিল সভ্যতাৰ ইতিহাস কোনফালে বা কেনেদৰে সলনি হ'ব ধৰিছে । **বিজ্ঞানীসকলৰ** মেজৰপৰা আৰম্ভ কৰি ব্যৱসায়ীৰ দোকানলৈকে আজি ব্যৱহাৰ হৈছে কম্পিউটাৰ। সেয়ে এই সভ্যতাৰ নাম কম্পিউটাৰ সভ্যতা বুলি ক'ব পাৰি।

কম্পিউটাৰ জন্ম লগ্নৰপৰা উন্নত হোৱালৈ ইলেকট্ৰনিক শিল্পৰ অৱদান অপৰিসীম। কোৱা হয় ইলেকট্ৰনিক হৈছে কম্পিউটাৰৰ হৃৎপিণ্ড; " ইনটিগ্ৰেটেড চাৰ্কিট"। চমুকৈ "আই চি"। কম্পিউটাৰৰ জীৱন আৰু তাৰ কাম কৰাৰ ক্ষমতা মূলত এই "আই চি" ৰ উপৰত নিৰ্ভৰ কৰে। একেলগে লাখ লাখ দশমিক বিন্দু লগত লৈ অংক কৰাৰ সময়ত বহুতো নিখুঁত বুতাম (চুইচ), যাতে পোহৰৰ সহায়ত বিভিন্ন সংকেত নিৰ্ভুলভাৱে যন্ত্ৰবিলাকৰ ভিতৰত চলাচল কৰিব পাৰে। এই কামত "চেমিকন ডাকটৰ" **ৰদ্বাৰা** তৈয়াৰী ট্ৰেন্‌জিষ্টৰ ব্যৱহাৰ কৰা হয়।

চেমিকনডাক্‌টৰ কি? যি সকলো পদাৰ্থৰ বিদ্যুৎ কঢ়িয়াই নিয়াৰ ক্ষমতা ৰূপ বা তামতকৈ কেইবা শ গুণ কম অথচ **সিহঁত** সম্পূৰ্ণ অপৰিবাহীত নহয়, সেইবোৰক কোৱা হয় চেমিকনডাক্‌টৰ। এনেকুৱা কিছুমান মৌল প্ৰকৃতিয়ে **নিজৰপৰা** পৃথিবীত তৈয়াৰ কৰি ৰখিছে। **তাৰউপৰি** কৃত্ৰিমভাবে এক পদাৰ্থৰ লগত আন এক পদাৰ্থৰ পৰমাণু লগ লগাই বৰ্তমান ভাল চেমিকনডাক্‌টৰ তৈয়াৰ কৰা হৈছে। উদাহৰণ স্বৰূপে "গেলিয়াম আৰ্চেনাইড"। আগতে কম্পিউটাৰ তৈয়াৰ কৰোতে "চিলিকন" ব্যৱহাৰ কৰা হৈছিল। এতিয়া "গেলিয়াম অৰ্চেনাইড" দি অতি বেগাবেগী সংবাদ প্ৰেৰণ কৰিব পৰা হৈছে।

আজি কালি কম্পিউটাৰত এক চেকেণ্ডৰ এশ কোটি ভাগ সময়ৰ ভিতৰত কোনো তড়িৎ সংবাদ ট্ৰেনজিষ্টৰৰ বুতামক অন বা অফ কৰে। এতিয়ালৈকে এইটোৱেই দ্ৰুততম। কিন্তু বিজ্ঞানৰ উন্নতিৰ সীমাৰেখা টনা বৰ কঠিন। বৈজ্ঞানিক সকলে ক্ৰমাগত নতুন যন্ত্ৰপাতি আবিস্কাৰ কৰি গৈছে । আধুনিক পদাৰ্থবিদ আৰু ইলেকট্ৰনিক্স **ইন্‌জিনিয়াৰসকলে** মিলি এক বিস্ময় জনক যন্ত্ৰ আবিস্কাৰ কৰিলে । নাম তাৰ " কোৱান্‌টাম এফেক্ট ডিভাইস্"। বিশ্ববিখ্যাত বিজ্ঞানী মাক্স প্লাংকৰ বহুতো মহান আবিস্কাৰৰ ভিতৰত এটা আছিল **কোৱান্টাম** তত্ব। আধুনিক চিন্তাৰ জগতত সেইটোৱে এক নতুন আকাশ মেলি ধৰিলে। সহজ ভাষাত কোৱান্টাম তত্বৰ মূল কথা **বৰ্ণনা** কৰা বৰ কঠিন।

শক্তিৰ প্ৰৱাহক ইমানদিন ঢৌ হিচাপে কল্পনা কৰা হৈছিল। পোন প্ৰথমে প্লাংকে তাক আবিস্কাৰ কৰিছিল। শক্তিক তেওঁ সৰু সৰু "এনাৰ্জি পেকেটৰ" ৰূপ দিয়ে। এই কথা কোৱাত (লিখাত) কোনোবাই যদি সূৰ্য্যৰ পোহৰত এই " এনাৰ্জি পেকেট " বিচাৰে তেন্তে সেইটো হ'ব এক হাস্যকৰ। কিয়নো এইবোৰৰ বিচাৰ তাত্বিক। চকুৰ পৰ্দাত দৃশ্যমান জগতত সেইবোৰ বিচাৰি পোৱা সম্ভৱ নহয়।

কোৱান্টাম তত্বৰ মূল সূত্ৰটিক কামত লগাই গৱেষণা কৰা হৈছে এক নতুন ধৰণৰ "আই চি" তৈয়াৰ কৰাৰ বাবে। তাত পৰমাণুৰ সূক্ষ্মতিসূক্ষ্ম অংশ (ইলেকট্ৰন, প্ৰট্ৰন) ব্যৱহাৰ কৰা হ'ব। ফলত কোৱান্টাম ছেমিকন্ডাকটৰৰ আয়তন হ'ব এতিয়াৰ প্ৰচলিত সৰ্বাধুনিক "আই চি" এশ ভাগ কম। অৰ্থাৎ সম্পূৰ্ণ এটা চুপাৰ কম্পিউটাৰ পকেটত লৈ ঘূৰি ফুৰা সম্ভৱ হৈ পৰিব। গৱেষণাগাৰত এক জটিল তাত্বিক সমীকৰণৰ সহায়ত বৈজ্ঞানিকসকলে বিষয়টো প্ৰমাণ কৰিছে। এতিয়া মাথোন দৰকাৰ ব্যৱসায়িকভাৱে এনেকোৱা ছেমিকন্ডাক্টৰ তৈয়াৰ কৰা।

অৱশ্যে কোনো মূল্যবান বস্তু সহজে হাতত পোৱাটো টান। তাৰ কাৰণে দৰকাৰ অতিমাত্ৰা চিন্তাৰ। ইমান সৰু কোৱান্টাম ডিভাইস্ নিখুঁতভাবে তৈয়াৰ কৰা এতিয়া[illegible] কাৰিকৰি দক্ষতাত সম্ভৱ নহয়। কোনো কাৰখানাৰ যন্ত্ৰ ইমা[illegible] সূক্ষ্ম নহয়। সেই কাৰণে ডাঙৰ ডাঙৰ ব্যৱসায়ী আৰু বিজ্ঞানী সকলে একেলগে কাম কৰিছে এনে যন্ত্ৰ বজাৰত উলিওৱা[illegible] বাবে। আমেৰিকাৰ টেক্সাস ইনষ্ট্ৰুমেন্ট, ভি এম , আৰু জাপান[illegible] সোনি আদি ঠাঁইত চেষ্টা চলাই থকা হৈছে। উন্নত যন্ত্ৰ তৈয়া[illegible] কৰাত খৰচৰ মাত্ৰা অতি বেচি। তথাপি এই ব্যয় উঠি আহি[illegible] বিভিন্ন পথেদি। ব্যৱসায়িকভাৱে এটা কোৱান্টাম ডিভাই[illegible] তৈয়াৰ কৰাত এতিয়াৰ " আই চি " ত কৈ দশ হাজাৰ ভা[illegible] খৰচ কম পৰিব। সেয়ে কম্পিউটাৰ আৰু ইলেকট্ৰনিক্স[illegible] ওপৰত বিজ্ঞানীসকল উঠি পৰি লাগিছে। হয়তো অহা দশক[illegible] প্ৰথম পুৰস্কাৰ হ'ব সচাঁসচি পকেট চুপাৰ কম্পিউটাৰ।

বিঃ দ্ৰঃ - এই প্ৰবন্ধটি লিখোতে বিশেষকৈ কলিকতাৰপৰ[illegible] প্ৰকাশিত "দেশ" নামৰ আলোচনীৰ সহায় লোৱা হৈছে। ২[illegible] আগষ্ট, ৪৩ তম সংখ্যা ১৯৯২ চন। লিখক।

□□□





# বৰ্তমান পৰিস্থিতিত সংস্কৃতি আৰু সাংস্কৃতিক জীৱন বিকাশত ড° লীলা গগৈৰ চিন্তাধাৰা

নিভা কুমাৰী বৰা
স্নাতক ২য় বাৰ্ষিক

সংস্কৃতি কোনো বিমূৰ্ত বিষয় নহয় আৰু ইয়াক সমাজৰপৰা বিচ্ছিন্ন কৰি বিশ্লেষণ কৰাও সম্ভৱ নহয়। যিহেতু সংস্কৃতি মানুহৰ সামাজিক পৰম্পৰাৰ প্ৰতিফলন আৰু ই মানৱ সমাজৰে সৃষ্টি। বিশ্বৰ অগ্ৰণী নৃতাত্বিক ই, বি, টেলৰৰ মতে - জ্ঞান , বিশ্বাস , আচৰণ বিধি , বিবিধ নীতি-নিয়ম , সমাজৰ অন্যতম ব্যক্তি হিচাপে আহৰণ কৰা মানুহৰ সকলো ধৰণৰ অভ্যাস বা আচৰণৰ অভিব্যক্তিয়েই সংস্কৃতি। ইংৰাজী 'কালচাৰ' (Culture) শব্দৰ সমাৰ্থক ৰূপে এই সংস্কৃতি শব্দটোৰ পোন প্ৰথম মাৰাঠী ভাষাত প্ৰয়োগ হয় দ্বিতীয় মহাসমৰৰ আগে আগে। বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ প্ৰমুখ্যে সমসাময়িক ভালেমান কবি সাহিত্যিকে সংস্কৃতিৰ ঠাইত 'কালচাৰ' লিখিছিল যদিও এদল প্ৰগতিবাদী সাহিত্যিকে ইংৰাজী শব্দটো প্ৰয়োগ নকৰি তাৰ পৰিবৰ্তে 'সাংস্কৃতি' বুলি প্ৰয়োগ কৰা দেখা যায়। মূলতে কোল ভাষাৰপৰা আহৰিত সংস্কৃত কৃষ্ ধাতুজ পদ কৃষ্টি (কৃষ + তি)। ইয়াৰ অৰ্থ কৰ্ষণ হালচালন। কৃতি দৰাচলতে কৰ্ম আৰু সেই কৰ্মই কৃষ্টি। আকৌ, কোনো এটা জাতিৰ কৰ্ম সমষ্টি হ'ল সেই জাতিটোৰ কৃষ্টি আৰু সেই কৰ্মৰাজি তথা কৃষ্টিৰ শ্ৰেষ্ঠাংশ অৰ্থাৎ মানসিক চিন্তা কল্পনা আৰু আদৰ্শই সংস্কৃতি। অসমীয়া সংস্কৃতিবিদ বিশ্ব নাৰায়ণ শাস্ত্ৰীৰ মতে সংস্কৃতি শব্দহে বেছি অৰ্থবাচক আৰু কালচাৰ শব্দৰ সম্পূৰ্ণভাৱে ইহে প্ৰকাশ কৰিব পাৰে।

অসমীয়া ভাষাত 'সংস্কৃতি' সম্পৰ্কে তেনে বিজ্ঞান সন্মত আলোচনা আজিলৈকে হোৱা নাই যদিও জ্যোতি প্ৰসাদ আগৰৱালাই 'সংস্কৃতি' সম্পৰ্কে, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'দেৰশ বছৰীয়া অসমীয়া সংস্কৃতিত এভূমুকি'ত বৈজ্ঞানিক দৃষ্টি ভঙ্গীৰে আৰু ড° লীলা গগৈদেৱে নৃতাত্বিক দৃষ্টিভঙ্গীৰে অসমীয়া সংস্কৃতিৰ বিকাশ সম্পৰ্কে কিছু পৰ্য্যালোচনা কৰা দেখা যায়।

ড° লীলা গগৈদেৱে সংস্কৃতিৰ ব্যাখ্যা কৰোতে তেখেতৰ কেইবাটাও প্ৰৱন্ধত সংস্কৃতিৰ বিভিন্ন দিশৰ বিশদ ভাৱে আলোচনা কৰিছে। তেখেতৰ মতে যি শিল্প কৰ্মত সম্যক সৃজনীশীলতা আছে, সৌন্দৰ্য আছে, মানৱতা আছে, সিয়েই সংস্কৃতি। সংস্কৃতিয়ে যথাৰ্থতে এটা জাতিৰ সমগ্ৰ সৃষ্টি প্ৰতিভাক প্ৰতিনিধিত্ব কৰে। সংস্কৃতি গতিশীল, বোৱতী নৈ। নৈৰ ধৰ্মলৈ সংস্কৃতিৰ ধৰ্ম। সময়ৰ গতি আৰু সমন্বয়ৰ ধৰ্মই প্ৰাগৈতিহাসিক যুগত গঢ় লবলৈ আৰম্ভ কৰা অনামি সংস্কৃতিয়ে বহুতো স্তৰ গৰকি আহোম যুগত এই সংস্কৃতিয়ে অসমীয়া সংস্কৃতি নাম লয়। অসমীয়া সংস্কৃতি ভাৰতীয় সংস্কৃতিৰে এটি উপকৰণ মাত্ৰ। অসমীয়া সংস্কৃতিৰ স্বৰূপ দাঙি ধৰিবলৈ গৈ তেখেতে এঠাইত কৈছে যে আজিকালি সাংস্কৃতিক বিপ্লৱৰ নামত প্ৰাচীন অসমীয়া সংস্কৃতিৰ সাময়ীক অনুশীলন কৰি নগৰীয়া মানুহে অসমীয়া সংস্কৃতিৰ যি গঢ়

দিছে বা প্ৰতিনিধিত্ব কৰিছে সেয়ে প্ৰকৃত ৰূপ নহয়, মুখা বা মকাৰীহে।

.ঊনবিংশ শতিকাৰ তৃতীয় দশকলৈকে অসম স্বাধীন আছিল অৰ্থাৎ ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ সূত্ৰমতে অসম ইংৰাজৰ অধীনলৈ যোৱাৰ পৰিণতি স্বৰূপে এই অঞ্চলৰ ৰাজনৈতিক গাঁথনি পৰিবৰ্তন ঘটে ফলত পশ্চিমীয়া শিক্ষাৰ সম্প্ৰসাৰণ ঘটিলবে ল'লে আৰু সেই সময়ত আমাৰ সমাজত লোক সংস্কৃতিৰো পৰিবৰ্তন আহিবলৈ ধৰে। ডঃ লীলা গগৈৰ মতো লোক সংস্কৃতি বুলিলে আমি লোক জীৱনৰ লগত সংশ্লিষ্ট গীত নৃত্য, ধৰ্ম তথা ধৰ্ম সম্পকীয় ৰীতি - নীতি, ঘৰুৱা আচাৰ-ব্যৱহাৰ, প্ৰবচন, লোককথা আদি যি বুজোঁ সেইয়া শিক্ষা, ধৰ্ম, ৰাজনৈতিক শাক্ত, নাগৰিকীকৰণ, উদ্যোগীকৰণ বা যান্ত্ৰিকীকৰণ আৰু সমন্বয়ে এই লোক সংস্কৃতিৰ মৌলিকতা হানি কৰাত বা পৰিবৰ্তন অনাত প্ৰধানতঃ সহায় কৰা বুলি কৈছে। কেইবা শতিকা জোৰা দীঘলীয়া পৰম্পৰা আৰু সমন্বয়ৰ প্ৰৰিণতিৰে অসমৰ লোক সংস্কৃতিৰ সম্পদপুৰ হৈ উঠাৰ উদাহৰণ দাঙি ধৰিবলৈ গৈ ডঃ লীলা গগৈদেৱে কয় যে লোক-সংস্কৃতি লোক-জীৱনৰ ভেঁটিত গঢ় লৈ উঠে। সেয়েহে লোক-সংস্কৃতিৰ ভেঁটি সুদৃঢ়। যুগ যুগ ধৰি চলি অহা পৰম্পৰা, সঞ্চিত অভিজ্ঞতা ৰীতি-নীতি, আচৰ-ব্যৱহাৰৰ সমন্বয় সাধিত হৈ লোক সংস্কৃতিৰ জন্ম দিয়ে । সমন্বয়েই লোক-সংস্কৃতিৰ ধৰ্ম। উত্তৰ পূৱ ভাৰতৰ ঘাইকৈ অসম, অৰুণাচল, মেঘালয় আৰু নগালেণ্ডৰ লোক-সংস্কৃতিৰ ৰূপ আৰু ৰীতি একে সুঁতিতে গঢ় লৈ উঠিছিল। ৰাজনীতিৰ মেৰপাকত সোমোৱাৰ আগলৈকে এই কেয়োখন ৰাজ্যৰ সাংস্কৃতিক জীৱনত বিচ্ছিন্নতাকামী লক্ষণ নাছিল । পৰ্বত ভৈয়ামৰ ভৌগোলিক পাৰ্থক্য থাকিলে সাংস্কৃতিক জীৱন প্ৰৱাহৰ ঘাই সুঁতিটো একেই আছিল। আহোম ৰাজত্বত দহ-বাৰখন নগৰ গঢ় লৈ উঠিলেও মানুহৰ জীৱন ধাৰণৰ পদ্ধতিলৈ আধুনিক নগৰীয়া জীৱনৰ প্ৰভাৱ অহা নাছিল। গ্ৰাম্য ৰীতি-নীতি আৰু কৃষিমুখী সংস্কৃতিয়েই নগৰীয়া জীৱনো আৱৰি ৰাখিছিল।

আধুনিক যুগত সংস্কৃতিৰ ওপৰত অৰ্থনীতিৰ প্ৰভাৱ অনস্বীকাৰ্য্য। ভৌগোলিক প্ৰভাৱতে এইদেশৰ অৰ্থনীতি কৃষি নিৰ্ভৰশীল হৈ পৰিছে। অসমৰ স্থাপত্য, ভাস্কৰ্য্য, চিত্ৰ কলা আদিতো ভৌগোলিক প্ৰভাৱ সুস্পষ্ট। ড° লীলা গগৈদেৱে এই আধুনিক সংস্কৃতিৰ পৰিবৰ্তনৰ গতিক আধুনিক শিক্ষা, নগৰমুখিতা আৰু উদ্যোগমুখিতা এই তিনিটা বস্তুৱে খৰতৰ কৰিছে বুলি কৈছে। উত্তৰ পূব ভাৰতৰ সকলো জাতি-জনজাতিয়েই লোক সাহিত্যত চহকী। লোক প্ৰবাদ বা প্ৰবচন, লোকগীত, সাঁথৰ, সাধুকথা আদি সকলোৰে মাজত আছে। মিছিং সকলৰ ঐনিতম অসমীয়াত বিহু নাম, মালিতা, বিয়ানাম, নিচুকনিগীত, দেউৰী, তিৱা, বড়ো, কছাৰী আৰু কাৰ্বিসকলৰ বিবিধ গীত আদি লোক সংস্কৃতিৰ অমূল্য সম্পদ। একালত লোক প্ৰজ্ঞা সম্ভূত যোজনা পটন্তৰৰ ভেঁটিতে লোক জীৱন অনুশাসিত হৈছিল। এই ক্ষেত্ৰত তেখেতে শিক্ষা আৰু আধুনিকতাৰ প্ৰতি অন্ধ আকৰ্ষণে লোকসাহিত্যত অধিক অনিষ্ট সাধন কৰিছে বুলি কৈছে।

অসমৰ ভৌগোলিক অৱস্থিতি আৰু পৰিবেশে ইয়াৰ সংস্কৃতিৰো গঢ় দিছে। লুইতৰ পাৰৰ কেঁচা মাটিৰ মাদকতা সনা গোন্ধত ভোলগৈ যুগে যুগে, জাকে জাকে মানুহ আহিছে আৰু বন্দী হৈ ৰৈ গৈছে। এই প্ৰক্ৰিয়াৰে বৃহৎ অসমীয়া জাতিগত সংমিশ্ৰণ গঢ় লৈ উঠা বুলি ড° লীলা গগৈদেৱে কৈছে যে নিষাদ সকল আহিছিল গ্ৰাম্য কৃষিমুখী সংস্কৃতিৰ ভেটি পাতি থৈ-গ'ল। কিৰাত সকল আহিল , নিজৰ নিজৰ থলুৱা বৈশিষ্ট্য ৰক্ষা কৰা জনজাতীয় থুপত থুপ খাই ৰ'ল। আলপাইন - নৰ্ডিক আৰ্য্য আহিল, পূৰ্বৰ ৰীতি-নীতিত নতুন ৰীতি-নীতি যোগ দিলে। আক্ৰমণকাৰী মোগল - পাঠান, চাহ বাগিচাৰ বনুৱা, মাৰোৱাৰী বনিক, বিহাৰী মজদুৰ, বঙালী বুদ্ধিজীৱী, মৈমন সিঙীয়া পমুৱা, পঞ্জাবী শিখসকল আহি বৃহৎ অসমীয়া জাতিগত সংমিশ্ৰণত অংশ গ্ৰহণ কৰিছে আৰু এইদৰে সাংস্কৃতিক সমন্বয় সাধিত হৈছে ।


সাংস্কৃতিক গঠন, বিৱৰ্তণ আৰু বিকাশৰ কথা উল্লেখ কৰি ড° লীলা গগৈদেৱে এঠাইত কৈছে যে জাতিগত উচ্চতা-নীচতা ৰাজনৈতিক ক্ষমতাৰ পটভূমিত জোখ-মাখ হয়। তদুপৰি বুদ্ধিগত উচ্চাত্মিকতা আন এটা লক্ষণ। যেতিয়া যি জাতিয় ৰাজনৈতিক ক্ষমতা হস্তগত কৰে, তেতিয়া সেইজাতিয়ে সমাজত উচ্চ আসন লাভ কৰে । তদুপৰি কেতবোৰ ব্যৱসায় আৰু ব্যৱসায় বুদ্ধিয়েও মানুহৰ সামাজিক মৰ্য্যাদা হানি কৰে। সেইবাবে যুগৰ উত্থান-পতনৰ লগে লগে জাতিৰ উত্থান-পতন ঘটে। যেতিয়া কোনো জাতিয়ে সামাজিক মৰ্য্যাদা লাভ কৰে তেতিয়া সুবিধা বুজি আন জাতিয়েও সেই মৰ্য্যাদা সম্পন্ন জাতিলৈ উন্নীত হবলৈ প্ৰয়াস কৰা দেখা যায়। এই দৰে জাতিগতসংমিশ্ৰণ ঘটি সংস্কৃতিৰ গঠন, বিৱৰ্তণ আৰু বিকাশত সহায় কৰে।

বৰ্তমান জাতীয় কৃষ্টি আৰু সভ্যতা আকৌ এটা ৰূপান্তৰৰ দুৱাৰ দলিত। মূল গ্ৰাম্য কৃষ্টিমুখী সংস্কৃতিৰ গৰাখহনীয়া আৰম্ভ কৰিছে। আনপিনে অৰ্থনৈতিক ক্ৰিয়া প্ৰতিক্ৰিয়াই পুৰণি সমল এৰিবলৈ বাধ্য কৰিছ। তদুপৰি এই যুগটোত পৰিবহন সুবিধা, যোগাযোগৰ সুচল ব্যৱস্থা, শিক্ষাৰ বিস্তাৰ আৰু বৈজ্ঞানিক উপকৰণৰ মাত্ৰাধিক্যই দিয়া লোৱাৰ পৰিণাম বৃদ্ধি কৰিছে আৰু এই প্ৰক্ৰিয়াই সংস্কৃতিৰ ওপৰত কোৱাল হেঁচা দিছে। পূৰ্বৰ ধৰ্মীয় ৰক্ষণশীলতা শিথিল হৈছে, লোকাচাৰ পাতলিছে, গীত-মাত-নাট সকলোতে পাশ্চাত্য প্ৰভাৱ পৰিছে আৰু মানুহে সংস্কৃতিক সমলবোৰ জীৱনৰ প্ৰয়োজনীয়তাৰ মাপ কাঠীৰে জুখিবলৈ শিকিছে। জন-সংখ্যা বৃদ্ধি পাইছে, খেতিৰ মাটিৰ পৰিমাণ কমিছে, ফলত খেতিয়কৰ জীৱন দুৰ্বহ হৈ উঠিছে। কৃষিনিৰ্ভৰ গ্ৰাম্য-সংস্কৃতিত ইয়ো তীব্ৰ আঘাত হানিছে। স্বাধীনতাৰ পিছৰ পৰা এই পৰিবৰ্তনশীলতাৰ জোৱাৰ উঠিছে বুলি ড° লীলা গগৈদেৱে কৈছে। যথাৰ্থতে এই কোবাল পৰিবৰ্তনশীলতা অসমীয়া সংস্কৃতিৰ ইতিহাসত এক প্ৰত্যাহ্বান স্বৰূপে থিয় দিছে আৰু ৰাজ্যৰ মূলসাংস্কৃতিক সুঁতিৰ লগত সংগতি ৰাখি নিজা বৈশিষ্ট্যঘটাত তেখেত সদায় আশাবাদী।

*যি জনে জানে আৰু জানে যে তেওঁ জানে*
*তেওঁ জ্ঞানী তেওঁক অনুসৰণ কৰা,*
*যি জনে জানে আৰু নাজানে যে তেওঁ জানে*
*তেওঁ নিদ্ৰিত, তেওঁক জগাই দিয়া*
*যি জনে নাজানে আৰু নাজানে যে তেওঁ নাজানে*
*তেওঁ মূৰ্খ তেওঁক পৰিত্যাগ কৰা ।*

*আৰবী প্ৰবাদৰ পৰা*
*সংগৃহীত*

# কম্পিউটাৰলৈ এভূমুকি



শ্ৰীজিতেন্দ্ৰ নাথ কলিত
স্নাতক ২য় ব

কম্পিউটাৰ মূলত হ'ল এবিধ গণক যন্ত্ৰ । কম্পিউটাৰক মানুহৰ মগজুৰ লগত তুলনা কৰিব পাৰি । বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিভিন্ন কঠিন গণনা , সমীকৰণ সমাধান আৰু বিভিন্ন আৰ্হি সজাৰ কামত ঘাইকৈ কম্পিউটাৰ ব্যৱহাৰ হয় আৰু বৰ্তমানেও হৈ আছে। কিন্তু কম্পিউটাৰৰ কৰ্মক্ষেত্ৰও লাহে লাহে প্ৰসাৰিত হৈছে। ই ক্ৰমান্বয়ে মেনেজাৰ সকলৰ সহায়ক ৰূপে ডাঙৰ ডাঙৰ কাৰ্য্যালয় আৰু উদ্যোগিক প্ৰতিষ্ঠানসমূহত, বেহাবেপাৰ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা গণনা আদি কৰাত ব্যৱহাৰ কৰাৰ উপৰিও ইয়াক কোনো তত্ব প্ৰমান কৰা , মডেল তৈয়াৰ কৰা কামতো ব্যৱহাৰ কৰা হয়। কম্পিউটাৰে অনা অন্যতম বৈপ্লৱিক পৰিবৰ্তন হৈছে ইয়াৰ কাৰ্য্য-সম্পাদনৰ গতি আৰু ইয়াৰ কাৰ্য্য-সম্পাদনৰ হাৰ বেছি দ্ৰুত। ই বিপুল সংখ্যক তথ্য পাতি অতি কম ঠাইৰ ভিতৰত থুপাই ৰাখিব পাৰে আৰু বহু বছৰৰ মূৰতো প্ৰয়োজন হ'লে তাক মনিটৰত উলিয়াই ব্যৱহাৰ কৰিব পাৰে। সহজতে ক'বলৈ গ'লে এটা কম্পিউটাৰেই এটা ডাঙৰ কাৰ্যালয়তকৈও অধিক কৰ্মক্ষম হ'ল আৰু তাৰ ফলত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। চিকিৎসা বিজ্ঞানতো ইতিমধ্যে কম্পিউটাৰে প্ৰচুৰ অৰিহণা যোগাইছে। এই যন্ত্ৰয়েই বহুমূত্ৰ ৰোগীৰ শৰীৰৰ ভিতৰত সুমুৱাই দিবলগীয়া 'ইনছুলিনৰ' পৰিমাণ নিৰ্ণয় কৰিছে। হৃদ ৰোগীৰ 'পেছ মেকাৰৰ' কাম নিয়ন্ত্ৰণ কৰিছে। 'লেজাৰৰ' দ্বাৰা কৰা 'ছাৰ্জাৰি' নিয়ন্ত্ৰণ কৰিছে।

বৰ্তমান যুগত কম্পিউটাৰ হ'ল শিল্প, বিজ্ঞান আৰু বিজ্ঞানৰ এটা আটাইতকৈ ক্ষমতাশালী যন্ত্ৰ। কম্পিউটাৰে উৎপাদন ব্যৱস্থা, ৰাজনীতি আৰু অৰ্থনীতি সম্বন্ধীয় কামবোৰ নিয়ন্ত্ৰণ কৰা , যান-বাহন চলাচল, বতৰৰ আগলি বতৰা আদিৰ উপৰিও কম্পিউটাৰে বিভিন্ন ধৰণৰ ডাঙৰ সমস্যা সমাধান কৰে ।বৰ্তমান যুগত আমেৰিকাৰ কেইবাখনো বিশ্ববিদ্যালয় আৰু অভিযান্ত্ৰিক সংস্থাই নদীৰ কম্পিউটাৰ প্ৰতিৰূপ তৈয়াৰ কৰি বিভিন্ন জটিল সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছে।

পৰিয়ালৰ শিশুটিয়েও হয়তো কম্পিউটাৰৰ সহায়তেই অনায়াসে দৈনিক পাঠ ল'ব আৰু কম্পিউটাৰেৰে খেলিব লুদুকে ধৰি নানান খেল । কম্পিউটাৰক কেন্দ্ৰ কৰিয়েই হয়তো পৰিয়ালৰ কেউটিয়ে ঘৰত থাকিয়েই নিজৰ নিজৰ কাম কৰি যাব। চিকিৎসকৰ ৰোগ নিৰ্ণয় আৰু ৰোগ নিৰাময়ৰ বাবে কম্পিউটাৰ আৰু ডাক্তৰৰ সৈতে সংযোগ স্থাপন কৰি ৰোগ নিৰাময়ৰ বাবে ঔষধৰ তালিকা ল'ব। কম্পিউটাৰৰ সহায়তেই লেখকে উপন্যাস লেখিব, কবিতা লেখিব, সঙ্গীতজ্ঞই সঙ্গীত ৰচনা কৰিব, চিত্ৰ শিল্পীয়ে ছবি আঁকিব। কম্পিউটাৰেই কৃষক , বনুৱা , উকিল, অভিযন্তা সকলোৰে জীৱন ধাৰণৰ গতিপথৰ নিৰ্দেশ দিব । কম্পিউটাৰেই পুৰা জগাৱ, চাহ প্ৰস্তুত কৰিব, গধূলি লাইট জ্বলাই দিব।

সাধাৰণ অৰ্থত কম্পিউটাৰ হৈছে তথ্য সজোৱা নতুন ফলাফল সৃষ্টি কৰিব পৰা যন্ত্ৰ বিশেষ। ইয়াৰ মূল অংশ হল তিনিটা- ১) মূল কাৰ্য্যবাহী গোট ২) মেচিনত তথ্য সুমুৱাই দিয়া অংশ আৰু ৩) মেচিনৰ পৰা তথ্য উলিয়াই অনা অংশ। মূল কাৰ্য্যবাহী গোটটোক- আকৌ তিনিটা অংশত ভাগ কৰিব পাৰি। প্ৰথমটো হৈছে কম্পিউটাৰৰ সকলো কাম-কাজৰ নিয়ন্ত্ৰন কৰা নিয়ন্ত্ৰক গোট। দ্বিতীয় বিধ হৈছে যোগ, বিয়োগ পূৰণ আদি বিভিন্ন অংক কৰিবপৰা বা সৰু ডাঙৰ বাছি উলিয়াব পৰা Arithmetic logic unit. । তৃতীয়টো হৈছে স্মৃতি ভঁড়াল।

সকলোবোৰ কম্পিউটাৰকে দুই ভাগত বিভক্ত কৰিব পাৰি ১) এনালগ কম্পিউটাৰ আৰু ২) ডিজিটেল কম্পিউটাৰ।

আনহাতে কম্পিউটাৰটোক দুটা অংশত ভাগ কৰিব পাৰি যেনে - ১) Software ২) Hardware.

কম্পিউটাৰৰ বিভিন্ন ইলেকট্ৰনিক অংশসমূহেই হ'ল Hardware. Hardware য়ে কোনো কাম কৰিবৰ বাবে Software ৰ প্ৰয়োজন হয়। কম্পিউটাৰ এটাই কি কৰিব লাগে আৰু কেনেকৈ কৰিব লাগে তাৰ বাবে বিভিন্ন ধৰণৰ প্ৰণালীবদ্ধ ভাৱে তৈয়াৰ কৰা নিৰ্দেশ নামা । এই প্ৰগ্ৰেমখন দিয়াৰ লগে লগে কম্পিউটাৰটো বিভিন্ন ধৰণে কাৰ্য্যক্ষম হৈ পৰে। ইয়াক Software বোলে । ইয়াৰ পৰা দেখা গ'ল যে কম্পিউটাৰৰ বিষয়ে সকলো কথা জানি লৈ প্ৰণালীবদ্ধ ভাৱে প্ৰগ্ৰেম তৈয়াৰ কৰাটোৱেই ইয়াৰ মূল কথা। গতিকে প্ৰগ্ৰেম তৈয়াৰ কৰিবৰ বাবে কম্পিউটাৰ শিক্ষাৰ অত্যন্ত প্ৰয়োজন।

কম্পিউটাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত জাপান আৰু আমেৰিকা দ্ৰুত গতিত আগবাঢ়িছে। তাত ঘৰে ঘৰে ৰেডিও - টেলিভিছনৰ দৰে হ'বলৈ।

বৰ্তমান অসমতো কম্পিউটাৰ শিক্ষা আৰম্ভ হৈছে যদিও শিক্ষা লাভৰ বহুল সুবিধা আৰু শিক্ষকৰ অভাৱৰ কাৰণেই এই শিক্ষা সকলো ঠাইত সমানে কাৰ্য্যকৰী হৈ উঠিব পৰা নাই।

জাপান , আমেৰিকা আদি পশ্চিমীয়া দেশবোৰৰ লগত খাপ খোৱাই আমিও অগ্ৰগতিৰে পথত আগবাঢ়িবলৈ প্ৰণালীবদ্ধ ভাৱে কম্পিউটাৰ শিক্ষা আহৰণ কৰাটো অত্যন্ত আৱশ্যকীয়।

□□□

# কেইজনমান বিশ্ববিখ্যাত ব্যক্তিৰ ৰুচি আৰু স্বভাৱ

অধ্যাপক আব্দুল ছালাম
অৰ্থনীতি বিজ্ঞান বিভাগ

**লেচিং** – জাৰ্মানি লিখক লেচিঙে বোলে ক'লৈ যাব পাহৰিয়েই যায় । তাকে মনত পেলাবলৈ ঘন্টাৰ পাছ ঘন্টা ধৰি ৰাস্তাত টহলি ফুৰে । এদিন এইদৰে টহলি ফুৰোতে নিজৰ ঘৰৰ মুখ পালেহি । দুৱাৰ খুলিবলৈ ছাবি বিচাৰি নেপাই দুৱাৰত টুকুৰিয়াই দিলে। ঘৰৰ নতুন লগুৱাই খিৰিকীৰে মূৰ উলিয়াই মানুহজন কোন ধৰিব নোৱাৰি গিৰিহঁত ঘৰত নাই বুলি ক'লে। লেচিংয়ে পাহৰিয়েই গ'ল যে সেইটো তেওঁৰ নিজৰেই ঘৰ। লেচিঙে ক'লে , " বাৰু আকৌ এবাৰ আহিম"।

**জনচন** – জন্‌চন্ এজন বিখ্যাত ইংৰাজ লিখক আছিল। তেওঁ বাটেদি খোজকাঢ়ি গৈ থকোতে ভাবি ভাবি গৈছিল আৰু প্ৰত্যেকটো লাইটৰ খুটাত হাতত থকা লাঠিদালেৰে টুকুৰিয়াই গৈছিল।

**ৰুচো** – ৰুচো আছিল ফ্ৰান্সৰ বিখ্যাত দাৰ্শনিক আৰু লিখক। লিখিবৰ সময়ত তেখেতে নিজকে কোনো বনবাসী ৰজা বুলি কল্পনা কৰিবলৈ ভাল পাইছিল। গতিকে ঘৰৰ ভিতৰখন হাবি আৰু পশু পক্ষীৰ ছবিৰে সজাই নল'লে তেওঁ বোলে লিখিব নোৱাৰিছিল।

**টমাচ হাক্সলী** – টমাচ হাক্সলী উদাস স্বভাৱৰ ব্যক্তি আছিল। এদিনাখন এখন সভাত বক্তৃতা দিবৰ কাৰণে এখন ঘোৰা গাড়ীত আহিল। কচোৱানক বেগাই গাড়ী চলাবলৈ ক'লে। হাক্সলী কোন ঠাইত বক্তৃতা দিবলৈ যাব বাটতে পাহৰি থকিল। উপায় নেপাই কচোৱানক সুধিলে । প্ৰশ্ন শুনি কচোৱানৰ চকু থিয় হ'ল ।

**আইনষ্টাইন** – আইনষ্টাইন আছিল এজন আপোনভোলা বৈজ্ঞানিক । তেওঁ দোলনাত উঠিহে চিন্তা কৰিবলৈ ভাল পাইছিল।

**হুইটমেন** – আমেৰিকাৰ বিখ্যাত কবি আৰু দাৰ্শনিক হুইটমেনে কাঠৰ গুড়িৰ মাজত ভৰি সুমুৱাই লৈহে লিখিব পাৰিছিল।

**আব্ৰাহাম লিংকন** – আমেৰিকাৰ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন আছিল জধলা। ক'ত কেতিয়া কি থয় ক'ব নোৱাৰে। লিংকনৰ স্বভাৱ দেখি বিয়াৰ কেইদিনমান পাচতেই ঘৈণীয়েকে খঙৰ ভমকত লিংকনৰ মুখলৈ গৰম কফি মাৰি পঠিয়ালে কিন্তু লিংকন নিৰ্বিকাৰ – এষাৰ কথাও নক'লে।

সংগ্ৰহ



# " মহৎলোকৰ বাণী "

১) আপোনাৰ চৰিত্ৰটোনো কি নজনাটোৱেই হ'ল আপোনাৰ চৰিত্ৰ

— ডুলাইট অল মুডি —

২) " স্বাক্ষৰতা আৱশ্যকীয় কিন্তু কেৱল স্বাক্ষৰতাই শিক্ষা নহয়। যদি মানুহৰ শিক্ষাৰ লগত জ্ঞানৰ সংযোগ নাথাকে , তেন্তে তেনে শিক্ষা অভিশাপহে।"

— ৰাধা কৃষ্ণণ —

৩) " মানুহ জন্মতেই দুষ্ট নহয়, সি বেমাৰী হোৱাৰ লেখিয়াকৈ পিছতহে দুষ্ট হয় । "

— ভল্টেয়াৰ —

৪) " জ্ঞানৰ সাগৰত ডুব দিয়াটো দূৰৰ কথা, পাৰৰ শিল গুটি কেইটামান বোটলোতেই মোৰ জীৱনৰ অন্ত পৰিল । "

— চাৰ আইজাক নিউটন —

৫) " বহুত আৰু বিৰাট ভুলৰ মাজেদি নহাকৈ কোনো মানুহেই মহান আৰু ভাল হ'ব নোৱাৰে । "

— ছেক্‌ছপীয়েৰ —

৬) " কি আচৰ্য্য , মই আজিলৈকে এনে এজন মানুহ লগ নাপালো, যিজনে নিজৰ দোষৰ কাৰণে নিজকো দোষী বুলি বিবেচনা কৰে ।"

— কনফুচিয়াচ —

৭) " মিঠা মিঠা কথা ক'লেই আৰু হাঁহি মুখীয়া হ'লেই সৎ হ'ব নোৱাৰি । "

— কনফুচিয়াচ —

৮) " কৰ্মই উপাসনা , হাঁহিয়েই জীৱন । যি জীৱনত সুখ দুখ দুয়োকে হৰ্ষমনে গ্ৰহণ কৰিব জানে , তেওঁ জীৱনৰ প্ৰকৃত সৌন্দৰ্য্য ভোগ কৰিব পাৰে । "

— চৰ্দাৰ বল্লভ ভাই পেটেল —

৯) " পৰিশ্ৰমী আৰু মিতব্যয়ী হোৱা , ধনী হ'বা। সংযত আৰু মিতাচাৰী হোৱা, স্বাস্থ্যবান হ'বা। সকলো কথাতে নিষ্ঠাবান হোৱা, সুখী হ'বা । "

— বেঞ্জামিন ফ্ৰেংকলিন —

১০) " আত্ম-সমৰ্পণ আৰু প্ৰেম কেতিয়াও একে হ'ব নোৱাৰে । প্ৰেমৰ ক্ষেত্ৰত দাবী নেখাটে । তুমি এগৰাকী নাৰীৰ শৰীৰটো ভাল পালেই নহ'ব। সেয়া প্ৰেমেই নহয় ঃ তুমি সেই নাৰীক পূৰ্ণভাৱে ভাল পাব লাগিব । "

— অমৃতা প্ৰিতম —

সংগ্ৰাহক ঃ শ্ৰীতুতুল কুমাৰ দাস
স্নাতক দ্বিতীয় বৰ্ষ

❑❑❑

# " মহৎলোকৰ বাণী "

১) যি সকলে স্বাধীনতাক ভাল পাওঁ বুলি কয় অথচ আন্দোলন বা বিৰোধিত কৰে তেওঁলোক হ'ল বিজুলী ঢেবেকণী নোহোৱাকৈ বৰষুণ বিচৰা মানুহ।

— ডগলছ —

২) লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম, কিন্তু নিজক পবিত্ৰ কৰাটো তাতোকৈ বুদ্ধিমানৰ কাম।

— মহাত্মা গান্ধী —

৩) ভাল বিচৰাটো দানবীয়, ভাল কৰাটো মানবীয় আৰু ভাল হোৱাটো স্বৰ্গীয়।

— জেচন মাটিন —

৪) প্ৰকৃতাৰ্থত শক্তিশালী মনৰ অধিকাৰী বুলি তেওঁকেই কোৱা হয় যিয়ে সৰু - বৰ সকলোকে সমানে আদৰি ল'বপাৰে।

— ছেমুৱেল জনছন —

৫) যি পিতৃৰ শাসনৰ অন্তৰালত স্নেহ থাকে আৰু যি মাতৃৰ স্নেহৰ অন্তৰালত শাসন থাকে, তেনে পিতৃ মাতৃয়েহে সন্তানক মানুহ কৰিব পাৰে।

— ছিডনি হেকিছ —

৬) মূৰ্খ লোকে সুন্দৰ পোছাকেৰে তেতিয়ালৈকে সভাত সন্মান পায়, যেতিয়ালৈকে তেওঁ কথা নকয়।

— চানক্য —

৭) সাক্ষৰতাৰ আৱশ্যকীয়। কিন্তু কেৱল সাক্ষৰতাই শিক্ষা নহয়। যদি মানুহৰ শিক্ষাৰ লগত জ্ঞানৰ সংযোগ নাথাকে তেন্তে তেনে শিক্ষাৰ অভিশাপহে হয়।

— ৰাধাকৃষ্ণণ —

৮) লৰা - ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে, ভদ্ৰলোক বা ভদ্ৰমহিলা হ'বলৈ নহয়।

— পদ্মনাথ গোঁহাঞি বৰুৱা —

৯) পৃথিবীৰ ভিতৰত আটাইতকৈ সহজে ঠগাব পৰা লোক জন হ'ল নিজেই।

— বুলবাৰ লিটন —

১০) জঘন্য জিভাৰ সমান আঘাত তৰোৱালেও কৰিব নোৱাৰে।


— পি, চিডনি —

সংগ্ৰাহিকা ঃ আছিয়া বেগম
প্ৰথম বাৰ্ষিক

□□□



## খাগৰিজান মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকল



বাওঁফালৰ পৰা বহি থকা - অধ্যাপক জোনাৰাম নাথ, অধ্যাপক আব্দুল হালাম, অধ্যাপিকা হেলিমা চুলতানা খন্দকাৰ, অধ্যাপিকা বেনু মহন্ত বাজখোৱা, অধ্যাপক কৃষ্ণ চন্দ্ৰ মাঝি, অধ্যাপক অৰুণ বিকাশ দত্ত, অধ্যক্ষ তপন চন্দ্ৰ বৰা, অধ্যাপক লুৎফুৰ ৰহমান, অধ্যাপিকা চিত্ৰা বৰা, অধ্যাপিকা মামনি ভূঞা, অধ্যাপিকা ৰীতা শইকীয়া, অধ্যাপিকা জয়শ্ৰী চৌধুৰী।

বাওঁফালৰ পৰা থিয় হৈ - শ্ৰীপূৰ্ণকান্ত শইকীয়া, (৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী) শ্ৰীটিকেন্দ্ৰ নাথ দাস (৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী)

ফটোত অনুপস্থিত - অধ্যাপিকা কমা দত্ত, কবিতা গোস্বামী, নিতা শইকীয়া, শ্ৰীপোনাৰাম বৰা (মূখ্য কাৰ্যালয় সহায়ক) শ্ৰীদিগেন চন্দ্ৰ বৰা (কাৰ্যালয় সহায়ক), শ্ৰীনৱেন শইকীয়া (কাৰ্যালয় সহায়ক), শ্ৰীকণলৰা বৰা (৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী)

## খাগৰিজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতি



বাওঁফালৰ পৰা বহি থকা - অধ্যাপক আব্দুল ছালাম, (তত্বাবধায়ক ছাত্ৰ জিৰণি কোঠা), অধ্যাপক কৃষ্ণ চন্দ্ৰ মাজি (তত্বাবধায়ক কলেজ ইউনিয়ন আৰু সাংস্কৃতিক বিভাগ) অধ্যক্ষ তগৰ চন্দ্ৰ বৰা, (সভাপতি), অধ্যাপক লুটফুৰ ৰহমান (তত্বাবধায়ক ক্ৰীড়া বিভাগ), অধ্যাপিকাচিত্ৰা বৰা (তত্বাবধায়িকা ছাত্ৰী জিৰণি কোঠা), অধ্যাপক জোনাৰাম নাথ (তত্বাবধায়ক মহাবিদ্যালয় আলোচনী)

বাওঁফালৰ পৰা থিয় হৈ - শ্ৰীদীপক কুমাৰ বৰা (সাধাৰণ সম্পাদক), শ্ৰীমিঠু ৰাহা ৰয় (সহঃ সম্পাদক ক্ৰীড়া বিভাগ), শ্ৰীতুতুল কুমাৰ দাস (সম্পাদক, কলেজ আলোচনী), মফিজউদ্দীন আহমেদ (শ্ৰেণী প্ৰতিনিধি,) ৰফিকুল আলম (শ্ৰেণী প্ৰতিনিধি), শ্ৰীগোলাপ চন্দ্ৰ দাস (সহঃ সাধাৰণ সম্পাদক), শ্ৰীজিতেন্দ্ৰ নাথ কলিতা (শ্ৰেণী প্ৰতিনিধি), শ্ৰীজোনমণি দাস (সম্পাদক, সাংস্কৃতিক বিভাগ), শ্ৰীনিভা কুমাৰী বৰা সম্পাদিকা ছাত্ৰী জিৰণি কোঠা)

অনুপস্থিত - শ্ৰীলক্ষ্মী প্ৰসাদ কলিতা (সম্পাদক, ক্ৰীড়া বিভাগ), শ্ৰীপ্ৰবীন বৰা (সম্পাদক ছাত্ৰ জিৰণি কোঠা), ইমৰান হুচেইন লস্কৰ (শ্ৰেণী প্ৰতিনিধি)

## আলোচনী সম্পাদনা সমিতি




বাওঁফালৰ পৰা বহি থকা - অধ্যাপক কৃষ্ণ চন্দ্ৰ মাজি (তত্বাবধায়ক) অধ্যাপিকা ৰেণু মহন্ত ৰাজখোৱা (তত্বাবধায়িকা), অধ্যক্ষ তগৰ চন্দ্ৰ বৰা (সভাপতি).
অধ্যাপক আব্দুল ছালাম (তত্বাবধায়ক) অধ্যাপক লুটফুৰ ৰহমান (তত্বাবধায়ক), অধ্যাপক জোনাৰাম নাথ (তত্বাবধায়ক)

বাওঁফালৰ পৰা থিয় হৈ - শ্ৰীদীপক কুমাৰ বৰা (সাধাৰণ সম্পাদক, সদস্য) শ্ৰীনিভা কুমাৰী বৰা (সদস্যা) **শ্ৰীতুতুল কুমাৰ দাস**(আলোচনী সম্পাদক)

# 'জুইৰ" মাজত "মই'

শ্ৰীবিষ্ণু বৰঠাকুৰ
স্নাতক ৩য় বাৰ্ষিক



এদিন নিশা দানৱে আহি
মোৰ চাৰিওফালে
জ্বলাই দিলে "জুই",


সজাঁ ভাঙি লৈ গ'ল
মোৰ মৰমৰ
বগা চৰাই জনীক ।

থাকি গ'ল মাথো
কেইটি মান পাখি
স্মৃতিৰ বাবে,

দানৱৰ হাতৰ পৰশ পাই
বগা চৰাই জনীও হ'ল "দানৱিনী"
মোৰ বুকুত এটি আচোঁৰ মাৰি গুছি গ'ল ।


নিগৰি ওলোৱা তেজ
বগা পাখিটিৰে
মচি পেলালো,

এতিয়া মাথো আছে
মোৰ হাতত
এটি সত্যৰ "চিন" ।।



# আহ্বান

বাছিৰ উদ্দিন আহমেদ
(স্নাতক ৩য় বৰ্ষ)



আমি বোলে শ্ৰেষ্ঠ মানুহ ,
ন্যায় অন্যায় একো নাজানো ,
ধৰ্মান্ধতাৰ কথা সদায় শুনো ,
তথাপিও আমি বোলে শ্ৰেষ্ঠ মানুহ ।

আমি বোলে সম্পূৰ্ণ পৰিবৰ্তনশীল ,
জাতি ভেদ প্ৰথা আৰু অন্ধবিশ্বাস ,
সকলো আছে সকলো আছিল ,
তথাপিও আমি বোলে পৰিবৰ্তনশীল ।

আমি বোলে উন্নতি লভিছোঁ ,
উচ্চ-নীচৰ প্ৰভেদ হানিছোঁ ,
মানুহে মানুহে যুদ্ধ কৰিছোঁ ,
তথাপিও আমি বোলে উন্নতি লভিছোঁ ।

আমি বোলে সংস্কাৰ সাধিছোঁ ,
ধংসাত্মক যন্ত্ৰৰ আবিস্কাৰ কৰিছোঁ ,
পৃথিবীলৈ অন্ধকাৰ মাতি আনিছোঁ ,
তথাপিও আমি বোলে সংস্কাৰ সাধিছোঁ ।

আমি বোলে শান্তি বিচাৰোঁ ,
তেন্তে আহা ধৰ্মান্ধতা পৰিহাৰ কৰো ,
সকলোৰে মানৱ ধৰ্মকে গ্ৰহণ কৰো ,
যদি আমি শান্তি বিচাৰোঁ ।

ওলাই আহা যুৱক-যুৱতী সকল ,
শান্তি প্ৰতিষ্ঠাত হও মকৰল ,
একেই আল্লাহ একেই ভগৱান ,
গাওঁ আমি তেওঁৰেই গান ।।



# প্ৰেমৰ সাকোঁৰেদি

*শ্ৰীনিৰ্ম্মালী কলিতা*
*স্নাতক ২য় বাৰ্ষিক*

(১)


*তুমি উচুপিলেই*
*মই দৌৰি যাওঁ **কাঁইটনিৰ** মাজেৰে ;*

(২)

*চকুলোৰে সেমেকা বাটৰ সিক্ত হৃদয়*
*এনিশা হিমত তিতি*
*শেৱালি ক সুধিবাচোন*
*মোৰ কলিজাৰ বতৰা ।*

(৩)

*আৱৰণ খুলি হৃদয় পিন্ধি লোৱা*
*প্ৰেমৰ 'সাকোঁৰেদি মাটিলৈকে*
*বৈ পৰিব আকাশ ।*





# জীৱন

ইতিভেন শইকীয়া
স্নাতক ২য় বাৰ্ষিক

জীৱন ! মাথো এক সংগ্ৰাম
জটিলতা শিথিলতা আৰু দৃঢ়তাৰে
আগবঢ়া এটি সঁচা জীৱন !
সৌন্দৰ্য্য বোধ ?
হৃদয়ৰ আবৃত অংশৰ কামনা সিক্ত
জীৱনৰ এটি অবিনশ্বৰ শক্তি ।

প্ৰেৰণাৰ আসক্ত হই
প্ৰেমৰ আজলি নলবা বুটলি
চিৰশক্তিৰ বৰলুইত খনি
বিচাৰি পাবা কান্তি পৰত
ধৈৰ্য্য মাথো ধৈৰ্য্য !

ধৈৰ্য্য নহলে নহব কাৰ্য্য
বিচাৰি নাপাবা জীৱন যুদ্ধত
এটি সঁচা জীৱনৰ প্ৰাচুৰ্য্য ।।




# শৰৎ

শ্ৰীআইমণি বৰা
৩য় বাৰ্ষিক (স্নাতক)

শৰতৰ শেৱালিৰ মধুৰ সুবাসে
মোৰ মন মতলীয়া কৰে ,
শৰতৰ পথাৰৰ সেউজীয়া ধাননিয়ে
প্ৰাণত প্ৰীতিৰ জোৱাৰ তোলে ।

প্ৰাণ চঞ্চলা এই
শৰতৰ সেউজীয়া ধাননি
দুহাত মেলি আহ্বণ জনায়
বাটৰুৱা বোৰক ।

আহা ! কাষচাপি আহা
দুহাত মেলি আলিংগন কৰা
মোৰ বাবে এইয়াই যেন
জীৱনৰ শুভ মুহূৰ্ত ।।



# বৰ্তমান

মিঠু ৰাহা ৰায়।
স্নাতক ২য় বাৰ্ষি

মই প্ৰায়েই অস্থিৰ হৈ থাকো
জুয়ে পোৰা পথাৰ
উছন যোৱা ঘৰৰ ভেটিত ,
বিধ্বস্ত হয় মোৰ মন ।

দিনক্ৰোৰ জটিল হৈ পৰি
হৃদয়হীন হৈ উঠি ছে
মানুহ প্ৰতিজন ।

কোনেও ক'ব নোৱাৰে
কোনটো মুহূৰ্তত
হ'ব পাৰে এবুকু বিদ্ৰোহ ।

প্ৰতিজন মানুহ এতি
ঘটাবলৈ কোলাহল
গৈ আছে ধমাধম ।

প্ৰতিটো মুহূৰ্ত এতিয়া
হিচাপত চলা ভাল
হৃদয়হীন অমানুহে
যিকোনো সময়তে
স্বাৰ্থৰ বাবে
গঢ়ি তুলিব পাৰে
মৃত্যুৰ হাট ।।



# যদি মোক সিহঁতে সোধে

যদি মোক সিহঁতে সোধে তেতিয়া মই কম
ৰত্নগৰ্ভা পৃথিবীৰো নিজস্ব সত্বা আছে
মাতৃৰ বুকুত লিপিত খাই থকা নিঘৃণীয়া শিশুৰো
বৰ্ষাস্নাতা মাটিৰ পলসত গজি উঠা প্ৰতিডাল তৰু-তৃণ।

গছ-লতিকা আৰু অনাথৰো বাসনা আছে
উত্তাল সমূদ্ৰত, মৰু প্ৰান্তৰত পৰিশ্ৰান্ত
কৃষক, শ্ৰমিকৰো প্ৰাণৰ মমতা আছে ।
যদি মোক সিহঁতে সোধে তেতিয়া মই চিঞৰি কম
প্ৰখৰ সূৰ্য্য কিৰণত প্ৰসাৰিত হয় অচেতন শিলা
কম্পনত প্ৰস্ৰব ঘটে অন্তঃসত্বা পৃথিবীৰ লাভা
উষ্ণতাত ক্ষয়িষ্ণু হয় শীতৰ বৰফ
খৰসোঁতত স্খলন ঘটে প্ৰচণ্ড পাহাৰ ।
যদি মোক সিহঁতে সো!ধে তেতিয়া মই বুকুত হাত দি কম

উন্মত্ত সিংহৰ গৰ্জনত পৃথিবা নকঁপে
উদাস এন্ধাৰত নকঁপে নিজন তৰাৰ বুকু
অগ্নিস্ফুলিঙ্গত ভীতি বিহ্বল নহয় শীতৰ শিশু
যদি মোক সি হঁতে সোধে মই কম
মানুহৰ বুকুত এখন সাগৰ আছে
সিহঁতৰ মাজত থকাৰ মোৰ বৰ হেঁপাহ ।





মোঃ নুৰুল হক ।
স্নাতক ১ম বাৰ্ষিক

## কবিতা

# নতুনৰ গান

মোঃ উমৰ আলী
স্নাতক ১ম বৰ্ষ



আমি গাম নতুনৰ গান
নতুন দিনবে নতুন আশাৰ গান
আমি গাম আমি গাম ,
গাৰ্গী মৈত্ৰিয়ী 'দেৱীৰ
আমি গাম নতুনৰ গান
নতুন পুৱণিয়ে দিব আমাক প্ৰাণ
আমি গাম নতুনৰ গান ।

অস্পৃশ্যতাক থৈ আঁতৰাই
এন্ধাৰৰ ভেটা ভাঙি যাম পোহৰাই
হিংসা দ্বেষ যাম পাহৰি ভেদাভেদৰ প্ৰাচীৰ ভাঙি
মাতৃ হৃদয় আমাৰ স্নেহেৰে আবৰি
মানৱতাক দিম সহাঁৰি
আমি গাই যাম নতুনৰ গান ।

আমাৰ দেশৰ আদৰ্শৰে ,
আমাৰ দেশৰ প্ৰেৰণাৰে উদ্ভাসিত সন্তান
আমি গাই যাম নতুনৰ গান
আমি গাম নতুনৰ গান।

জগত সভাত আজি ভাৰতীয় শীৰ্ষ স্থান
সাম্য মৈত্ৰী বিশ্ব শান্তিৰ জয় গান
আমি ৰাখিম দেশৰে মান
আমি গাম নৱ প্ৰভাতৰ গান
আমি গাই যাম নতুনৰ গান
আমি গাম নতুনৰ গান ।।



# " শ্বহিদৰ প্ৰতি "

শ্ৰীকৃষ্ণ দাস
স্নাতক ১ম বৰ্ষ

হে দেশ মাতৃৰ তুমি বীৰ সন্তান
দেশ জননীৰ শৃঙ্খল মোচনত
কৰিলা জীৱন দান ।

ধন্য তোমাৰ জনম ধন্য
নাই কোনো তোমাৰ সমতুল্য
হে দেশমাতৃৰ প্ৰকৃত সন্তান ।

বিদেশীৰ সতে দিলা তুমি ৰণ ,
স্বাধীন কৰিবা একেটাই পণ ,
শোষকৰ পৰা কৰিবা মুক্তি —
দি হঁ্যলেও জীৱন ।

মাতৃৰ শিৰৰ পৰাধীনতাৰ গ্লানি
দূৰ কৰিলা তুমি,
সহস্ৰকোটি প্ৰণাম অৰ্পিছো
তোমাৰ চৰণত আমি ।

সেৱাৰ বাহিৰে তোমাক আমাৰ
দিবলৈ একোৱেই নাই
হৃদয় বুৰঞ্জীত সদায় তুমি
থাকিবা জীয়াই ।

অথলে যোৱা নাই তোমাৰ —
জীৱন বলিদান ,
মুক্তি লভিছে কোটি সন্তান
স্বাধীন মাৰ্গত আগবাঢ়িছে
কৰি তৱ জয়গান ।

জিলিকি থকিবা আকাশত তুমি
নৱউজ্জ্বল, তৰেকা হৈ
পথ নিৰ্দেশ কৰিবা আমাক
তোমাৰ জীৱন ত্যাগৰ স্মৃতি
আদৰ্শ ৰশ্মি হৈ ।।

গল্প

# সূৰুযমুখী



" এডৰ্ভাটাই জমেন্ট" টো "এম্পপ্লয়মেন্ট নিউজত" ওলাইছিল । পদৰ সংখ্যা মাত্ৰ পাচঁটা , যোগ্যতা এপ্লাইড মেথমেটিকচত স্নাতকোত্তৰ হ'ব লাগে, দৰমহাৰ নিৰিখ পচিঁশ শ টকা মাহিলি লগত মেডিকেল, ................ ইত্যাদি।

বৰ উচ্ছ্বাসিত হৈছিলো এডৰ্ভাটাইজমেন্টটো পায়। বহু কল্পনা কৰিছিলো। খবৰটো পায়েই পিছদিনা মেট্ৰিকৰ-পৰা আদি কৰি পি, জিৰ লৈকে গোটেইবোৰ মাৰ্কছিট, ছাৰ্টিফিকেট, এডমিট ফটোষ্টেট কৰি আনিছিলো। প্ৰয়োজন হয়তো সকলোবোৰৰ নাছিল। কিন্তু তথাপিও আনিছিলো..।

লাষ্ট ডেটলৈ আৰু এমাহ আছিল। তেতিয়াই মই এনভল'প এটা পষ্ট অফিচৰ ৰঙা টিংটোৰ পেটত পেলাই থৈ আহিছিলো। এটা কম্পিউটাৰ, এটা গোলক, এজন ক্ৰিকেট খেলুৱৈ , এজন ৰাজনীতিবিদ আদিৰ অস্পষ্ট চবিৰ ওপৰত স্পষ্ট ভাৱে আৰি থোৱা এজন ব্যস্ত, হাতত কলম লৈ থকা চশমা পিন্ধা এজন ডেকাৰ ছবি থকা ধুনীয়া ৰঙীন বেটুপাতৰ কেইখনমান কিতাপ আনি বেটুপাতৰ ডেকাৰ দৰে ব্যস্ত হৈ পৰিছিলো। কিন্তু মোৰ সাজ-সজ্জা সেই ডেকাৰ দৰে অভিজাত্যপূৰ্ণ নাছিল ।

**দিনবোৰৰ ভাৱবোৰ** যেন চুটি হৈ গৈছিল । ব্যস্ততাৰ মাজতে **সুৰুঙা** পালেই বহুতো কল্পনা কৰো। মই মাহে পাঁচ হেজাৰ মানকৈ বেতন পাম, তাৰে ঘৰলৈ দুহেজাৰ পঠাম , মোৰ নামত বেংক একাউন্ট এটা খুলিম, লাহে লাহে মোৰ প্ৰমোচন হ'ব, বেতন বাঢ়িব, হ'ব লগা বিয়াখন হ'ব ............... আৰু বহুতো ।

শ্ৰীমনালিচা বৰুৱা

স্নাতক ৩য় বাৰ্ষিক



এই কল্পনাবোৰক লৈ বহু চিন্তা কৰো , লৰালিৰ দিনবোৰৰ কথা ভবো।

বাগদত্তা জ্যোতি, মানে জ্যোতিৰূপা বৰবৰুৱা। আমাৰ ঘৰলৈ সঘনাই আহে । মোৰ তাইৰ লগত কথা পাতিবলৈ মন যায়, কিন্তু নাপাতো । তাই মোৰ ওচৰলৈ আহি মই পঢ়ি থকা চায় । মই এটা ব্যস্ততা পূৰ্ণ হাঁহি মাৰি সহাৰি জনাও । তাই গুচি যায় । এনেকৈ নিতৌ যোৱাৰ আগতে মোক মাত দিয়ে।

এদিন পিয়নটোৱে এটা খাম মোক দি গ'ল। ঠিকনাৰ আখৰকেইটা মই লিখা, সেয়ে ক'ৰ চিঠি বুজিবলৈ আৰু মোৰ সময় নেলাগিল। খামটোৰ পৰা মই কাগজখন উলিয়াই একে উশাহে পঢ়িলো। ইন্টৰভিউ গুৱাহাটীত হ'ব, আঠাইশ আগষ্ট দেওঁবাৰে, পুৱা দহ বজাৰপৰা। মই একেকোবে জ্যোতিহঁতৰ ঘৰ পালোগৈ । ঘৰত কোনো নাছিল। তাই মোৰ হাতৰ খামটো দেখি কিবা অঘটন ঘটিছে বুলি ভাবিছিল।

কলিং লেটাৰ পোৱাৰ পাছৰেপৰা, মোৰ ব্যস্ততা দুগুণে চৰিব ধৰিলে । পঢ়া টেবুলখনতযে কত কিতাপৰ দ'ম ! পঢ়া টেবুলৰ ওচৰৰপৰা লৰচৰ কৰিব নোৱাৰাৰ দৰে হ'লো। Competition Success, Competition Refresher, India Today, Frontier, Sahara India আদি বহু আলোচনীৰে মোৰ টেবুলখন ভৰি পৰিল । আবেলি চাৰিআলিলৈ ক্ষন্তেক যাবলৈও সময়ৰ নাটনি । অকণমান সময় এনেয়ে গ'লেই মই চাকৰীটো যেন নাপাম এনে অনুভৱ হৈছিল। বিভিন্ন আলোচনী, কাকতত দিয়া বিভিন্ন Successful Candidate ৰ সাক্ষাৎকাৰবোৰ পঢ়ো।

এজন কেণ্ডিডেটে পঢ়াৰ সময়ৰ ওপৰত কোৱা "Quality of time not Quantity of time" কথাষাৰ শিৰোগত কৰিয়েই অলপ বেছি মনোযোগেৰে পঢ়িবৰ যত্ন কৰিলো। মাজে মাজে ইন্টাৰভিউত আহিব লগীয়া প্ৰশ্নৰ কথা ভাবি ব্যগ্ৰ হৈ পৰো। মেথেমেটিকছৰ ভিতৰতে যদি আহে Hydro dyanamic ৰ পৰা Mathematical logic ৰ লৈ যিকোনো প্ৰশ্ন বেচিকৈ পাৰিম বুলি মোৰ দৃঢ়বিশ্বাস । ৰেকৰ্ডবোৰ ওপৰত বেচ কৰিলে অসুবিধা নহ'ব, কাৰণ মোৰ পিছত ৮১% আছে । কিন্তু যদি History বা Economics ৰ ওপৰত কিবা আহে , লিখিব যে পাৰিম তাত মোৰ সন্দেহ হয় । কাৰেন্ট এফেয়াৰ্ছৰ ওপৰত যিকোনো Question মই ফেছ কৰিব পাৰিম। Question ৰ কথা চিন্তা কৰি Quality of time উন্নত কৰিবলৈ চেষ্টা কৰো।

মোৰ এই ব্যস্ততাৰ লগতে দেউতা আৰু জ্যোতি সমানেই ব্যস্ত হৈ পৰিছে । দেউতাই মোৰ বাবেএযোৰ নতুন চাৰ্ট পেন্ট চিলাবলৈ দিছে , লগতে এডাল ষ্ট্ৰিপ থকা "টাই" কিনি আনিছে আৰু নতুন ধৰণৰ কিতাপো আনিছে। ভাত পানী দেউতাই সদায় মোক সদ্যহতে ৰান্ধি খুৱায়। সময় মতে মোক খাবলৈ দিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে । আনফালেদি জ্যোতি আহি দিনৰ দিনটো থাকি দেউতাৰ লগতে লাচনি পাচনিখন কৰে । গোটেই ঘৰখনতেই যেন এটা ব্যস্ততা পূৰ্ণ পৰিবেশ । দেউতাই জ্যোতিৰ সুশ্ৰূসাত নিজকেই গৌৰান্বিত অনুভৱ কৰে । দেউতাৰ জ্যোতিক বৰ ভাল লাগে। সেয়ে নিজৰ পুতেকৰ বাবে উপযুক্ত বুলি মানি নিজৰ বোৱাৰী কৰিবৰ মন কৰিলে। লাহে লাহে তেওঁ জ্যোতিক 'বোৱাৰী' বুলিবলৈ আৰম্ভকৰে। প্ৰথম দুদিন মান যদিও তাইক 'বোৱাৰী' বোলোতে ৰাতিপোৱাৰ সূৰ্য্যটোৰ দৰে ৰঙা হৈ পৰিছিল পিছলৈ কিন্তু সকলোবোৰ স্বাভাৱিক হৈ পৰে। দেউতাই তাইক বোৱাৰী বুলি মাতিলে মাত দিয়া হৈছে।

ইন্টাৰভিউলৈ মাজত মাত্ৰ দুদিন বাকী । মোৰ ব্যস্ততা সম্পূৰ্ণ টুংগত উঠে । দেউতাই মোৰ কাপোৰযোৰৰ লগতে জ্যোতিৰ অনুৰোধ ক্ৰমে বুট, মণ্ড, কল আদি আনে। জ্যোতিয়ে ইন্টাৰভিউৰ আগদিনা পুৱাতে আমাৰ ঘৰলৈ আহে। কিন্তু জ্যোতিৰ পোচাক যোৰ আছিল আজি শুভ্ৰ আৰু নিকা, তাই চিধায়ে আগদিনা বাচি থোৱা বুট, মণ্ড আদি তিয়াই থয়। মোৰ দেখি ভাল লাগে। তাইক ওচৰলৈ মাতি আনি বহুতো কথাক'বলৈ আৰু সুধিবলৈ উৎকণ্ঠা ওপজে। একোবত টেবুলত বহি কিতাপ বিলাক আকৌ এবাৰ চাওঁ বুলি খৰকৈ পাতবোৰ লুটিয়াই চকু ফুৰাও। মাজতে জ্যোতিয়ে চাহ দি যায়হি। অলপ সংকোচ ভাৱেৰে কয়, 'চাহ খাওঁ' । মোৰো শুনি বৰ ভাল লাগে। তাই গৈ দেউতাৰ লগত কথা পাতে যেন তাই এই ঘৰখনৰ এজনী বহু পুৰণি বোৱাৰী .........।

দিনটোৰ সময়বোৰ কেনেকৈ পাৰ হৈ গৈছে মই তলকিবই নোৱাৰো । মাথো কিতাপবোৰৰ কথাকে মনত ৰাখিব চেষ্টা কৰিছো। মই যেতিয়া পি, জি ফাইনেল দিও তেতিয়াও সেই একেটা পৰিবেশেই সৃষ্টি হৈছিল । অৱশ্যে তেতিয়া জ্যোতিৰ ঠাইকণ 'আই' য়ে লৈছিল।

লাহে লাহে ৰবিৰ কিৰণৰ প্ৰাচুৰ্য্যতা কমি আহিল। মোৰ অনাগত অগ্নি পৰীক্ষাৰ সময়ো কাষ চাপি আহে। এটা সময়ত বেলি ডুব যায় । জ্যোতি আহি আমাৰ ঘৰ পায়। বুট, মগু ধোৱাত তাই ব্যস্ত হৈ পৰে , মুখেৰে এফাকি ঘোষাও গুন গুনাই থাকে। দেউতায়ে গোঁসাই ঘৰত সোমাই ধূপ, ধূনা, বন্তি জ্বলায়। জ্যোতিয়ে প্ৰসাদখিনি দেউতাৰ হাতত দিয়ে। দেউতাই সেৱা এটি কৰি থাপনাৰ কাষতে থৈ, পুথি দুপাত মান পাঠ কৰে। ওচৰতে থকা দুজনমান ভকতেও সেৱা লয়। এটা সময়ত দেউতাৰ পুথি পঢ়া শেষ হয় আৰু দেউতাৰ অনুমতি ক্ৰমে জ্যোতিয়ে মোক সেৱা ল'বলৈ মাতেহি।আশীৰ্বাদ লৈ পুনৰ মই পঢ়াত ব্যস্ত হওঁ । জ্যোতিয়ে মোক প্ৰসাদ দি যায়হি। সন্ধিয়াটো ক্ৰমে গভীৰ হৈ আহে, ঘড়ীৰ পেণ্ডুলামৰ শব্দ দ্ৰুততৰ হয়। নিশা হয়, পুৱালৈ বুলি বিচনাত অপেক্ষা কৰো ।

পুৱা মই স্বাভাৱিকভাৱে অস্বাভাৱিক সময়ত সাৰ পাওঁ। গোটেই পৃথিবীখন তেতিয়া আন্ধাৰত নিমজ্জিত। মই পঢ়া আৰম্ভ কৰি দিও। ক্ৰমান্বয়ে পোহৰ হৈ আহিল আৰু দেউতাই চাহ বনাই মোক চাহ দি যায়। চাহ খাই গাটো পখালি পুৱা চাৰে পাঁচ বজাত বাছ ষ্টেন্ড পাওঁ। মোৰ লগত দেউতা যায়। যোৱাৰ সময়ত জ্যোতিয়ে ৰুমাল এখন দিয়েহি। আলফুলকৈ পকেটত ভৰাই লওঁ। গাড়ীৰ চিটত বহি এখন কিতাপ চাওঁ মনোযোগ বিহীনভাৱে কিন্তু মনোযোগেৰে সঘনাই চাওঁ ঘড়ীটো। আমাৰ গাড়ীখন গৈ গন্তব্য স্থান পায়গৈ আৰু মই আমবাৰীলৈ বুলি ৰিক্সা লওঁ। দহ বজাৰ লগে লগে আমাৰ পৰীক্ষা আৰম্ভ হয়। প্ৰতিটো প্ৰশ্নৰ উত্তৰ মই সুন্দৰকৈ নিখচি মাৰি কৰি যাব ধৰিলো। আমাৰ পৰীক্ষা শেষ হ'ল চাৰি মান বজাত। ঘৰলৈ আহি ভাগৰত গোটেই শৰীৰটো বিচনাত এৰি দিলো। তাৰ লগে লগে দেউতা আৰু জ্যোতিৰ সহস্ৰ প্ৰশ্নৰ উত্তৰ দি গ'লো।

দিনবোৰ ক্ৰমাত অতি দ্ৰুতভাৱে পাৰ হৈ যাব ধৰে। জ্যোতিৰ লগত মোৰ সময়বোৰ জড়িত কৰিবলৈ দে মন মেলে। মোৰ আপত্তি একো নাথাকে। আমাৰ সম যুগ্ম হৈ পৰে। মই সদায় নিয়মিয়াকৈ এমপ্লয়মেন্ট চাওঁ। ৰিজাল্টলৈ অধীৰ আগ্ৰহেৰে বাট চাই থাকো। মোৰ ৰিজাল্ট ওলাল। মই পোৱা নাই। মই সম্পূৰ্ণ বি পৰো। ঘৰত থাকিবৰ মন নোযোৱা হয়। চাৰি আলিৰ চাওতে দিনটো কটাও।

দিনবোৰ যেন কিবা নেযায় নুপুৰাই ল জীৱনলৈ বিতৃষ্ণা উপজা হ'ল। মোৰ ৰিজাল্টৰ আ ঘৰলৈ গৈছে। উভতি অহা নাই। হয়তো মো দিগন্তত বিৰিঙি উঠা আন্ধাৰ খিনিলৈ চায় তাই উ সাহ কৰা নাই। মোৰ চাকৰিটোৰ বাবে দেউতাই টকা কোনোবা এজন বিধায়কক দিব বিচাৰিছিল। দিছিলো। ভাবিছিলো মেৰিট্ বেচিচ ইন্টাৰভিউ পাবই লাগিব। কিন্তু পইচাৰ লোভে যেতিয়া মানবীয়তা দায়বদ্ধশীলতা, এই আটাইবোৰ ৰো পেলালে তেতিয়া মোৰ মানবীয়তাই পৰাজয় বৰ দেউতাই বহুবাৰ বহুকথা কৈ মোক প্ৰবোধ দিব কৰিলে। মোক এ,ছি,এছ (Assam Civil Se দিবলৈ ক'লে আৰু সেইমতে ফৰ্ম ফিলাপো কৰিলে

পৰীক্ষালৈ মাথো আৰু এসপ্তাহ বাকী চিনাকি কিতাপবোৰকে অলসভাৱে বিচনাত প জ্যোতিৰ চিঠি আহে। কিন্তু চিঠিত জ্যোতি বুলিব নাথাকে । পৰীক্ষা দিওঁ ভাই-ভা-টেষ্টৰ কলিং লেটা লগে লগে দেউতাই টকা পইচাক লৈ ব্যস্ত হৈ পৰে গৈ বিধায়ককো লগ ধৰেগৈ। মই ভাই-ভা-ষ্টেট দি বোৰ নিৰসভাৱে মুখৰ পৰা বাহিৰ হয়। এদিন ৰিজাল্ট ওলাল , মোৰ নামটো তৃতীয় স্থানত আছে। লগৰ কেইজনমান মানুহৰ অনুৰোধত তেওঁলোকক চা খুৱায়। মই মাথো নিৰুত্তাপভাৱে মৌনতাৰ লগত যুঁ বিচনাত পৰি থাকো। মোৰ পষ্টিং এছ, ডি, ছি হিচা অলসভাৱে চাকৰী জীৱন পাৰ কৰো। জ্যোতি ঘৰলৈ আহে , উভতি নাহে পিছে মোৰ মনৰ আনন্দ।

চাকৰিটো কৰি নিজকে ব্যস্ত ৰাখো। পৰিৱেশটো মৌন হৈয়ে থাকে। মোৰ দৰমহা টকাৰ



আজি মোৰ প্ৰমোচন লেটাৰ আহিছে। মই এতিয়া ,ডি,ছি। দেউতা আৰু জ্যোতি উচ্ছাসিত , আনন্দত আত্মহাৰা। তেওঁলোক সূৰুযমুখী হৈ পৰিছে। কিন্তু মই ....। টকা ৰাখি বাকী খিনিৰে দেউতাক সন্টোষ্ট ৰাখিব চেষ্টা কৰো। দেউতায়ে মোৰ আৰু জ্যোতিৰ নামত এটাকৈ একাউন্ট খোলে। দিনবোৰ বাগৰিব ধৰিলে। আৰু ............।

□□□

এটা সাক্ষাৎকাৰ। বাচনি সমিতিৰ সদস্য সকলে ক্ষাৎকাৰ লৈ আছে । এজন প্ৰাৰ্থীক সুধিলো ।

প্ৰশ্ন : " ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতিজনৰ নাম কি ?"

ত্তৰ : " ড°.ৰাজেন্দ্ৰ প্ৰসাদ । "

প্ৰশ্ন : " ইংৰাজে কিমান বছৰ ভাৰতত ৰাজত্ব কৰিছিল ?"

ত্তৰ : " দুশ বছৰ । "

প্ৰশ্ন : " দুহেজাৰ চনৰ ভিতৰত ভাৰতৰ সকলো মানুহেই সাক্ষৰ হ'ব বুলি তুমি ভাৱানে ?"

ত্তৰ : " মানুহে কয় , কিন্তু মই বিশ্বাস নকৰো ।"

আটাইকেইটা উত্তৰত সন্তুষ্ট হৈ তেওঁক যাবলৈ লে। ইয়াৰ পিচৰ প্ৰাৰ্থীজনে আগৰজনক দুৱাৰ মুখতে ধলে , " তোমাক কি কি সুধিছিল ?" আগৰজনে ক'লে, প্ৰশ্নবোৰ বৰ দীঘলীয়া , উত্তৰ কেইটাকে জানি লোৱা । " ই বুলি কৈ উত্তৰ কেইটা কৈ দিলে , " ড° ৰাজেন্দ্ৰ প্ৰসাদ, তীয়টো দুশ বছৰ আৰু তৃতীয় উত্তৰটো মানুহে কয় , কিন্তু বিশ্বাস নকৰো ।" তেওঁ উত্তৰ কেইটা মনত পেলাই গৈ ক্ষাৎকাৰৰ কাৰণে বহিল ।

প্ৰশ্ন : " তোমাৰ নাম কি ? "

ত্তৰ : " মোৰ নাম ড° ৰাজেন্দ্ৰ প্ৰসাদ । "

প্ৰশ্ন : " তোমাৰ বয়স কিমান ?"

ত্তৰ : " দুশ বছৰ ।"

প্ৰশ্ন : " তুমি পাগল নেকি ? "

ত্তৰ : " মানুহে কয়., কিন্তু মই বিশ্বাস নকৰো।"

# হাঁহি নিষেধ



শিক্ষক : " জিতেন , মই তোমাক এটা পাঠ মুখস্থ কৰিব দিম । মুখস্থ কৰি আহিবা নহ'লে ..........................। "

জিতেন : " কোনটো পাঠ ছাৰ ? "

শিক্ষক : " মাই হেড : মাই হেড্ মানে 'মোৰ মূৰ' : এই পাঠটো । "

জিতেন (ঘৰলৈ গৈ) : " মাই হেড্ মাই হেড্ মানে ছাৰৰ মূৰ। "

জিতেনৰ দেউতাক : " ঐ গৰু , হেড্ মানে ছাৰৰ মূৰ নহয় মোৰ মূৰ । "

পিছদিনা স্কুলত ::


শিক্ষক : " জিতেন , মাই হেড্ মানে কি ? "

জিতেন : " ছাৰ , মাই হেড্ মানে স্কুলত ছাৰৰ মূৰ আৰু ঘৰত দেউতাৰ মূৰ । "

সংগ্ৰাহক : দীপক কুমাৰ বৰা
স্নাতক ২য় বৰ্ষ ।

# ভূত

ভৌতিক গল্প



এম, ইমা
স্নাতক তৃ

গভীৰ নিশা । শ্ৰীমতীয়ে মোক হেচুকি উঠালে । কোনোবাই কলিং বেলটো হেচি ধৰিছে । মই বিচনাৰপৰা উঠি দুৱাৰৰ ফালে আগবাঢ়িব খুজিলো। শ্ৰীমতীয়ে বাধা দি ফুচ্‌ফুচাই কলে , কি যে তুমি ! বাহিৰত যি কৰে কৰি থাকক , দুৱাৰ নুখুলিবা । নাজানা জানো, আজি কালি ডকাইতি, অপহৰণ ................। কলিং বন্ধ হ'ল। দুৱাৰত আঘাত চলিল। মই থতমত খালো । শঙ্কা ভ আগুৰিব ধৰিলে । খিৰিকিৰে আগ বাৰান্দাত চকু ফু এজন মানুহে উত্তেজিত ভাৱে দুৱাৰত আঘাত কৰি উপায়বিহীন অৱস্থা। কি কৰা যায়! অলপ সময় চি লাইচেন্স প্ৰাপ্ত পিস্তলটো হাতত লৈ গাত এৰি মেৰিয়াই দুৱাৰখন খুলি দিলো। হুৰমূৰ কৰি মা



ভিতৰত প্ৰবেশ কৰিলে । মোৰ চকু থৰ হ'ল । শ্ৰীমতীৰটো কথাই নাই। এয়া কি? এওঁ যে বিকাশ, শ্ৰীমতীৰ ভায়েক !

বিকাশ তই ? শ্ৰীমতীৰ মুখমণ্ডলত বিষ্ময় ।

বাইদেউ মোক অকণ জিৰণি লবলৈ দে , এই বুলি বিকাশ আৰামী চকীখনত বহি পৰিল।

মোৰ চকুহাল বিকাশৰ চকুত ৰৈ গ'ল। তেওঁৰ ভিতৰখন কিবা এক অবুজ শিহৰণৰ ঢৌ খেলি থকা যেন মোৰ অনুমান হ'ল । বৈদ্যুতিক ছক লগাৰ দৰে ছট ফটাই আছে তেওঁ।

তেওঁ আধা ঘন্টাৰপাছত প্ৰকৃতিস্থ হ'ল। শ্ৰীমতীয়ে গৰম কৰি দিয়া গাখীৰ গিলাছ একেঢোকে শেষ কৰিলে।

মই সুধিলো, বিকাশ তুমি ইমান ৰাতিখন ক'ৰ পৰা ওলালা? বিকাশৰ মুখ মেল খালে। তাৰ পিছত তেওঁ কবলৈ আৰম্ভ কৰিলে।

ঘিটমিটিয়া এন্ধাৰ । বাহিৰত ভীষণ বৰষুণ। একেবাৰে কলহৰ কাণে ঢালিছে । কেনিও কাৰো মাতবোল নাই । কেৱল ধাৰাষাৰ বৰষুণৰ শব্দ। গুৱাহাটীত গাড়ীত উঠি চাৰে ন বজাতে আমি চাৰিআলিটোত নামিলো। আমি মানে, বিক্ৰম আৰু মই। কিন্তু বৰষুণৰ বাবে কলৈকো আগবাঢ়িব পৰা নাই । ইফালে ইয়ালৈ আহিবলৈ আধা ঘন্টাৰ বাট। সেয়ে দুয়ো চাৰি আলিটোত থকা জিৰণি চ'ৰাত সোমালো। সময়বোৰ ক্ৰমাত আগবাঢ়িল । নিশা চাৰে এঘাৰ বাজিল।

বৰষুণ কিছু পাতলিল। বিক্ৰমে মোৰপৰা বিদায় লৈ ঘৰলৈ আগবাঢ়িল। পকেটৰ ৰুমালখনেৰে মূৰটো ঢাকি বিক্ৰমৰ বিপৰীত ৰাস্তাৰে এই ফালে খোজ দিলো। কিছুদুৰ আগবাঢ়ি পিছলৈ উভতি চালো। নাই ! কোনো পথচাৰীৰ সাৰি শব্দ নাই। কালৈকো অপেক্ষা নকৰি অকলেই পিছল বোকাময় ৰাস্তাটোৰে খোপনি পুতি অগ্ৰসৰ হ'বলৈ ধৰিলো, মূল ৰাস্তাটোৰপৰা সুকীয়াকৈ ফাটি যোৱা কবৰণীৰ মাজেদি। পেঞ্চিল টৰ্চৰ পোহৰত মোৰ খোজ আগবাঢ়িল কবৰৰ ফালে।

বৰষুণ সম্পূৰ্ণ এৰিলে। কিন্তু এন্ধাৰ সৰ্বত্ৰ বিৰাজমান। দুখোজমান আগুৱালেই ঝাৰণিডৰা। কাষত কবৰণীখন । আপোনভাৱত আহি আছো। পথটো যেন আচহুৱা লাগিল মোৰ । কিয়নো গভীৰ নিশা এই পথেৰে অহা আজিয়েই প্ৰথম। ক্ৰমে ঝাৰণিডৰাৰ মাজ পালো। গোটেই ঝাৰণিডৰা লগে লগে ঝৰ ঝৰ শব্দ কৰি উঠিল। অকস্মাৎ মোৰ গাটো জিকাৰ খাই গ'ল। অসীম সাহসেৰে চাৰিও ফালে এবাৰ টৰ্চৰ পোহৰ নিক্ষেপ কৰিলো। অকস্মাৎ নিশাৰ নিৰৱতা ফালি চৰাই এজাক "চি চি" শব্দ কৰি চিঞৰি উঠিল। মোৰ মনটো এক অজান শিহৰণত কঁপি উঠিল। তথাপি বিচলিত নহ'লো। ধৰিল'লো মনৰ ভ্ৰম বুলি । কোনো চিন্তা মনলৈ নানি আগতকৈ কিছু খৰ গতিৰে আগলৈ খোজ পেলালো।

ঝাৰণিডৰা এৰি কবৰণীৰ সীমাত ভৰি পেলালো। তেনেতে মোৰ ওপৰেদি "নিউ নিউ" শব্দ কৰি ফেঁচা এটা উৰি গ'ল। কেইখোজমান আগবঢ়াৰ পাছত জোপোহা এটাৰ আঁৰত সৰু সৰু উজ্জ্বল কিবা বস্তু দুটা জিলিকি উঠা মোৰ চকুত পৰিল। মাত্ৰ এখোজ আগবঢ়াৰ লগে লগে জোপোহাটোৰপৰা জন্তু এটা বিকট চিঞৰ মাৰি মোৰ ফালে জপিয়াই পৰিল। মই লগে লগে বহি পৰাত জন্তুটো কিছুদুৰত গৈ লাংখাই পৰিল। জন্তুটোৱে 'মিউ' বুলি শব্দ কৰি হাবিলৈ দৌৰ মাৰিলে। সেয়ে জন্তুটো যে মেকুৰী আছিল তাৰ মাতৰপৰা অনুমান কৰিছিলো।

এক আশাতীত ভয়াবহতা। আজিলৈকে বহু নিশা অকলে ঘুৰি ফুৰিছো। কিন্তু কোনোদিনে এনেকুৱা ভয়াবহ অৱস্থাৰ উদ্ভৱ হোৱা নাছিল। সৰুৰেপৰা ভূত প্ৰেতৰ কথা বিশ্বাস কৰা নাছিলো। কিন্তু আজিৰ এই ঘটনাই মোক কিছু বিচলিত কৰি তুলিলে। মই ওচৰৰ পৰা শুকান বাঁহ এডাল তুলি ললো সাৰথি হিচাপে।

এক ............ দুই ...................... তিনি । কেইটিমান মুহূৰ্ত। হঠাৎ ভূমিকম্পৰ জোকাৰণিত গোটেই ঠাইখন কঁপি উঠিল । ভয়ত মোৰ বাক্‌শক্তি বন্ধ হৈ গৈছিল। চকু দুটা বন্ধ হৈ গ'ল। তেনেতে কাণত বাজিল হাঁহিৰ এক বিৰাট খিল্‌খিলনি। মই চক খাই গ'লো। চকু দুটা মেলি যি দেখা পালো তাক মই কাহানিও দেখা পাম বুলি কল্পনাওঁ কৰা নাছিলো।

এটি উলঙ্গ ছায়ামূৰ্ত্তি। গোটেই শৰীৰ আন্ধাৰ যেন ক'লা। আঠুলৈকে দীঘল চুলি। কোৰ সদৃশ দুপাৰি দাঁত। দীঘল নখ। উজ্জ্বল চকু। মোৰ আকণ্ঠ শুকাই গ'ল। চকু দুটা জপাই দিলো। তেনেতে মোৰ কাণত পৰিল এটি কোমল মাত "ক'ৰপৰা আহিলা বিকাশ ? তোমাৰ ভালনে ? বহুদিনৰ মূৰত ..................।" বাকীখিনি মোৰ কাণৰ পৰ্দা পাৰ নহ'ল। কিন্তু মাতটো চিনাকি লাগিল। তথাপি বাহঁডাল হাতত ৰাখি টৰ্চটোৰ পোহৰ পেলাই চালো সেইজনী মোৰ কলেজীয়া বান্ধৱী মাধৱীলতা।

এই দৃশ্য দেখাৰ পাছত মোৰ **শৰীৰেদি** এক বৈদ্যুতিক সোঁতৰ প্ৰবাহ বৈ গ'ল। যিজনী **মাধৱী** লতাক বাৰ বছৰ আগতে মই প্ৰাণভৰি ভাল পাইছিলো, **যি**জনীৰ মৃত্যুত মই মানসিকভাৱে পঙ্গু হৈ **পৰিছিলো,** সেই মাধৱীলতা আজি .............। অথচ্ তাইৰ **মৃতদেহ** মই নিজ চকুৰে চাইছিলো ...................।

মই ভাবিবপৰা অবস্থাত নাছিলো । **দৌ**ৰিছো কেৱল দৌৰিছো এইপিনে মৰণত শৰণ দি । □□□

## কৌতুক



মণি : আমাৰ টেবুল ঘড়ীটো দহবছৰ পানীৰ তলত আছিল জানা ।

ৰাজীৱ : তোমালোকৰ ঘড়ীটোহে আছিল , আমাৰ ককাইদেউ দহবছৰ পানীৰ তলত আছিল।

মণি : আচৰিত ! তেওঁ কিয় আছিল ?

ৰাজীৱ : তোমালোকৰ টেবুল ঘড়ীটোত ছাবি দি আছিল আকৌ'।

সংগ্ৰাহক : আছিয়া বেগম
প্ৰথম বাৰ্ষিক

ভাবাঘৰত থকা দুজন ব্যক্তিৰ কথোপকথন–

১ম ব্যক্তি– হেৰি নহয় ! বেৰত গজাল মৰাৰ হাতুৰীৰ শব্দত আপোনাৰ অসুবিধা হৈছে নহয় ? আচলতে কি জানে আঠুৱা টনাৰ বাবেহে গজালটো মাৰিছোঁ।


২য় ব্যক্তি– নাই ! নাই ! মই একো অসুবিধা পোৱা নাই। মাত্ৰ আপোনাক সুধিব আহিছো যে বেৰ ফালি মো[ৰ] ফালে উলাই যোৱা গজালৰ অংশটোত মই কেলেণ্ডাৰ এখন আঁৰিব পাৰিমনে বাৰু ?

মন্টু : মা, মা দুৰদৰ্শণ আৰু ৰেডিঅ'ৰ মাজত পাৰ্থক্য কি ?

মাক : তোমাৰ দেউতা আৰু মই যেতিয়া দুৱাৰ মাৰি কাজিয়া কৰো ধৰিলোৱা তেতিয়া ৰেডিঅ' আৰু যেতিয়া দুৱাৰ খুলি কাজিয়া কৰো তেতিয়া দুৰদৰ্শণ । এয়ে পাৰ্থক্য বুজিলা ।



## চুটি গল্প ঃ




শ্ৰীপ্ৰশান্ত শইকীয়া।
স্নাতক ২য় বৰ্ষ।

মাৰ কথা মতেই ৰাতিপুৱা সোনকালেই উঠিলো। দাদাৰ তালৈ যাবলৈ মোৰ হ'লে অলপো ইচ্ছা নাছিল কিন্তু মাৰ কথা পেলাব নোৱাৰাতহে যাবলৈ ওলালো। ঘৰখন কেতিয়াবা বৰ অসুবিধাত পৰে, তেতিয়াই মায়ে কুৰি টকা হাতত গুজি দি কয়, তই দাদাৰক ক'বি যেনে তেনে টকা অলপ দিবলৈ নহ'লে উপায় নাই। সেই দিনাও ঠিক আগৰ দৰে গৈ দাদাৰ ভাৰাঘৰ পালো। দাদাই তেজপুৰত থাকে তাতেই চহৰৰ কোনোবা এটা পি, ডব্লিও, ডি অফিচত কাম কৰে। প্ৰায় এঘাৰ মান বজাত ঘৰত সোমাই দেখো, নবৌয়ে চোফাত বহি কিবা উপন্যাস এখন চাই আছে। ভিতৰ সোমাই যোৱাৰ লগে লগে নবৌৱে ক'লে অ'ৰিটু আহা বহা ইয়াতেই। মই বৌৰ কথা মতেই সহজ ভাৱেই চকীখনত বহি পৰিলো, বৌৱে মোক কিবা কিবি সোধাৰ আগতেই ময়ে সুধিলো দাদা নাই নেকি ? বৌৱে উত্তৰত ক'লে নাই এইমাত্ৰ অফিচলৈ ওলাই গৈছে। কোৱাছোন, ঘৰৰ খবৰ কেনে ? সিমান ভাল নহয়, মানে বহুত অসুবিধা। তাকে দাদাৰ ওচৰলৈ আহিছিলো টকা কেইটামানৰ কথা ক'বলৈ, পাৰিলে আজিয়েই ঘুৰি যাম। ৰিটুৰ কথা কেইটা শেষ হোৱাৰ লগে লগে বৌৱে একে উশাহে কৈ গ'ল শুনা, ৰিটু, তুমি বেয়া নাপাবা, আমাৰো ইয়াত বহুত অসুবিধা, এনেকৈ প্ৰতিমাহে যদি তোমালোকে আহি আমনি দিয়া তেতিয়াহলে আমি বাৰু চলো কেনেকৈ ? আমাৰোটো এখন সংসাৰ আছে। দাদাৰাইতো ইয়াত চাকৰিহে কৰে। তুমিয়েই ভাবি চোৱা, তুমিটো এজন শিক্ষিত যুৱক। বাৰু যাহওঁক তুমি বহা মই চাহ কৰো। বৌৱেকৰ কথাখিনিয়ে ৰিটুৰ শৰীৰত কাঁইটে বিন্ধাদি বিন্ধিলে আৰু তাত বৈ থকাৰ ধৈৰ্য্য হেৰাই গ'ল। সি চাহ নোখোৱাকৈ গুচি আহিল।

আহি থাকোতে তাক কথাবোৰে চাবিওফালৰ পৰাই জুমুৰি দি ধৰিলে। কথাবোৰ ভাবি ভাবি তাৰ অতীতলৈ মনত পৰিল।

এটা সময়ত ঘৰখনে কিমান কষ্ট কৰি দাদাৰক পঢ়াইছিল। দাদাৰ চাকৰিৰ বাবত গোহালিৰ গৰু বেছি চাকৰিৰ বাবে টকা দিছিলো। দেউতা সৰুতেই ঢুকুৱাত ঘৰখনৰ পৰিস্থিতি একেবাৰেই বেয়া হ'ল। দেউতা ঢুকুৱাৰ পিছত মই সকলো দায়িত্ব ল'বলগীয়া হ'ল। মা, দাদা আৰু মই, আমি তিনিটা এটা সৰু পৰিয়াল, ভাবিছিলো কষ্ট কৰি হ'লেও দাদাক শিক্ষা এটাত সুমুৱাই দিব পাৰিলে ঘৰখনৰ ৰক্ষা হ'ব। কিন্তু আজি তাৰ বিপৰীতহে দেখা পাইছো।

সন্ধিয়াৰ আগে আগেই আহি ঘৰ পালো। ক্ষন্তেক পিছতেই মা মোৰ ওচৰলৈ আহি সুধিলে গৈছিলিযে কাম হ'ল নে নাই ? অলপ সময়লৈ মই একো উত্তৰ নিদিয়া দেখি মায়ে পুনৰ ক'লে কি হ'ল, একো নেমাতিলিযে। মই উত্তৰত বেছিকৈ নৰ্কৈ কেৱল ক'লো, যে মই আৰু তালৈ কেতিয়াও নাযাওঁ। মোক তালৈ যোৱাৰ কথা কোনোদিনে নকবি।

বৰ্তমান সি গাঁৱত কেইটামান টিউচনিৰ ব্যৱস্থা কৰি লৈছে যাতে সি ভৱিষ্যতে আনৰ ওচৰত হাত নপতাকৈ নিজৰ ওপৰতেই চলিব পাৰে। এহাতে কলেজ আৰু আনহাতে টিউচন ইয়াৰ মাজতেই সি ব্যস্ত। আজি কেইদিনমান সি কলেজলৈ যোৱা নাই। দুদিনমানৰ পিছতেই তাৰ কলেজৰ বান্ধৱী ৰূমী, আহি তাৰ ঘৰ ওলালহি। ৰিটুহঁতৰ ঘৰৰ পৰা ৰূমীহঁতৰ ঘৰলৈ এমাইল মান দূৰত্ব হ'ব। দুয়োটাই T.D.C. 2nd year একেলগে পঢ়ে। ৰূমীৰ ঘৰৰ অৱস্থা ভাল দেউতাক এল, পি স্কুলৰ শিক্ষক।

ৰূমীয়ে ৰিটুৰ খবৰ লৈ আহোতে পিছ দিনা কলেজলৈ আহিবলৈ কৈ আহিল। ৰূমীয়ে বহুত দিনৰ পৰাই ৰিটুক লক্ষ্য কৰি আহিছে। ৰিটুৰ প্ৰতি তাইৰ কিছু দুৰ্বলতা আগৰপৰাই আছে কিন্তু তাই এইবোৰ প্ৰকাশ কৰিব পৰা নাই। সেইবোৰ তাই মনৰ মাজতেই সামৰি থৈছে।

পিছদিনা কলেজত দুয়োটাৰ লগা-লগি হ'ল। ক্লাছ আৰম্ভ হোৱাৰ আগতেই ৰূমীয়ে ৰিটুক ক'লে — ৰিটু, তুমি ক্লাছ শেষ হোৱাৰ পিছত, যোৱাৰ সময়ত লগ কৰি যাবা। তোমাৰ আগত মোৰ কথা কেইটামান কবলগীয়া আছে। যথাসময়ত ক্লাছ শেষ হোৱাত দুয়োটাই লগা-লগি হ'ল। ৰিটুৰ মনটো খুব উদাস। সি মনতে ভাবিলে তাইৰ আকৌ মোৰ লগত কিনো কবলগীয়া কথা কেইটামান আছে। কলেজৰ বাহিৰ হোৱাৰ লগে লগে ৰূমীয়ে হাঁহি এটা মাৰি ক'লে অ, ৰিটু তুমি ছাগে ভাবিছা তোমাৰ লগত মোৰ কি কথা আছে? বাৰু আজি অলপ পাৰ্কলৈকে যাওঁ ব'লা। কিবা অসুবিধা হব নেকি? তাইৰ কথাৰ আঁচত ধৰিব নোৱাৰি লাহেকৈ ক'লো নাই তেনে অসুবিধা একো নাই। ৰিটুৱে কিন্তু জীৱনত কেতিয়াও ছোৱালীৰ লগত এনেকৈ পাৰ্কলৈ যোৱা নাই আজিয়েই প্ৰথম। পাৰ্কৰ গছৰ ছাঁত দুয়ো বহিল। কোৱা ৰূমী, তুমি কি কম বুলি কৈছিলা? ৰিটুৰ কথাত তাই হাঁহি মাৰি ক'লে অ, আছে, কথা কেইটামান। ৰিটু তোমাক মই যি কেইটা কথা কম সেইবাবে যাতে বেয়া নোপোৱা। তাই মনে মনে ভাবিলে কথাবোৰ ক'লে ভাল হ'বনে বেয়া হ'ব।। এনেতে ৰিটুৰ কথা কেইটাই তাইক আকৌ ভাৱনা ৰাজ্যৰ কথাবোৰত বাধা দিলে। কোৱা কি কম বুলি ভাবিছিলা।

ৰিটুৰ কথাত তাইৰ শৰীৰটো শিঁয়ৰি উঠিল। তাই ক'লে যে, ৰিটু তুমি যাতে মোৰ কথাত কোনো অভিমান নকৰা বা বেয়া নেপোৱা। যদি মই কোৱাত কিবা ভুল হয় তুমি যাতে ক্ষমা কৰা। কথাটো কি জানা–মানে ...................... কোৱা আকৌ কি মানে মানে। ৰিটুৱে তাইক অলপ জোৰকৈয়ে কৈ দিয়ে। তুমি যি ক'ব বিছাৰিছা সকলো কব পাৰা ইয়াত মোৰ কোনো আপত্তি নাই। ৰিটুৰ নিৰ্ভয় দি কোৱা কথাত অকনমান সাহস ৰূমীয়ে পালে, তাইৰ ভাল লাগি গ'ল। ৰূমীয়ে তাইৰ চাদৰৰ আগটো মোহাৰি মোহাৰি ......... কি জানা মই যেতিয়া এইখন কলেজত নাম ভৰ্তী কৰিছো তেতিয়াৰ পৰাই তোমাক মই বহুত আপোন কৰি পেলাইছো। অন্তৰতে মই তোমাক ভাল পাই পেলাইছো কিন্তু আজি মই তাক প্ৰকাশ কৰিছো। সদায় আৰু এই কথাবোৰ অন্তৰত সাঁচি ৰখিব নোৱাৰি, কিমান দিন ৰাখিম। হয়তো মোৰ ভুল হ'ব পাৰে তাত তুমি ক্ষমা কৰিবা। যিদিনাই কলেজত এড্‌মিচন লৈছিলো তেতিয়াই তোমাক মই প্ৰথম দেখা-দেখি আৰু সেই দিনাৰ পৰাই শিল্পী দৰদি গায়ক জিটুল সোনোৱালে গোৱা গানটো লৈ মনত পৰিছিল ..........

প্ৰথম দেখাতেই — ভাবিছিলো বহু কথা

কম বুলি নহ'ল কোৱা

আজিও নহ'ল পোৱা ..........

আজি তাক প্ৰকাশ কৰিছো। তুমি কি ভাবিছা, ক'ব নোৱাৰো,

ইমান সময় ৰিটুৱে তাইৰ কথাত মূৰ্ত্তিৰ দৰে মৌন হৈ বহি তাইৰ কথাবোৰ শুনি আছিল।

ইমান সময় মৌন হৈ থকা ৰিটুৰ মনটোলৈ চাই ৰূমীৰ মনটো খেলিমেলি ভাৱত ভৰি পৰিল। তাইৰ সন্দেহ হ'ল হয়তো তাই বিছৰা মতে উত্তৰ নাপাব। কি হ'ল ৰিটু, তুমি দেখোন একেবাৰেই নিৰব হৈ ৰলা কিয় ? আজি একো নোকোৱা নেকি? দীঘল এটা হুমুনিয়াই কাঢ়ি



সি কৈ উঠিল ক'ম, আজিয়েই তোমাক সকলো ক'ম, এতিয়াই। ৰূমী, প্ৰেম স্বৰ্গীয় অৱদান। ইয়াক কোনেও জোৰ কৰি ভাল পাব নোৱাৰে। দুটি অচিন হিয়াৰ মিলনেই হ'ল ভালপোৱা। বাৰিষাৰ নদী যেতিয়া ফেনে-ফেটুকাৰে ভৰি পৰে, তেতিয়া নদীৰ পাৰ খহে। মানুহৰ জীৱনটো তেনে হয়। যৌৱন কাল অহাৰ লগে লগে তেতিয়া বয়সৰ পাৰ খহে, সময়ত সি মনা নমনা একো বিচাৰ নকৰে। তেতিয়া মনে বুজনি নেমানে। জানা ৰূমী সূৰ্য্যমুখী ফুলে কাহানিও সূৰ্য্যক লগ পোৱাৰ আশা নাই। তথাপিও সি সদায় সূৰ্য্যক লগ পোৱাৰ আশাতে, তাৰ প্ৰতিক্ষাতেই বাট চাই আছে। তুমি যদি এবুকু সঁচা মৰম মৌলৈ বুলি সাৰ্চি ৰাখিছা তেতিয়াহ'লে তুমিও ছাগে মৌলৈ অপেক্ষাত থাকিব নিশ্চয় পাৰিবা। শেষত তোমাক কওঁ যে মোৰ এবুকু সীমাহীন মৰম সাঁচি থৈছো, সেই খিনিৰ যাতে গৰাকীনি তুমিয়েই হোৱা। ❑❑❑

# অদ্ভুত মিল

অধ্যাপক লুটফুৰ ৰহম
শিক্ষা বিভা

১) ১৮৬১ চনত আমেৰিকাৰ ষষ্ঠ দশ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয় আব্ৰাহাম লিংকন। তাৰ ১০০ বছৰৰ পাছত ১৯৬১ চনত আমেৰিকাৰ পঞ্চ ত্ৰিশতিতম্ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয় জন কেনেডি।

২) আব্ৰাহাম লিংকনৰ চেক্ৰেটেৰীৰ নাম আছিল কেনেডি আৰু জন কেনেডিৰ চেক্ৰেটেৰীৰ নাম আছিল লিংকন।

৩) দুয়োজন ৰাষ্ট্ৰপতিকে একেটা দিনতে হত্যা কৰা হৈছিল — শুক্ৰবাৰে।

৪) দুয়োজনকে আততায়ীয়ে হত্যা কৰিছিল।

৫) দুয়োজনকে পত্নীৰ চকুৰ আগতেই হত্যা কৰা হৈছিল।

৬) একে কাৰণতে দুয়োজনকে হত্যা কৰা হৈছিল।

৭) লিংকনৰ হত্যাকাৰী বুথৰ জন্ম হৈছিল ১৮৩৯ চন আৰু কেনেডিৰ হত্যাকাৰী ওচৱাল্ডৰ তাৰ ১০ বছৰৰ পাছত ১৯৩৯ চনত জন্ম হৈছিল।

৮) বুথে লিংকনক এটা থিয়েটাৰত হত্যা কৰি ম দোকানলৈ পলাই যায়। ওচৱাল্ডে ৰাষ্ট্ৰপ কেনেডিক মদৰ দোকানৰ পৰা হত্যা কৰি এ থিয়েটাৰলৈ পলাই যায়।

৯) দুয়োজন হত্যাকাৰী — বুথ আৰু ওচৱাল্ড আদালতলৈ নিব পৰা নগ'ল।

১০) দুয়োজন হত্যাকাৰীৰেই আদালতলৈ নিয়াৰ আগ মৃত্যু হয়।


১১) আব্ৰাহাম লিংকনৰ পাচৰ ৰাষ্ট্ৰপতি জনৰ নাম আছি জনচন্। ৰাষ্ট্ৰপতি কেনেডিৰো পাচৰ ৰাষ্ট্ৰপতিজ নাম জনচন্।

সং

□□□



# আলোচনী সম্পাদকৰ প্ৰতিবেদন



নগাঁও
১/১২/৯৫

শ্ৰীতুতুল কুমাৰ দাস,
আলোচনী সম্পাদক।

খাগৰিজান মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্ত্তত শ্বহীদসকলৰ প্ৰতি অশ্ৰু-অঞ্জলি যাচিলো।

- "হে শ্বহীদ তোমাক সহস্ৰ প্ৰণাম।"

মধ্য অসমৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ এক অন্যতম পুণ্য শিক্ষানুষ্ঠান "খাগৰিজান মহাবিদ্যালয়।" এই মহান অনুষ্ঠানটিৰ আলোচনী সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ পদবী যিসকলৰ আশিসলৈ ৪/১/৯৫ ত নিৰ্বাচিত হ'লো, সেই সমূহ ছাত্ৰ-ছাত্ৰীলৈ আৰু মো ৰ অতিকৈ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আৰম্ভণিতে মই মোৰ সদ্যবিগত অতীতক অলপ সোঁৱৰিব খুজিছো। মই এই মহাবিদ্যালয়ত ১৯৯২ চনৰ আগষ্ট মাহৰ কোনো এটা শুভ ক্ষণত উঃ মাঃ প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰিছিলো। নাম ভৰ্ত্তিৰ পিছৰেপৰা মহাবিদ্যালয়ৰ ভিতৰ চ'ৰাৰ শৈক্ষিক পৰিৱেশৰ মুখপত্ৰস্বৰূপ আৰু লগতে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক প্ৰতিভাসমূহৰ বিকাশ কৰিব পৰা দাপোণস্বৰূপ ছাত্ৰ-ছাত্ৰীৰ বাৰ্ষিক আলোচনীখনৰ অভাৱে সঘনে মোৰ সংবেদন জগাই তুলিছিল। আৰু সেই মুহূৰ্তৰপৰা ই মই মহাবিদ্যালয়ৰ এখন আলোচনী উলিওৱাৰ প্ৰচেষ্টাৰে আগৰ আলোচনী সম্পাদক দুজনৰ লগতো মোৰ আলোচনা-বিলোচনা চলিছিল। কিন্তু তেতিয়া মই মহাবিদ্যালয়ৰ এজন ছাত্ৰ। এষাৰ কথা আছে যে - "কল্পনাবোৰ বৰ মধুৰ; কিন্তু বাস্তৱ অতিশয় গধুৰ।" যদি প্ৰচেষ্টাৰ ত্ৰুটি নহয়, লক্ষ্য যদি পোণপটিয়া হয়, ছাত্ৰ-ছাত্ৰীসকল যদি লক্ষ্য পথৰ সহযাত্ৰী হয়, তেনেহ'লে যিমান অবাস্তৱ, অসম্ভৱ, সপোন সদৃশ কল্পনাই নহওক কিয় এদিন সি বাস্তৱত ৰূপায়িত হ'বই। যিহেতু এটা বস্তু অঙ্কন কৰিবলৈ এটা বিন্দুৰ প্ৰয়োজন। গতিকে আমাৰ কল্পনাবোৰৰ যদি এটা নিৰ্দিষ্ট লক্ষ্য বিন্দু থাকে তেতিয়া সেই বিন্দুত ভৰ দি ছাত্ৰ-ছাত্ৰী সদৃশ পেঞ্চিল কম্পাছৰদ্বাৰাও আলোচনী সদৃশ বৃত্ত অংকন কৰাটো তেনেই সহজ হৈ পৰিব। ইয়াৰদ্বাৰা মই এইটোহে ক'ব খুজিছো যে

আলোচনী এখন প্ৰকাশ কৰি উলিওৱাৰ অন্তৰালত যিমান জটিলতা আছে সেয়া নিশ্চয় ছাত্ৰ-ছাত্ৰীৰ অজ্ঞাত নহয়, আৰু ঐকান্তিক প্ৰচেষ্টাৰ মাজেৰে সেয়া সম্ভৱহৈ উঠাটোও তেনেই স্বাভাৱিক হৈ পৰে। ইংৰাজীত এটা Proverb আছে যে- "Necessity is the mother of invention." যিহেতু "অভাৱেই আৱিষ্কাৰৰ মূল"। গতিকে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰা অভাৱটো হ'ল এখন মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী। আৰু বৰ্তমানৰ আলোচনীখনেই হ'ল ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক প্ৰতিভা সমূহৰ বিকাশ সাধন কৰি লিপিবদ্ধৰূপত আলোচনীত স্থান দি প্ৰকাশ কাৰটোৱে হ'ল আৱিষ্কাৰ। অভাৱৰ সন্মুখীন হোৱাৰ হেতু এদিন সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলৰ যুটীয়া প্ৰচেষ্টাত আৱিষ্কৃতৰূপত আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ হাতে হাতে। সঁচাকৈ বৰ আনন্দৰ কথা।

এইখিনিতে মই বৰ্তমান ছাত্ৰ সমাজত সোমাই পৰা দুই এটা ব্যাধিৰ কথা উনুকিয়াব খুজিছোঁ। আজি ছাত্ৰসমাজক ৰেগিং নামৰ এক ভয়ঙ্কৰ দৈত্যই গ্ৰাস কৰাৰ উপক্ৰম হৈছে। এই দৈত্যটোৰ কবলৰপৰা ছাত্ৰসকলক ৰক্ষা কৰিবৰ কাৰণে ছাত্ৰসমাজে সমূহীয়াভাৱে প্ৰচেষ্টা চলাবৰ কাৰণে সংকল্প গ্ৰহণ কৰাৰ প্ৰায়োজন আহি পৰিছে।

দ্বিতীয়তে,শিক্ষানুষ্ঠানসমূহত জ্যেষ্ঠ-কনিষ্ঠৰ মাজৰ মধুৰ সম্পৰ্কত ঘুণে ধৰাৰ উপক্ৰম পৰিলক্ষিত হৈছে। কনিষ্ঠ ছাত্ৰ-ছাত্ৰীসকলে যেন জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলক সমীহ কৰিবলৈ পাহৰি গৈছে। আনহাতে জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলে যে কনিষ্ঠসকলৰ কাৰণে আদৰ্শৰ প্ৰতীকস্বৰূপ সেই কথাটোও জ্যেষ্ঠসকলে পাহৰি যোৱা যেন বৰ্তমান শিক্ষা জগতত পৰিলক্ষিত হৈছে। গতিকে শৈক্ষিক বাতাবৰণ আৰু বৌদ্ধিক পৰিবেশ সৃষ্টিৰ কাৰণে জ্যেষ্ঠ-কনিষ্ঠৰ সম্পৰ্ক মধুৰ হোৱাটো নিত্যান্তই প্ৰয়োজন হৈ পৰিছে।

প্ৰত্যেক ব্যক্তিয়েই সৃষ্টিশীল শক্তিলৈ জন্মগ্ৰহণ কৰে। সেই সৃষ্টিশীল শক্তি বা প্ৰতিভা বিকাশৰ বাবে অধ্যৱসায়, উপযুক্ত পৰিবেশ আৰু সাধানাৰ লগতে যথেষ্ট কৃচ্ছ্ৰসাধন কৰিবলগীয়া হয়। শিক্ষানুষ্ঠানৰ একোখনি আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰা অভিজ্ঞতা আৰু প্ৰতিভা প্ৰকাশ কৰাৰ সুবিধা পায়। বহুতো প্ৰতিষ্ঠিত অংকুৰিত হোৱা দেখা যায় শিক্ষানুষ্ঠানৰ আলোচনীৰ জড়িয়তে। গতিকে শিক্ষানুষ্ঠানৰ একোখনি আলোচনীৰ গুৰুত্ব অতিশয় তাৎপৰ্যপূৰ্ণ।

আলোচনী সম্পাদকৰ কামটো সাধাৰণতেই জটিল কাম। আমাৰ খাগৰিজান মহাবিদ্যালয়ৰ আলোচনী সম্পাদনাৰ ক্ষেত্ৰত পোৱা তিঁতা-কেহা অভিজ্ঞতাবোৰে মোক বাৰুকৈয়ে হতাশ কৰি তুলিছিল। আলোচনীখন যে পোহৰলৈ আনিব পাৰিম বহু দিনলৈ মই ভাবিবই পৰা নাছিলো। তথাপিতো আমাৰ ফালৰ পৰা প্ৰচেষ্টা চলাই থকা হৈছিল। যোৱা তেইশটা বছৰত মহাবিদ্যালয়ৰপৰা এখনো আলোচনী প্ৰকাশ নহ'ল। যথেষ্ট ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি ছাত্ৰ-ছাত্ৰীসকল, মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকল, স্থানীয় সাহিত্যপ্ৰেমী সদাশয় ব্যক্তিসকলৰপৰা প্ৰবন্ধ-পাতিবোৰ সংগ্ৰহ কৰি আলোচনীখন প্ৰকাশ কৰিব পৰা বাবে নিজকে ধন্য মানিছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা ও লোৱা লেখক-লেখিকাসকলৰ মাজৰপৰাও লোৱা লেখাৰ মানদণ্ডৰ ওপৰত ভিত্তি কৰি আলোচনীখন প্ৰকাশ কৰিবলৈ বিচৰা আমাৰ লক্ষ্য নহয়। মাথো নতুন লেখকৰ প্ৰতিভাক প্ৰেৰণা যোগোৱাই আমাৰ উদ্দেশ্য।

আলোচনীখনলৈ শুভাশীস বৰ্ষণৰ বাবে অসম সাহিত্য সভাৰ প্ৰাক্তণ সভাপতি মাননীয় শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্ম্মদেৱ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মাননীয় শ্ৰীযুত মহিম বৰাদেৱৰপৰা একোটিকৈ শুভেচ্ছা বাণী সন্নিবিষ্ট কৰিবৰ বাবে অধ্যক্ষ মহোদয়ে দুয়োগৰাকী সাহিত্যসেৱীক অনুৰোধ জনায়। লগতে খাগৰিজান মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত কমল চন্দ্ৰ গোস্বামীদেৱ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যাপক ড° নৰেন কলিতা, নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত জ্যোতিৰ্ময় জানা মহোদয়ৰপৰা একোটিকৈ প্ৰবন্ধ বিচাৰি আমাৰ অধ্যক্ষ মহোদয়ে নিজে অনুৰোধ জনায়। আলোচনীখন যাতে সৰ্বাংগসুন্দৰ হয় সেই উদ্দেশ্যেই অধ্যক্ষ মহোদয়ে এনে ধৰণৰ উদ্দ্যোগ নিজে কান্ধ পাতি লয়। তাৰ উপৰি ছাত্ৰ-



ছাত্ৰীসকলৰপৰা লেখা বিচাৰি অধ্যক্ষ মহোদয়ে যি প্ৰচেষ্টা চলালে, মহাবিদ্যালয়ৰ নিশকটীয়া পুঁজীকো আওকান কৰি, মুঠতে ছপাশালাৰ হেঁচাপাৰপৰা আলোচনীখন প্ৰকাশ কৰি, ওলোৱালৈকে যি প্ৰচেষ্টা হাতত লৈছিল তাৰ বাবে আমি অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়ৰ অনুৰোধ ৰক্ষা কৰি সাহিত্য সভাৰ দয়োগৰাকী প্ৰক্তন সভাপতি মহোদয়ে শুভেচ্ছা বাণী দিয়াৰ বাবে দুয়োগৰাকী সাহিত্যসেৱীলৈ আমাৰ কৃতজ্ঞতাৰ ঋণ স্বীকাৰ কৰিলো। লগতে অধ্যক্ষ গেস্বামীদেৱ, ড° কলিতাদেৱ আৰু অধ্যাপক জানা মহোদয়ে নিজৰ ব্যস্ততাৰ মাজতো যথেষ্ট ত্যাগ স্বীকাৰ কৰি একোটিকৈ প্ৰবন্ধ দি আমাক সহায় কৰাৰ বাবে এই সুযোগতে তেখেতসকললৈকো কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনী সম্পাদনা সমিতিৰ তত্বাৱধায়ক প্ৰমুখে অধ্যাপক-অধ্যাপিকা, সদস্যসকলে আলোচনীখনৰ বিষয়বস্তু নিৰ্বাচনত সহায় সহযোগ আগবঢ়োৱাৰ বাবে তেখেত সকললৈকো কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। আমাৰ মহাবিদ্যালয়ৰ যিসকল শিক্ষাগুৰুৱে লেখাসমূহ প্ৰকাশ কৰিবলৈ আগবঢ়ালে তেখেতসকলৰ ওচৰতো আমি কৃতজ্ঞ।

মোক এই কাৰ্য্যত বিশেষভাৱে পৰামৰ্শ আগবঢ়োৱাৰ বাবে প্ৰাক্তন সাধাৰণ সম্পাদক মফিজউদ্দিন আহমেদ, আলোচনী সম্পাদনা সমিতিৰ সদস্যা শ্ৰীমতি নিভা কুমাৰী বৰা আৰু লগতে মিঠু ৰাহা ৰায়, ললিতা দেৱী, মন্দিৰা কৌৰ, কালী প্ৰসাদ দাস, জিতেন্দ্ৰ নাথ কলিতা, মিনাৰাম, মোহন আৰু জ্যোতিলৈ মোৰ মৰম যাচিলোঁ। বিভিন্ন ক্ষেত্ৰত সুপৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

সদৌ শেষত অনিচ্ছাকৃত ভুল-ভ্ৰান্তি হয়তো হ'ব পাৰে, আপোনাসৱৰ সৰল মনৰ উদাৰ গুণত মোৰ সৰ্বদোষ মৰিষণ কৰিবলৈ সকাতৰে অনুৰোধ জনালোঁ।


খাগৰিজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি, নগাঁও পুথিঘৰ অফ্‌ছেটৰ স্বত্বাধিকাৰী প্ৰমুখ্যে কৰ্মচাৰীলৈ মোৰ কৃতজ্ঞতা জনালোঁ।

খাগৰিজান মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰীতুতুল কুমাৰ দাস,
আলোচনী সম্পাদক।



## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



নগাঁও
১০/১২/৯৫

শ্ৰীদীপক কুমাৰ বৰা
সাধাৰণ সম্পাদক

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্ত্তত এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক আৰু ব্যৱস্থাপক মণ্ডলীৰ সন্মানীয় ব্যক্তিসকললৈ এই সুযোগতে সশ্ৰদ্ধ প্ৰণাম যাচিছো।

দ্বিতীয়তে, মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ কৰ্ম্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক প্ৰীতি সম্ভাষণ যাঁচিছো।

কুৰি শতিকাক বিদায় দি একৈশ শতিকাৰ **আঁকোৱালি** লব'লৈ আমি আগবাঢ়িছো। সময় হৈছে আত্মবিশ্লেষণৰ। মানবীয় নৈতিক মূল্যবোধৰ অৱনতি **ঘটিছেনেকি?** যুৱ-শক্তিৰ অপচয় বা অপব্যৱহাৰ হৈছে নেকি? এখন নিকা, প্ৰগতিশীল সমাজ গঢ়ি তোলাত বৰঙণি যোগোৱা আমাৰ প্ৰত্যেকৰে দায়িত্ব আৰু কৰ্ত্তব্য।

১৯৭২ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে এচাম শুভবুদ্ধি সম্পন্ন গুণী-জ্ঞাণী **ব্যক্তিৰ** আহোপুৰুষাৰ্থত গঢ়ি উঠে এই শিক্ষানুষ্ঠানৰ।

১৯৮৮ **চনৰপৰা** খাগৰিজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব ক্ৰমান্বয়ে সৰ্বশ্ৰী গোলাপ চন্দ্ৰ শইকীয়া (১৯৮৮), আব্দুল মোতালিব (১৯৮৯), তৰুণ চন্দ্ৰ শৰ্মা (১৯৯০), ঈশ্বৰ চন্দ্ৰ হাজৰিকা (১৯৯১), হিৰুমণি বৰা (১৯৯২), মুহিবুৰ ৰহমান(১৯৯৩) আৰু মফিজউদ্দিন আহমেদে (১৯৯৪) নিষ্ঠা সহকাৰে সম্পাদন কৰাৰ পাচত ১৯৯৫ চনৰ জানৱাৰী মাহত এবছৰৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে মোক বিনা **প্ৰতিদ্বন্দ্বিতাৰে** সাধাৰণ সম্পাদকৰ গুৰু ভাৰ অৰ্পণ কৰে। মোক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পন কৰাৰ কাৰণে সমূহ ছাত্ৰ-ছাত্ৰীক মই মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। ১২/১/৯৫ তাৰিখে সাধাৰণ সম্পাদকৰ দায়িত্ব আনুষ্ঠানিকভাৱে গ্ৰহণ কৰাৰ পাচতেই শ্ৰীশ্ৰীসৰস্বতী পূজা অতি উৎসাহ-উদ্দীপনা আৰু উলাহ-মালহৰে উদ্‌যাপন কৰা হয়। মোৰ কাৰ্য্যকালত শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ তিৰোভাৱ তিথি, ফাতেহা-ই-দোৱাজ দহম পালন কৰা হয়। ১২/৯/৯৫ তাৰিখে নবাগত আদৰণি উৎসৱ আৰু মহাবিদ্যালয়ৰ চতুৰ্বিংশতিতম্ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত খাগৰিজান মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত কমল চন্দ্ৰ গোস্বামীদেৱে উদ্বোধক আৰু হোজাই মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত জগদীশ প্ৰসাদ আগৰৱালা ডাঙৰীয়াই বিশিষ্ট অতিথি হিচাপে যোগদান কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

৫/১২/৯৫ তাৰিখৰ পৰা ৮/১২/৯৫ তাৰিখলৈকে **খাগৰিজান** মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ বিভিন্ন শিতানত **প্ৰতিযোগিতাৰ** আয়োজন কৰি উদ্‌যাপন কৰা হয়।

**অশ্ৰু অঞ্জলি**- খাগৰিজান মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰা **ওত প্ৰোতভাৱে** জড়িত হৈ থাকি মহাবিদ্যালয়খনিক প্ৰগতিৰ পথলৈ আগুৱাই নিয়াত বৰঙণি যোগোৱা, অক্লান্ত পৰিশ্ৰমী, সমাজসেৱী, পৰিচালনা সমিতিৰ সদস্য শ্ৰীমথুৰা চন্দ্ৰ ঠাকুৰীয়াদেৱক নিষ্ঠুৰ নিয়তিয়ে ৭/৩/৯৫ তাৰিখে আমাৰ মাজৰ পৰা কাঢ়ি নিয়ে। সকলোৰে লগতে ময়ো তেখেতৰ বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে পৰম পিতা পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

**অভাৱ-অভিযোগ**- মানুহৰ অভাৱ সীমাহীন। এটা অভাৱ পূৰণ হোৱাৰ লগে লগে আন এটা অভাৱে দেখা দিয়ে। এইজন অধ্যক্ষৰ প্ৰচেষ্টাৰ ফলত যে মহাবিদ্যালয়খনে গঢ় লৈছে তাক স্বীকাৰ কৰিব লাগিব। মোৰ কাৰ্য্যকালৰ এক ডাঙৰ সাফল্য হৈছে মহাবিদ্যালয়ৰ আলোচনীখনি প্ৰথম বাৰৰ বাবে প্ৰকাশ কৰি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ হাতত অৰ্পণ কৰিব পৰাটো। কিছুমান অভাৱৰ বিষয়ে মোৰ প্ৰতিবেদনত উল্লেখ কৰিব খুজিছো

১/ উপযুক্ত খেল-পথাৰৰ অভাৱ, ২/ খেলৰ সামগ্ৰী আৰু সঙ্গীতৰ বাদ্যযন্ত্ৰ, ৩/ **ছাত্ৰাবাস** আৰু ছাত্ৰীনিবাস, ৪/ ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়, ৫/ পূৰ্ণ পৰ্য্যায়ৰ ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণি কোঠা।

**কৃতজ্ঞতা**- মোৰ এই এবছৰীয়া কাৰ্য্যকালত মোক বিভিন্ন ধৰণে পৰামৰ্শ, উপদেশ দিয়াৰ উপৰিও বিভিন্ন কামত সহায় কৰি মোৰ দায়িত্ব পালন কৰাটো সম্ভৱ কৰি তোলাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকলৰ ওচৰত মই **চিৰকৃতজ্ঞ**। ইয়াৰ উপৰিও কৰ্ম্মচাৰীসকল- সৰ্বশ্ৰী পোনাৰাম বৰা, নবেন শইকীয়া, ধীৰেণ বৰা, কনলৰা বৰা, পূৰ্ণকান্ত শইকীয়া আৰু টিকেন্দ্ৰ নাথ দাসে মোক সহায়-সহযোগ কৰাৰ কাৰণে তেখেতসকলক মোৰ কৃতজ্ঞতা জনাইছো। ছাত্ৰ একতা সভাৰ সদস্যসকলৰ লগতে মোক সকলো ক্ষেত্ৰতে সদ্-পৰামৰ্শ দি সহায় কৰাৰ কাৰণে মুহিবুৰ ৰহমান, কালি প্ৰসাদ, মোহন, মিঠু, সীমা, মন্দিৰা, ৰাজু, উপেন, নয়নজ্যোতি, ৰূপজ্যোতি, কামাল, হোচেইন, গোপাল আৰু সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

মোৰ কাৰ্য্যকালত যদি কাৰোবাৰ ওচৰত কিবা দোষ কৰিছো বা ক'ৰবাত যদি কিবা ভুল হৈছে তাৰবাবে অধ্যক্ষকে প্ৰমুখ্য কৰি সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

শেষত মোৰ কামনা খাগৰিজান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মিলন যুগমীয়া হওক আৰু ভৱিষ্যত জীৱন উজ্জ্বল হওক, তেখেতসকলৰ প্ৰযত্নত উত্তৰোত্তৰ উন্নতি সাধিত হওক। স্বনিৰ্ভৰশীলতা আৰু একাত্ম সাধনাই ছাত্ৰ-ছাত্ৰীসকললৈ কাঢ়িয়াই আনক **সাফল্য** আৰু সৃষ্টিৰ প্ৰেৰণা।

*সুন্দৰে যে ফুলৰ মন্ত্ৰ*
*অহোৰাত্ৰি মাতে,*
*সেয়েহে আজি ইমান ফুল*
*প্ৰভাতে প্ৰভাতে।*

জ্যোতিপ্ৰসাদৰ মন্ত্ৰ সাৰোগত কৰি ইমানতে মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

জয়তু খাগৰিজান মহাবিদ্যালয়
জয়তু ছাত্ৰ এতকা সভা।

## সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

শ্ৰীজোনমণি দাস
সাংস্কৃতিক সম্পাদক
খাগৰিজান মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰতিবেদনৰ আৰম্ভণিতে অসমীআইৰ অস্তিত্ব ৰক্ষাৰ হেতু প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

মই ১৯৯৪-৯৫ চনৰ সম্পাদক, কলা আৰু সাংস্কৃতিক বিভাগত কাৰ্য্যনিৰ্বাহ কৰিছিলো। মোৰ কাৰ্য্যকালত ক'লা আৰু সাংস্কৃতিক দিশত থকা নগাঁও খাগৰিজান মহাবিদ্যালয়ৰ সুনাম অটুট ৰাখিবলৈ মহাবিদ্যালয়ৰ বাৰ্ষিক সৰস্বতী পূজা, মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৰৰ তিথি, ফাটেহা-দোৱাজ-দহম, বাৰ্ষিক নৱাগত আদৰণি সভা আৰু বাৰ্ষিক সপ্তাহ-সমাৰোহত সাংস্কৃতিকদিশত প্ৰায়বোৰ প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগিতাৰ উচ্চমানদণ্ডই মহাবিদ্যালয়ৰ সৌষ্ঠৱ বঢ়াই তোলে। প্ৰতি বছৰে পালন কৰি অহাৰ দৰে এইবাৰো এই ক'লা আৰু সাংস্কৃতিক দিশবোৰ অতি জাক-জমকতাৰে পালন কৰা হয়।


শেষত মোৰ কাৰ্য্যকালত সকলো দিশতে উপদেশ তথা সহায় পৰামৰ্শ দি আগবঢ়াই নিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে ধৰি শিক্ষা গুৰুসকল লগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক প্ৰতিটো মুহূৰ্ত্ততে সহায়-সহযোগীতা আগবঢ়ালে তেওঁলোক সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন-উন্নতি কামনা কৰি মোৰ কাৰ্য্যকালত অজানিতে হোৱা দোষ-ত্ৰুটিৰ ক্ষমা-প্ৰাৰ্থনা বিছাৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু খাগৰিজান মহাবিদ্যালয়
জয়তু খাগৰিজান মহাবিদ্যালয় ছাত্ৰ একতা সভা



## খাগৰিজান মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ ক্ৰীড়া প্ৰতিযোগিতাত বিশেষ প্ৰতিভা কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকল



মহিনুল হক
১৯৯৪ চনৰ শ্ৰেষ্ঠ দৌৰবীৰ




শ্ৰীমতী মন্দিৰা কৌৰ
১৯৯৪ চনৰ শ্ৰেষ্ঠা মহিলা দৌৰ প্ৰতিযোগি



মোঃ মোস্তাফা কামাল হুছেইন
১৯৯৪ চনৰ একক বেড্মিন্টন চেম্পিয়ন।




শ্ৰীসত্যৰঞ্জন শইকীয়া
১৯৯৪ চনৰ একক কেৰম চেম্পিয়ন




মঃ ছেলিম আহমেদ
১৯৯৪ চনৰ পাঞ্জা চেম্পিয়ন

# প্ৰতিভা



১৯৯৩ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৰাজনীতি বিজ্ঞান বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শ্ৰীজ্যোতি প্ৰসাদ বৰা।



১৯৯৪ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৰাজনীতি বিজ্ঞান বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ খাগৰিজান মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা শ্ৰীদীপক কুমাৰ বৰা।

# KHAGARIJAN COLLEGE MAGAZINE

**1st Issue**

**1995-96**

Editor,
Mr. Tutul Kr. Das

## Editorial Board


President, principal, Sri T.C Bora.

Incharge, Prof. R.M.Rajkhowa.

" Prof. J.Nath.

" Prof. K.C.Mazi.

" Prof. L.Rahman.

" Prof. A. Salam

Gen. Secy : Sri D.K. Bora.

Member : N.K. Bora

Editor : T.K. Das



Printed at
Puthighar offset,
Morik olong : Nagaon.


## English Section

**Prose**


- Keats's Impact on Bengali Poets- ABrief Tributary Account — Prof.K.C.Maji, Deptt.of English — 4
- The Romance of words - — Prof. J.Jana., Deptt. of English, Nowgong Girls' College. — 8
- Do you know - — Prof. C. Bora, Deptt. of Political Science — 13


**Poem**


- Solace - — Prof. J. Choudhury, Deptt. of English — 14
- The Pangs of a Mother - — Sri Prodin ch. Mishra, TDC 3rd year — 15
- Wings of Time - — Sri Tutul Kr. Das, TDC 2nd Year — 16
- Between the waves - — Sri Nava Jyoti Das, TDC 2nd Year — 17

# Keats's Impact on Bengali Poets -- *A Brief Tributary Account*

**Krishna Chandra Maji**
Dept. of English

Keats's writing career covered a brief span of five years – from the twentieth to his twenty - fifth year. Over the length and breadth of his creative life he went all out and strained himself through reading, through in-depth thought and through experiment with different genres and material structures, towards the flourishing and unfolding of his poetic and personal self. And , thus, he strove towards maturity. Like Shakespeare he was a strongly 'physical' poet. He rejoiced in sounds, colours, textures , odours and his poetic enthusiasm gives his poems a unique richness. Matthew Arnold in his thought- provoking essay 'John Keats, extols him by saying : He is – he is with Shakespeare.' T.S. Eliot, too, has paid tribute to the Shakespearean quality of Keats's greatness especially as it appears in his letters.

Keats's name and fame remained in eclipse for years together. In his life-time he was rather censured, berated and not at all acclaimed . His poetic genius or literary talent was unsung and unhonoured for many years. He was then scoffed at, ignored and regarded as one of the members of the Cockney School of Poetry by many. romantics except Shelley. Lord Byron derisively called him ' little Johny Keats ' . So to say, in his own time, he was misjudged and misunderstood. But the fact that he was a poet's poet, he lived for poetry and understood the value and essence of poetry was later admitted. In one of his letters he wrote, 'Praise or blame has but a momentary effect on the man

whose love of beauty in the abstract makes him a severe critic on his own works .... .

The last successful romantic Keats inspired and fired the imagination of Tennyson, the Pre-Raphaelites and many a painter. His influence on Victorian poetry ended by making him a symbol of the poet which the new talents of the 1910's and 1920's were determined to refuse . The Victorians had attached on the more imitable and less valuable aspects of Keats's sensuousness without his objectivity , his melancholy without his ' knowledge of light and shade'. Our sense or understanding of Keats has changed . What now seems significant in his art are the sureness of ear and firmness of structure, the dialectic of imagery and the tragic vision of life .

The first impact of John Keats on Bengali Literature was through translation of his odes and poems. His direct and indirect domination, authority, magical spell, magnetism or influence – whatever phrase may be used – is also seen on the numberless eminent Bengali poets who enriched Bengali Literature and made him immortal through their renderings .

*Rabindranath Tagore, the Bengali literary genius , was all praise for Keats and admitted his gratitude and indebtedness to him. In 1895 he* wrote : ' The English poets I know, I feel the heartiest kinship with Keats. There can be many poets greater than him, but he is a poet of my liking ......'.

( " আমি যত ইংরেজি কবি জানি কিট্‌সের সঙ্গেঁ আমার আত্মীয়তা আমি বেশি অনুভব করি। তাঁর চেয়ে অনেক বড় কবি থাকতে পারে অমন মনের মতো কবি আর নেই - ..................... " ).

Keats's impact on Rabindranath is noteworthy and significant . In his 'Chhabi O Gan' we get some of the lines which are the watermarks of Keats's 'Ode to a Nightingale' :

যাই যাই ডুবে যাই
আরও আরও ডুবে যাই
বিহ্বল অবশ অচেতন
..........................
নিশায়ে মিলায়ে যাই
অনন্তের সুদূর সুদূরে ।

( ছবি ও গান )

Cf. *Fade , far away, dissolve , and quite forget*

*or,*

*Away ! away ! for I will fly to thee*

..............

[ Ode to a Nightingale]

Bengali poets like Satyendranath Dutta, Jagannath Chakraborty , Sunil Kumar Nandy,



Jugantar Chakraborty and others have translated Keats's poems and fallen into his magical spell. There are vivid references to Keats's in Buddhadeb Basu's 'Jedin Futlo Kamal' [ যেদিন ফুটলো কমল -- ].

The Bengali romantic poet Jibanananda Das was also inspired by Keats. As samples we may quote a few lines from ' Jiban' and 'Abasarer Gan' by Jibanananda Das :

রোগীর জ্বরের মতো পৃথিবীর পথের জীবন । (জীবন)

Cf. *The weariness , the fever, and the fret*

*Here, where men sit and hear each other groan .......*

[ Ode to a Nightingale]

The next stanza of 'Jiban', too, follows the same trend of thought as Keats's :

মৃত্যুরে ডেকেছি আমি প্রিয়ের অনেক নাম ধরে

or,

মৃত্যুরে বন্ধুর মতো ডেকেছি তো, প্রিয়ার মতন !
চকিত শিশুর মতো তার কোলে লুকিয়েছি মুখ ; ....

(জীবন)

Cf. Darkling I listen ; and for many a time
I have been half in love with easeful Death.
Called him soft names in many a mus'd rhyme
To take into the air my quiet breath

[ Ode to a Nightingale]

Again , the following lines from his 'Abasarer Gan' may also be taken into for comparison :

ভুলে গিয়ে রাজ্য - জয় - সাম্রাজ্যের কথা
অনেক মাটির তলে যে মদ ঢাকা ছিলো তুলে নেবো
তার শীতলতা,
ডেকে নেবো আইবুড়ো পাড়াগাঁর মেয়েদের সব ; —
মাঠের নিস্তেজ রোদে নাচ হবে —
সুরু হবে হেমন্তের নরম উৎসব ।

( অবসরের গান )

Cf. O, for a draught of vintage !
that hath been
Cooled a long age in the deep - delved
earth,
Tasting of Flora and the country
green,
Dance, and Provencal song, and
sunburnt mirth

[ Ode to a Nightingale]

These citations from Jibanananda Das and Rabindranath Tagore clearly prove that Keats's magic-spell – both direct and indirect –on Bengali poets has enriched and flourished Bengali litereture a lot .

Keats became an establised phenomenon in English literature after his

death. His interest in literature was for beauty's sake. An extraordinary development of imaginative sensibility and the addition of strangeness to beauty gave birth to his sense of beauty and led him to produce many immortal odes and poems.

Keats's originality lies in his sense of dedication to the whole tradition of English poetry. His best poems have stood up well under the most igorous analysis and the harshest criticism of recent years. When all these critical assessments are added to the evaluation of Keats, his place in the tradition begins to be seen more clearly.

Keats wrote in one of his letters : ' I have loved the principle of beauty in all things. ' The statements ' Beauty is truth, truth beauty' and ' A thing of beauty is a joy for ever' found a prominent place in most of his odes and poems. His beauty - theory is , as if, an echo or a reverberation of Upanishad's message ' আনন্দরূপমৃতং যদ্বিভাতি' which is nothing but a philosophical realization . To him , earthly beauty is always ephemeral and transistory ; and creative beauty , eternal and enduring. His creative beauty gave rise to creative ecstasy. And, perhaps, because of his love for beauty, musical language and rich creativity many Bengali poets got enchanted and fell into his spell.

Though two hundred years elapsed after his birth, the beauty mystic Keats is still immortal and fresh in our mind . His name is still 'writ in water' . The prophecy 'I think I shall be among the English poets after my death' has been fulfilled. He is now a miracle or more than a miracle. In his birth bicentenary we pay high tribute to him with what Shelley wrote in his 'Adonais', expressing deep sorrow and mental pang at his early death :

*He is made one with Nature..*

OR ,

*He is a portion of loveliness*
*Which once he made more*
*lovely.*



# The Romance of Words

**Jyotirmay Jana**
Dept. of English
Nowgong Girls' College

Once in a loose and journalistic composition I used the words কেৰাচিন তেল (*karasin tel*) which earned me vehement condemnation from a friend of mine well-known for his fastidiousness in the use of words. He forcefully pronounced that কেৰাচিন ( *kerasin* ) can never be তেল ( *tel* ), because it is not extracted from তিল (*til*) or sesame. My friend was correct from a strictly philological point of view. Kerosene is a petroleum product which is not even remotely connected with sesame. Mustard oil, rape-seed oil etc., on one hand, and kerosene, diesel etc., on the other, are essentially and etymologically the objects of two different worlds, though all of them are oily.

Words, in fact, are fossils which, if examined properly, are history, poetry and painting in one . One needs a rare sense of beauty and an extraordinary insight into history so as to perceive what the words actually suggest.

Despite my deep reverence for one's penchant for the right word at the right place I cannot help but say that words in no language of the world have fixed meanings and it is the context, not the etymology, that determines what a particular word should suggest. Even then, the etymological study of words as a discipline of linguistics is assuming more and more relevance simply because it systematically observes every change of meaning of a given word and admits of variations.

Suppose, an uncompromising linguist insists upon the use of words

like ৰমণী (*ramani*), স্ত্রী (*stri*), ললনা (*lalana*), কামিনী (*Kamini*), অঙ্গঁনা (*angana*), মহিলা (*mahila*), জায়া (*jaya*), পুত্র (*putra*), নাতি (*nati*), and দুহিতা ( *duhita* ) in their root-meanings. It is inevitable that he will receive a spontaneous brickbat-felicitation from the feminists. Nor should he expect to be spared by any right-thinking person in society. All these words are, in fact, the creations of a rigorous, male-dominated social system which subjected women to all sorts of cruelty and looked upon them either as mere lumps of flesh or as machines for procreation. The word ৰমনী (*ramani*) has at its root the verb ৰম্ (*ram*), 'to copulate'. This ৰম্ (*ram*) yields the noun form ৰমণ (*raman*) which means 'copulation'. Etymologically, thus, a ৰমণী (*ramani*) becomes an object of physical enjoyment. The verb ৰম্ (*ram*) has other meanings also, of which 'to rejoice at' or 'to delight in' may appear less disparaging and yet relevant. Even then the delight or joy a ৰমণী (*ramani*) was expected to offer at the time of formation of this word was bound to be sensuous at best and sensual at worst. The verb লল্ (*lal*) meaning 'to dally with' or 'to sport with' yielded words like ললনা (*lalana*) meaning 'an object of dalliance or wanton forlics' and ললিতা (*lalita*) meaning 'wanton' or 'voluptuous'. The word কামিনী (*kamini*), again, is associated with কাম (*kam*) or lust and, thus, a কামিনী (*kamini*) becomes কামস্বৰূপিণী (*kamswarupini*) or an incarnation of lust from an etymological point of view. The very existence of the word অঙ্গ (*anga*), ' body', in the word অঙ্গঁনা (*angana*) suggests that an ideal woman was supposed to have no mind, no soul, but only a well-developed body. Though the word মহিলা (*mahila*) appears to be a dignified word today, no etymological inspection will ever allow it any amount of dignity. A মহিলা (*mahila*), as annotated in অমৰকোষ (*Amarkosha*) is one who 'excites (*the male*) with ornaments' : "মহ্যতে ভূষণাদিভিৰিতি(*mahyate bhushanadiviriti*). The Arabic word মহল (*mahal*) is semantically and etymologically connected with the verb মহ্ (*mah*) meaning 'to excite and satisfy' . During the hey-days of feudalism every মহল (*mahal*) was a place for sensuous mirth and merriment and a woman had to be well-adorned with ornaments and have her place in a মহল ( *mahal* ) in order to become a মহিলা (*mahila*) .

The fact that ancient India looked upon women as objects for procreation can aptly be illustrated by the etymologies of the words জায়া (*jaya*) and স্ত্রী (*stri*). The word জায়া (*jaya*) has at its root the verb জন্ (*jan*) which means 'to procreate' and this procreation stood justified by the procreation of male children only. The women who failed to deliver male children were



subjected to inhuman tortures. মনুসংহিতা (*Manusamhita*) allows the husband to marry a second wife if his first wife fails to deliver any male child even after the passing of eleven years since her marriage. If the wife objects to her husband's marrying a second wife , the husband can, with the power thrusted upon him by মনুসংহিতা (*Manusamhita*), bind her with ropes and keep her confined to the house or to abandon her in presence of elderly persons. All through the ঋগ্বেদ (*Rigveda*) there are innumerable hymns expressing desire for male chidren, though there is not even a single hymn expressing desire for a female child. A male child, according to the ঋগ্বেদ (*Rigveda*), is a নপাৎ (*napat*) who foils the possibility of the father's and the forefather's falling into hell. This নপাৎ (*napat*) yields the more condensed word নপ্তা (*napta*) or নপ্তৃ (*naptri*) which ultimately gives us the modern word নাতি (*nati*). Though a নাতি (*nati*) today means 'a grandson' , its earliest form নপাৎ (*napat*) meant ' a son' . The spiritual expectation from a নপাৎ (*napat*) and a নাতি (*nati*) was, however, the same (*cf. the Bengali Proverb "নাতি স্বর্গে দেবে বাতি"*). A পুত্র (*putra*), as defined in the ৰামায়ণ (*Ramayana*), is one who rescues the father (*not the mother*), from the hell named পুৎ (*put*) and stands by him through thick and thin :

পুন্নাম্নো নৰকাদ যস্মাৎ পিতৰং ত্রায়তে সুতঃ ।
তস্মাৎ পুত্র ইতি প্রোক্তঃ পিতৃণ যঃ পাতি সর্বতঃ ।।

Contrary to such sky-high expectations from a male child, society's expectations from a female child were but little. As a দুহিতা (*duhita*) she was expected to দুহ্ (*duh*) or milk the cow and as a কন্যা (*kanya*) she was expected to perform all that the verb কন্ ( *kan*) , 'to desire ' , signified. Etymologically, what is a স্ত্রী (*stri*) but 'a bearer of children' ? The Latin word 'sator' meaning 'a begetter' and the Sanskrit word স্ত্রী (*stri*) look like cousins to an etymologist. The word স্ত্রী (*stri*) has at its root the verb স্ত্যৈ (*stai*), 'to harden' , or 'to stiffen'. A স্ত্রী (*stri*) is , therefore, supposed to be a hardener of the embyo within her womb. Sir M. Monier-Williams infers that the word স্ত্রী (*stri*) is a variation of the word সোতৃ (*sotri*), 'begetting or engendering' , which, again, contains the root verb সূ (*su*), 'to procreate'. From a strict etymological viewpoint, a স্ত্রী (*stri*) is, thus, a hardener of the foetus and a bearer of children, and a married woman who fails to procreate can have no claim to the status of a স্ত্রী (*stri*). Though we use these words even today, they have lost their etymological connotations and have become more or less colourless.

Every language including Assamese provides us with hosts of highly

expressive words to illustrate the basic linguistic concept that every word began as a metaphor. Let us take , for example, the word স্তম্ভিত (*stambhita*) which is an adjective of the word স্তম্ভ (*stambha*), 'a pillar' . When somebody stands overwhelmingly surprised at something the word স্তম্ভিত (*stambhita*) meaning 'petrified' or 'transformed into stone' is used as an epithet for him. A man who looks ম্রিয়মাণ (*mriyaman*) is, etymologically, a dying man , because the verb that yields the word is মৃ ( *mri* ), 'to die' . The Assamese word চেঙা (*chenga*) is a corruption of the Sanskrit word চলদঙ্গঁ (*chaladanga*, চলদ্ + অঙ্গঁ), 'a swiftly moving body' . Naturally, চেঙ্গাঁমাছ (*chengamachh*) is the kind of fish which, in order to escape somebody's clutch, makes a very fast movement of the body. The word কলদিল (*kaldil*) which, in fact, is a hybrid comprising the Assamese word কল (*kal*), from the Sanskrit word কদলি, (*kadali*), meaning 'banana' , and the Persian word দিল (*dil*), meaning 'heart' , metaphorically states what the cone of the banana appears to be : it is just like the heart of the banana.

While hosts of proper names, e.g. শকুনি (*Shakuni*), নাৰদ (*Narada*), বদন (*Badan*), মিৰ্জাফৰ (*Mirjafar*), ত্ৰিশঙ্কু (*Trishanku*) and শিখণ্ডী (*Shikhandi*), are metaphorically used in Assamese, there are man / others which, owing to the structural distortions suffered by them, are no longer proper names or metaphors, but are common parts of speech. The word গেঞ্জি ( *genji* ), for example, has originated from the word Guernsey, an island in the English Channel. It is believed that the kind of garment known as গেঞ্জি (*genji*) was first made in the island of Guernsey. The famous musical instrument known as তানপুৰা (*tanpura*) has probably got its name from তম্বৰু (*tambaru*), a monk, who is supposed to have been its first designer. The word ৰবিশস্য (*rabishasya*) which seems to have some etymological connection with ৰবি ( *rabi* ), the sun, is, in fact, a hybrid comprising the Arabic word ৰবিউল (*the month of rabiul*), and the Sanskrit-based Assamese word শস্য (*shasya*), meaning 'crop' . ৰবিশস্য (*rabishasya*) is, thus, a kind of crop which is reaped in the month of Rabiul or springtime. It is easily distinguishable from খাৰিফ-শস্য (*kharif-shasya*) which is reaped in autumn.

The monumental research project undertaken by the Deccan College of Post-graduation and Research to reconstruct the ancient and mediaeval history of India by way of an etymological anatomisation of words bespeaks how greatly this particular discipline of linguistics can help a systematic study of history. As a part of the project, the College has already



published four volumes of a Sanskrit-English Dictionary, though it has yet to publish fifty-six volumes more. The research was initiated in 1956 and is expected to be completed by 2050. It is deplorable that a lot of valuable data so far collected are being damaged owing to the lack of adequate computerisation facilities. Though linguists of every growing and thriving language have devoted themselves to the etymological study of words, the performance of the Assamese linguists in this area has so far been negligible. Scholars like Hemchandra Baruah and Banikanta Kakati, however, stand as two shining exceptions. We strongly hope, this hitherto neglected area of linguistic study will be attended to by the Assamese linguists. ●●●

## SPORTS QUIZ

### Questions :—

1. What is the name of the trophy awarded to winner of Asia cup?
2. In Australia vs England Test at Melbourne in 1979-80, what was unusual about David Bairstow's dismissal?
3. Sunil Gavaskar scored 36 not-out in the Prudential Cup match against England in 75. Who opened the innings with Gavaskar?
4. Which Indian players won the 'Man of the Match' award in three consecutive one-day matches?
5. Name the cricket umpire who is also a World Cup soccer referee?
6. Who bowled the first wide in one-day international cricket?
7. Name the first bowler to have taken five wickets on his one day international debut?
8. Who remained 99 not out in a one-day International match between India and New Zealand?
9. Who was the first player to play a one-day international although he never played in a Test?

### ANSWERS

1. Noon Khan Trophy.
2. He was run out while going for a sixth run.
3. Farokh Engineer.
4. Mohinder Amarnath.
5. Steve Buckner.
6. John Snow.
7. U Karnain.
8. Bruce Edgar.
9. Peter Coman. (New Zealand '73)

# Do You Know ?

**Chitra Bora**
Dept. of Political Science

1. D. Eisenhower was the first American President to visit India.
2. Le Corbusier designed the city of Chandigarh.
3. The 1916 Olympic Games were not held owing to the outbreak of World War I
4. A Jumping Tiger was the emblem of Azad Hind Fauz.
5. William Shakespeare wrote thirty-seven plays.
6. Sukumar Sen was the first Election Commissioner of India.
7. Tomato is the world's most popular vegetable fruit.
8. India has the largest population of cattle in the world.
9. Mexican Goalkeeper Jorge Campos designed his own dress in the World Cup Football, 1994.
10. A guest of the American President lives in the Blair House.
11. The full form of CLASS is Computer Literacy and Studies in School.
12. The official residence of the President of Argentina is Rose House.
13. Lata Mangeskar is known as the Indian Cuckoo.
14. The state language of Goa is Konkoni.
15. The nick - name of Charles Dickens, the world - famous writer, is Quiz .
16. The name of the official residence of the British Queen is Buckingham Palace.
17. The smallest country in the world is Vatican City.
18. The Nobel prize is awarded on 10 December every year.
19. The sculptor of the 'Statue of Liberty' is Frederic - Auguste Bartholdie.
20. The address of Sherlock Holmes is 221 B. Baker Street.



# Solace

**Joyashri Choudhury**
Dept. of English.

The dry twigs of the fallen tree,
Are collected by the woman,
To cook her evening meal.
But your charred remains in the forest --
Not even food for the wild animals.
The shell that shook the earth,
Shook the life out of me.
Your still body lying there - my body was there,
But the life within me flickered
away like a candle.
That fateful day, your dead body
Carried away my living soul !
Soaring above with your body
Perhaps to fathom this strange phenomena
of life and death.
A living wreck is what I have become.
Will I ever have my answer?
Pitted against life and death,
Or wait for the last and final breath
To come to grips with life and death
To become eternally free -
From this Created Universe,
To live no Age - Cycle,
To become
A Yogi filled with blessedness ! ❑❑❑

## The Pangs of a Mother

Prodin Chandra Mishra
TDC 3rd year

*When my mother was able to throw her slavery—*
*Her face then seemed to be jolly.*
*She aspired that her children would fulfil her ambition,*
*And they would go in the right direction*
*With such hopes in her mind*
*She came forward forty-seven steps*
*And then retreated.*
*She looked at her surrounding horizon–*
*She was grief - stricken seeing her children's degradation.*

*She has now seen her children going astray–*
*They identify themselves as a fatricide in this universe.*
*They are now busy in conlicts among themselves,*
*It is worse and more heinous than slaves.*

*The charms of her youth and brightness of her eyes–*
*All of these are now going to die.*
*She is repentant on her irony of fate,*
*Seeing what is written in her slate !*

*I am also an affectionate son of my mother,*
*Today she comes to me and whispers in my ear:*
*Do not forget the advice of the magnificient persons–*
*Who brought our glorious freedom .* ●●●



## Wings of Time

Tutul Kumar Das
TDC 2nd year

Time does not wait for anyone ,
Should we squander time futiley ?
God is the director of a life - time.
The world is the stage for a short life.
Our life - time is a blended story ,
Should we not express it fully ?

We should timely anoid the bad company ,
We should yearningly keep the best company ,
So that , with the help of the best company
We can develop our peculiarities ,
So that, within this short span of life
We should swiftly our duties complete ,
Because time is passing quickly
Because time is fleeing abnormally. ✡✡✡

# Between the Waves

**Nabojyoti Das**
TDC 2nd year

O' Heart!
Leave me alone, leave me alone,
I am the victim of time.
No Jesus arrives as a saviour to me,
Maybe I strike thou -
But trust me
I am not a soul from Hell.

O' Time!
Leave me alone, leave me alone,
I am the defeated warrior
Of such a broken heart,
But trust me -
I am not a soul from Hell.